# জৱাহৰ জ্যোতি

সা বিদ্যা যা বিমুক্তয়

• বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয় আলোচনী •

# জৱাহৰ জ্যোতি

## বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়

## আলোচনী

নৱম সংখ্যা ঃ ১৯৮৬-৮৭

সম্পাদক ঃ

গৌৰাঙ্গ চৌধুৰী

# সম্পাদনা সমিতি ঃ

সভাপতি ঃ

অধ্যক্ষ যতীন্দ্র চন্দ্র নাথ

তত্ত্বাবধায়ক ঃ

অধ্যাপক দিলীপ দাস

সদস্য ঃ

অধ্যাপক বসন্ত দত্ত
অধ্যাপক দ্বিজেন দাস
অধ্যাপক ধর্মকান্ত বরুয়া

অঙ্গ সজ্জা ঃ

তত্ত্বাবধায়ক সম্পাদক

উপ-সভাপতি ঃ

অধ্যাপক শরৎ চন্দ্র তালুকদার

সম্পাদক —

শ্রীগৌরাঙ্গ চৌধুরী

ছাত্র সদস্য

শ্রীঅমর দাস
সাধারণ সম্পাদক

ছপাশাল ঃ

পূর্বাচল প্রেস, বিজয়নগর

# শহীদ বেদী



# অশ্রু-অঞ্জলি

বিদেহী আত্মাৰ চিৰশান্তি প্ৰাৰ্থনা কৰি
আমি অশ্ৰু-অঞ্জলিৰে স্মৰণ কৰিছো :

প্ৰবীন ৰাজনীতিবিদ আৰু ভাৰতৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী চৰণ সিং ; সাংবাদিক সাহিত্যিক হৰেন্দ্ৰ নাথ বৰুৱা ; সাহিত্যিক পদ্মশ্ৰী আব্দুছ চাত্তাৰ ; প্ৰাক্তন সংসদী সদস্য আৰু অসম জনতা দলৰ বিশিষ্ট নেতা বিশ্ব গোস্বামী ; বিহাৰৰ মুখ্যমন্ত্ৰী চন্দ্ৰ শেখৰ সিং ; উৰিষ্যাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী, প্ৰাক্তন ৰাজ্যপাল, কেন্দ্ৰীয় মন্ত্ৰী আৰু সাহিত্যিক হৰেকৃষ্ণ মেহতাব ; জন-সাহিত্যৰ একনিষ্ঠ সেৱক সাহিত্যিক পেন্সনাৰ শ্ৰীশ্ৰীৰামচন্দ্ৰ দাস ; কবি সমৰ সেন ; ভাৰতীয় কথাছবি জগতৰ অন্যান্য নায়িকা স্মিতা পাতিল ; ভাৰতীয় গণ নাট্য সংঘৰ একনিষ্ঠ অক্লান্ত কৰ্মী আৰু লোক-সংস্কৃতি জগতৰ স্বনামধন্য পুৰুষ হেমাঙ্গ বিশ্বাস ; দৰদী কণ্ঠ শিল্পী কিশোৰ কুমাৰ, শ্যামল মিত্ৰ আৰু আন আন বিশিষ্ট আপোনজন ... ... ... ... ... ... ... ... ...



দিশপুৰ, গুৱাহাটী—৭৮১০০৬
তাৰিখ—২৮ / ৯ / ৮৭ ইং

শ্ৰীবৃন্দাবন গোস্বামী
মন্ত্ৰী
শিক্ষা, বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু পৰিবেশ
অসম চৰকাৰ

# শুভেচ্ছা বাণী

ছাত্ৰ-ছাত্ৰীসকলৰ মাজত জ্ঞান আহৰণ আৰু সাহিত্য চৰ্চাৰ প্ৰতি অনুপ্ৰেৰণা যোগোৱাত বিদ্যালয় সমূহৰ আলোচনী বা মুখপত্ৰই বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। পাঠ্যক্ৰমৰ বাহিৰেও প্ৰগতিমূলক আলোচনা আৰু বা-বাৰ্তাৰিয়ে শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ ক্ষেত্ৰত আলোচনীয়ে ছাত্ৰ-ছাত্ৰীৰ মাজত এক দায়িত্বপূৰ্ণ স্থান গ্ৰহণ কৰিব পাৰে।

ধকোৰ জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই মহাবিদ্যালয়খনৰ মুখপত্ৰ 'জৱাহৰ জ্যোতি'ৰ নৱম সংখ্যা প্ৰকাশ কৰিবলৈ লোৱাত মই সন্তোষ পাইছোঁ।

'জৱাহৰ জ্যোতি'ৰ সফলতা কামনা কৰি মোৰ আন্তৰিক শুভেচ্ছা জনালোঁ।

জনতা ভৱন
দিশপুৰ, ২৮-৯-৮৭

স্বাঃ বৃন্দাবন গোস্বামী
শিক্ষামন্ত্ৰী
অসম

শ্ৰীযতীন মালী, এম, এ
ৰাজ্যিক মন্ত্ৰী
শিক্ষা, বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু পৰিবেশ,
দিশপুৰ, অসম

তাৰিখ—১৬ / ৯ / ৮৭ ইং

# শুভেচ্ছা বাণী

জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ মুখপত্ৰ ' জৱাহৰ জ্যোতি ' ৰ নৱম সংখ্যাটি প্ৰকাশ কৰিব বুলি জানিবলৈ পাই মই আনন্দিত হৈছোঁ । মুখপত্ৰখনৰ জৰিয়তে মহাবিদ্যালয়খনৰ এটি খতিয়ান দাঙি ধৰাৰ লগতে ছাত্ৰ-ছাত্ৰী সকলে সাহিত্য চৰ্চাৰ সুযোগ পাব । মুখপত্ৰখনৰ সফলতা কামনা কৰাৰ লগতে ইয়াৰ উদ্যোক্তা তথা ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ আন্তৰিক শুভেচ্ছা জনালোঁ ।

স্বা: যতীন মালী
১৬ / ৯ / ৮৭

# এই সংখ্যাৰ

## কবিতাৰ কৰণিত ঃ


| | | | |
|---|---|---|---|
| অৱশেষত ঘূবি আহে নদী | ঃ বিবিঞ্চি কুমাব বাভা | ঃ | ১ |
| ফাগুন যেতিয়া আহে | ঃ চিত্ৰমোহন বাভা | ঃ | ২ |
| মই যেন অকলশৰীয়া | ঃ চাজিদা চুলতানা | ঃ | ২ |
| এজন স্বদেশী বন্ধুলৈ | ঃ অমিয় বাভা | ঃ | ৩ |
| মই ভাল পাওঁ | ঃ সঙ্গীতা বাভা | ঃ | ৪ |
| বিগত দিনবোৰলৈ | ঃ বুদ্ধকান্ত বাভা | ঃ | ৪ |
| মোব কল্পনা আবু চিন্তা | ঃ কনক সাউদ | ঃ | ৫ |
| ক্ষুধাতুৰ আত্মা | ঃ শংকৰ বাভা | ঃ | ৬ |
| প্ৰণয় তীৰ্থ | ঃ সুদৰ্শন কলিতা | ঃ | ৬ |
| ছমবীয়া এটি নিশা | ঃ নীলমণি মহন্ত | ঃ | ৭ |
| এতিয়া সময় | ঃ নন্দলাল তুলশীয়াবী | ঃ | ৮ |
| জীৱন তৃষ্ণা | ঃ বীৰেণ চন্দ্ৰ বাভা | ঃ | ৮ |
| মৰমৰ চুনুবীয়া | ঃ হৰিনাৰায়ণ ৰয় | ঃ | ৯ |
| অনুভূতি | ঃ সুনীল ঠাকুৰীয়া | ঃ | ১০ |
| পৰিচয় | ঃ দেৱেনদীপ বৰ্মণ | ঃ | ১০ |
| মন যায় | ঃ নীৰা ৰায়ন | ঃ | ১১ |
| স্বাগত সময়ত | ঃ ৰঞ্জিত কুমাৰ বাভা | ঃ | ১২ |
| তুমি | ঃ গৌৰাঙ্গ চৌধুৰী | ঃ | ১৩ |
| কবি-শিল্পী ৰমেশৰ মৃত্যুত | ঃ বসন্ত দত্ত | ঃ | ১৪ |
| সংগ্ৰহ | ঃ | ঃ | ১৬ |


## গল্পৰ কুকিত ঃ


| | | | |
|---|---|---|---|
| পৰেশ ৰায়ক লগ পাইছিলোঁ | ঃ সুশীল কুমাব চৌধুৰী | ঃ | ১৭ |
| প্ৰতীক্ষাৰ অন্তত | ঃ কমল কুমাব কলিতা | ঃ | ২৪ |
| মৌন ক্ৰন্দন | ঃ ডালিমী বড়ো | ঃ | ২৮ |

## প্ৰবন্ধৰ শৰাইত ঃ


| | | | |
|---|---|---|---|
| আধুনিক ভাৰত আৰু সাম্প্ৰদায়িকতাৰ আদি পৰ্ব | ঃ | দ্বিজেন দাস | ঃ ৩২ |
| আহোম যুগৰ এটি দিশ-সাহিত্য | ঃ | অতুল দাস | ঃ ৩৬ |
| অসমীয়া অঙ্কীয়া নাটৰ সূত্ৰধাৰ আৰু পুৰাণ গ্ৰীক নাটকৰ ক'ৰাছৰ বৈশিষ্ট্য | ঃ | মায়াবাণী বড়ো | ঃ ৪০ |


## অন্যান্য শিতানত ঃ


| | | |
|---|---|---|
| সাক্ষাৎকাৰ শিতান এজন ডেকা বিজ্ঞানীৰ সতে | ঃ | ঃ ৪৩ |


## খেল শিতান ঃ


| | | |
|---|---|---|
| বৰ্ডিলাইন আৰু ট্ৰ্যাজিক হিৰো | ঃ | ঃ ৪৫ |
| সম্পাদকীয় প্ৰতিবেদনসমূহ | ঃ | ঃ ৪৭--৫৫ |


* লিখকৰ নাম উল্লেখ নথকা ৰচনা সমূহ সম্পাদনা সমিতিৰ তৰফৰ পৰা আগবঢ়োৱা হৈছে ।

# সম্পাদকীয়

## থূলমূলকৈ আমাৰ চেৰেক : অসমীয়া সাহিত্য আৰু সাহিত্যিক সন্দৰ্ভত :

ভাৰতৰ অন্যান্য প্ৰান্তৰ সাহিত্যৰ মানদণ্ডেৰে নিৰ্ণয় কৰিলে সাম্প্ৰতিক অসমীয়া সাহিত্যই এক উল্লেখযোগ্য স্থান অধিকাৰ কৰি থকা বুলিয়ে কব লাগিব। বিশেষকৈ গল্প, কবিতা, উপন্যাস, সমালোচনা আদিৰ ক্ষেত্ৰত অসমীয়া সাহিত্যৰ স্থান আজি নিঃসন্দেহে উল্লেখযোগ্য। এই কৃতিত্বৰ প্ৰধান অংশীদাৰ কিন্তু আমাৰ প্ৰাক্ স্বাধীন যুগৰ পৰা লিখি অহা প্ৰাচীন সাহিত্যিক সমালোচক সকল। দেশৰ আৰ্থ-সামাজিক পৰিৱৰ্তনলৈ লক্ষ্য ৰাখি আৰু লগতে বহিৰ্জগতৰ সাহিত্যৰ বিভিন্ন দিশত সৃষ্টি হোৱা সলনিৰ বতাহলৈ লক্ষ্য ৰাখি তেওঁলোকৰ বহুতে আজিও অবিৰত ভাবে লিখিয়ে আছে। নিঃসন্দেহে তেওঁলোকৰ নিৰৱচ্ছিন্ন উৎসাহ, অধ্যয়ন আৰু সাধনাই তেওঁলোকক স্বনামধন্য আৰু প্ৰশংসাযোগ্য কৰি তুলিছে। আজি অসমীয়া সাহিত্যৰ বৰ সৰাহখন এইবোৰ সাহিত্যিক সমালোচকক বাদ দি কল্পনা কৰিলে নিশ্চয় বৰ উৰুঙা আৰু সেৰেঙা লাগিব। স্বাধীনোত্তৰ যুগত জন্ম পোৱা অথবা লিখিবলৈ আৰম্ভ কৰা আমাৰ নবীন লেখক-লেখিকা সকলৰ কিছুমানেও ইতিমধ্যে প্ৰতিষ্ঠাৰ সোপানত কিছুদূৰ আগবাঢ়ি গৈছে। কিন্তু কিছুমানে সম্ভাৱনাৰ স্বাক্ষৰ বহন কৰি ওলাই আহিলেও সুনিৰ্দিষ্ট দৰ্শনৰ অভাৱত অথবা আন কোনো কাৰণত প্ৰতিষ্ঠাৰ সোপানত অদ্যাপি খোজ পেলাবহি পৰা নাই— আলিদোমোজাত বাট কেণা লগা পথিকৰ দৰে লক্ষ্য স্থানলৈ তেওঁলোকৰ গতি যেন থৰক-বৰক। অৱশ্যে সময় তেওঁলোকৰ এতিয়াও উকলি যোৱা নাই। আমি আশা ৰাখিছোঁ, প্ৰবীনসকলৰ দৰে তেওঁলোকেও আশাশুধীয়া চেষ্টা, উৎসাহ, অধ্যয়ন, সাধনা আৰু সুনিৰ্দিষ্ট লক্ষ্যৰে অনুপ্ৰাণিত হৈ, দেশৰ আৰ্থসামাজিক পৰিৱৰ্তনৰ লগত ৰজিতা খুৱাই আৰু সাম্প্ৰতিক কালত গঢ় লোৱা আৰু স্বীকৃতি লাভ কৰা সাহিত্যৰ কলাগত পৰিৱৰ্তন সমূহ নিষ্ঠাৰে আৰু নিখুঁতকৈ অনুধাৱন কৰি জনমুখী বাস্তৱ সাহিত্যৰ সৃষ্টিত আত্ম নিয়োগ কৰিব।

## দুটামান অভাৱৰ কথা :

আমাৰ ভাষা-সাহিত্যৰ দুটামান চকুত পৰা আৰু সদায় অনুভৱ কৰি অহা অভাৱৰ কথা এইখিনিতে উল্লেখ কৰাটো অবান্তৰ নহব।

প্ৰথমতে উল্লেখ কৰিব লাগিব এখন সুবৃহৎ আধুনিক অভিধানৰ অভাৱ। কোৱা বাহুল্য, স্বনামধন্য পুৰণি যিদুখন অভিধান আছে সেই দুখনে সাম্প্ৰতিক কালৰ অসমীয়া সাহিত্যৰ লেখক-লেখিকা আৰু পঢ়ুৱৈ সমাজৰ চাহিদা সম্পূৰ্ণৰূপে পূৰাব নোৱাৰে কেইটামান বিশেষ কাৰণত। সাম্প্ৰতিক কালত অসমীয়া বহু শব্দৰ বানান-ৰীতিৰ সলনি ঘটোৱা হৈছে। পৰিৱৰ্তিত বানান-ৰীতিৰে লিখা শব্দবোৰ স্বাভাবিকতে উক্ত অভিধান দুখনত আন প্ৰকাৰে লিখা আছে। তাৰোপৰি, অন্যান্য ভাষাৰ বহু শব্দই সঘন ব্যৱহাৰৰ ফলত আমাৰ ভাষাত জীণগৈ অসমীয়া ৰূপ লাভ কৰিছে। সাহিত্যিক সমালোচক সকলৰ লিখনিতো সিবোৰে স্থান পাই ব্যৱহাৰৰ ঔচিত্য সাব্যস্ত কৰিছে। উল্লেখিত অভিধান দুখনত এই শব্দবোৰ যে পাবলৈ নাই সেয়া সহজে অনুমেয়। বিজ্ঞান আৰু কাৰিকৰী বিষয়ক বহু শব্দও ইতিমধ্যে আমাৰ

দৈনন্দিন জীৱনৰ ব্যৱহাৰত অপৰিহাৰ্য হৈ পৰিছে অথচ সেইবোৰ শব্দ হাত মেলি লগ পোৱা আমাৰ ভাষাৰ অভিধানত পাবলৈ নাই । সুবৃহৎ আধুনিক অসমীয়া অভিধান এখনৰ প্ৰয়োজনীয়তা যে এনেবোৰ গুৰুত্বপূৰ্ণ কাৰণতে কোৱা নিষ্প্ৰয়োজন । ১৯৭৭ চনত অসম প্ৰকাশন পৰিষদৰ দ্বাৰা প্ৰকাশিত ৫৮১ পৃষ্ঠাৰ যিখন অভিধানলৈ সাম্প্ৰতিক কালৰ অসমীয়া ভাষাৰ প্ৰতিনিধিত্বমূলক অভিধান হিচাবে অঙুলিয়াব পাৰি সেইখন কিন্তু কেবাটা কাৰণত সুবিধাজনক নহয় । প্ৰথম কথা হ'ল, ইয়াৰ পৰিসৰ অত্যন্ত ঠেক । বহু প্ৰয়োজনীয় শব্দ অন্তৰ্ভুক্তিৰ পৰা বাদ পৰি গৈছে । তাৰোপৰি যিবিলাক শব্দ অন্তৰ্ভুক্ত কৰা হৈছে সেইবোৰৰ ব্যুৎপত্তিগত ব্যাখ্যা সন্নিৱিষ্ট কৰা হোৱা নাই । গোটেই কামটোৱে খৰখেদাকৈ অথবা শ্ৰম-মনোযোগৰ উচিত প্ৰয়োগ নকৰাকৈ কৰা পালমাৰা বিধৰ কাম যেনেহে লাগে । ১৯৮৭ চনৰ ডিচেম্বৰত এই অভিধানৰ ৩য় সংস্কৰণ প্ৰকাশ পাইছে। কিন্তু গুণগত ভাবে ইয়াৰ তিলমাত্ৰও পৰিবৰ্ধন তথা উন্নতি চকুত নপৰিল । আশ দহবছৰৰ ভিতৰত দাম দুগুণ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে । নক'লেও হয়, আন এখন সুবিধাজনক আধুনিক অভিধানৰ অভাৱতহে গ্ৰাহকে এইখন ক্ৰয় কৰিব লগাত পৰিছে আৰু ইয়াৰো তৃতীয় সংস্কৰণৰ মুখ দেখাৰ সৌভাগ্য হৈছে । সাধাৰণতে পৰৱৰ্তী সংস্কৰণ সমূহত গ্ৰন্থ একোখনে পৰিবৰ্ধন তথা উন্নতি লাভ কৰাতো বাঞ্ছনীয় আৰু প্ৰয়োজনীও । অভিধান এখনৰ বেলিকাতো এনে প্ৰয়োজনীয়তা আৰু বেছি কিন্তু আমি ক্ষোভ আৰু হতাশাৰে লক্ষ কৰিছোঁ, আলোচ্য অভিধানখনৰ পৰিবৰ্ধন বা উন্নতি হোৱাতো দূৰৰে কথা, আনকি প্ৰথম সংস্কৰণৰ 'নিবেদন'ত সম্পাদক তিনিগৰাকীৰ দুগৰাকীয়ে অভিধানৰ শেষৰ ফালে জোৰা দিয়া 'সংযোজন' অধ্যায়ত অন্তৰ্ভুক্ত শব্দবোৰ পৰৱৰ্তী সংস্কৰণত যথাস্থানত অন্তৰ্ভুক্ত কৰাৰ যি আশা বা প্ৰতিশ্ৰুতি দিছিল দ্বিতীয় সংস্কৰণতো সেয়া ফলৱতী হৈ নুঠিলে, আনকি তৃতীয় সংস্কৰণতো নহ'ল । এই সন্দৰ্ভত আমাৰ কবলগীয়া এয়ে যে এই অভিধানখনৰ আন এটা পৰিবৰ্ধিত আৰু উন্নত সংস্কৰণ শীঘ্ৰে প্ৰকাশ কৰিব লাগে—সময় খৰছ কৰিব পৰা, নিষ্ঠাবান, অধ্যৱসায়ী কৃতবিদ্য ব্যক্তিৰ সম্পাদনাত । চৰকাৰী খৰছত যিহেতু প্ৰকাশন পৰিষদৰ গ্ৰন্থসমূহ প্ৰকাশ কৰা হয়, উপযুক্ত পাৰিশ্ৰমিক দিলে যোগ্য ব্যক্তিৰ অভাৱ নিশ্চয় নহব । অসম সাহিত্য সভায়ো এই কাম কৰিব পাৰে; কৰা উচিত যেহেতু অসমীয়া ভাষা সাহিত্যৰ প্ৰতি দায়বদ্ধতা এই সংগঠনৰে আটাইতকৈ বেছি ।

অনুবাদৰ ক্ষেত্ৰত আমি বাৰুকৈয়ে পিচ পৰি আছো বুলি কলেও সম্ভৱ ভুল কোৱা নহব । আন ভাষাৰ পৰা আমাৰ ভাষালৈ ইতিমধ্যে ভালেমান গ্ৰন্থ অনূদিত হৈছে । কিন্তু মুষ্টিমেয় কিছু সংখ্যক গ্ৰন্থৰ বাহিৰে আমাৰ ভাষাৰ মূল্যবান আৰু লেখত লবলগীয়া গ্ৰন্থ সমূহ আন ভাষালৈ অনূদিত হোৱা নাই । বিশেষকৈ ইংৰাজী ভাষালৈ আমাৰ বাছকবলীয়া গল্প, কবিতা আৰু উপন্যাসসমূহ অনূদিত হোৱা অতীব প্ৰয়োজনীয় । এতিয়ালৈ যি হৈছে সেয়া বৎসামান্য । আমাৰ ধাৰণা, এনে অনুবাদে আমাৰ কবি, গল্পকাৰ আৰু ঔপন্যাসিকৰ অন্ততঃ কিছুমানক আন্তৰ্জাতিক প্ৰচাৰ আৰু খ্যাতি লাভ কৰাত সহায় কৰিব ।

বিজ্ঞান ভিত্তিক, শিশুৰ উপযোগী আৰু কাৰিকৰী জ্ঞান দিব পৰা কিতাপৰ সংখ্যাও আমাৰ ভাষাত যথেষ্ট নহয় । যোগ্য ব্যক্তি সমূহে এইবোৰ দিশতো অৰিহণা আগবঢ়াই এইবোৰ দিশো টনকিয়াল কৰি তোলা উচিত । প্ৰকাশক সকলেও এনেবোৰ কিতাপ প্ৰকাশ কৰিবলৈ হেলা নকৰি আগবাঢ়ি অহা উচিত ।

কবিতা

# ॥ অৱশেষত ঘূৰি আছে নদী ॥

বিৰিঞ্চি কুমাৰ ৰাভা
২য় বাৰ্ষিক, স্নাতক মহলা

নিসিদ্ধ এলেকা অতিক্ৰম কৰি
মোৰ ৰক্তাক্ত বুকুৰ মাজলৈ
মোৰ ৰ'দে পোৰা কলিজাটোৰ কাষলৈ
মোৰ কাংখিত যৌৱনৰ গোলাপী হাঁহিৰ লহৰে লহৰে
অৱশেষত ঘূৰি আছে নদী ॥
মানুহৰ সুমিষ্ট হৃদয় নিৰ্মাণ কৰা কাৰখানাত
বৰণ কৰি থোৱা উৰ্বৰা মাটিৰ প্ৰসাৰতাত
অৱশেষত ঘূৰি আছে নদী ॥
অৱশেষত ঘূৰি আছে নদী
নগুঠা বিৰিখৰ শিপাই শিপাই
ম্লান পৰি উপচি থকা থৰ্ থৰ্ শৰবিদ্ধ
আকাশখনৰ আসন্ন সান্নিধ্যত ॥
আফ্ৰিকাৰ গভীৰ অৰণ্যৰ কৃষ্ণাঙ্গ কবিৰ ৰুদ্ধ কণ্ঠ স্বৰত
অৱশেষত ঘূৰি আছে নদী ॥
অৱশেষত ঘূৰি আছে নদী
শিল কোঁৱাৰীৰ শিলৰ ফাঁকে ফাঁকে
কমাৰ শালৰ হাতুৰীৰ টিক্-টাক শব্দত ॥
অনিবাৰ্য ৰাতি পুৱাৰ ৰক্তিম সূৰ্যৰ দৰে
জালিকটা উমাল ৰ'দৰ সতে
অৱশেষত ঘূৰি আছে নদী ॥
নাঙলৰ সীৰলুৰ কোঁহে কোঁহে
অৱশেষত ঘূৰি আছে নদী ॥
মোৰ তন্দ্ৰালু চিন্তা আৰু চেতনাৰ গানৰ
লহৰে লহৰে অৱশেষত ঘূৰি আছে নদী ॥
অৱশেষত ঘূৰি আছে নদী
মোৰ বিষণ্ণ চকুৰ পতাত ॥

* * *

# ফাগুন যেতিয়া আহে

শ্ৰীচিত্ৰমোহন ৰাভা
১ম বাৰ্ষিক, উঃ মাঃ ( বিজ্ঞান শাখা )

শুকান বতাহত ফাগুন আহে
আকাশ বঙাই পলাশে হাঁহে
মদাৰৰ ডালতো জুই-ফুল জ্বলে
চঞ্চল বতাহত আইৰ চুলি
জুবুলা হয়
নঙঠা গছত মোৰ শৈশৱ
ওলমি ৰয়
সেয়েহে ফাগুন মোৰ প্ৰিয়জন ।

* * * *

# মই যেন অকলশৰীয়া

মিচ্ চাজিদা চুলতানা
৩য় বাৰ্ষিক, স্নাতক মহলা

ইমান মানুহ ইমান মৰম
অথচ ইমান অকলশৰীয়া
বহাগৰ বতৰো কিবা
সেমেকা সন্ধিয়া
সৃষ্টিৰ সমলয়ত বীণ বজাই
মানুহৰ জয়গান মানুহক শুনালো
বহুদিন বহুঠাইত মানুহক
হাঁহি হছুৱালো
তথাপিও মই কিয় অকলশৰীয়া !

* * * *

# এজন স্বদেশী বন্ধুলৈ !

শ্ৰীঅমিয় ৰাভা
২য় বাৰ্ষিক, স্নাতক মহলা

মাতৃভূমিত থিয় হৈ
তোমালৈ লিখা চিঠিৰ শব্দবোৰ আৰু প্ৰতিজ্ঞাবোৰ
মিছা হব পাৰে
কলা সন্মত নহব পাৰে তাৰ ভাষা
কিন্তু মোৰ স্বদেশৰ প্ৰতি ভাল পোৱাৰ চিহ্নবোৰ
নিশ্চয় সত্য
সেইবোৰ হৃদয়ৰ ভাষা
মোৰ হৃদয়ৰ প্ৰতিশ্ৰুতি !
স্নিগ্ধ প্ৰভাতী পোহৰত
আমি এখন অনৈক্যৰ প্ৰাচীৰ ভাঙিছোঁ
যিখন কাঁইটেৰে ভৰা,
আমি ভাগ্যৰ মুখা-মুখি হৈছোঁ
যিটো সময় আছিল সম্পূৰ্ণ এন্ধাৰে আবৰা,
আমি সংকল্প লৈ জুইলৈও জাঁপিয়াইছোঁ
উত্তৰ পুৰুষ'লৈ এমুঠি ধান সাঁচি থব'লৈ;
আমি বিচাৰিছোঁ অভিন্ন হৃদয়ৰ বন্ধুত্বৰ দবে বাস কৰিব'লৈ
কাৰণ ! পৃথিবীত বাস কৰিবলৈ
জীৱনটো সপোন নহয়
নহয় সম্পূৰ্ণ চকুলোৰে ভৰা ।
স্বদেশী বন্ধু ! সময় হ'লহি নতুন পুৰুষক জগাই দিয়াৰ
স্বদেশৰ প্ৰতিটো আশাক, প্ৰতিটো চিন্তাক বাস্তৱ কৰিব'লৈ,
প্ৰতিজন প্ৰবীণৰ ভৱিষ্যত চিন্তাক শাশ্বত কৰিবলৈ,
প্ৰতি ইঞ্চি মাটিত পলস পেলাই শস্যৰ বাসভূমি কৰিব'লৈ ।
এইবোৰ হৃদয়ৰ ভাষা
মোৰ হৃদয়ৰ প্ৰতিশ্ৰুতি ।

△△△

# মই ভাল পাওঁ

মিচ্ সঙ্গীতা বাভা
১ম বাৰ্ষিক, উঃ মাঃ ( কলা )

মই ভাল পাওঁ
নাঙলৰ সীৰলুত
উন্মুখ হোৱা প্ৰোজ্বল সময় ।
মই ভাল পাওঁ
মাটি আৰু মানুহৰ আলিঙ্গনত থকা
সমৃদ্ধ হৃদয় ।
মই ভাল পাওঁ
গাঁভিন শষ্যৰ থোৰত
থুপ খাই থকা
সন্তোষজনক কবিতাৰ অমল উৎস ।
মই ভাল পাওঁ স্বাধীনতাৰ বিজয়ী ঘোঁৰা
মুক্ত আকাশৰ উন্মুক্ত বতাহ ।

* * * *

# বিগত দিনবোৰলৈ..... ...

শ্ৰীবুদ্ৰকান্ত বাভা
২য় বাৰ্ষিক, উঃ মাঃ ( কলা )

মোৰ প্ৰতিটো নিশাহত
সময়ৰ সতে গাঁথি যোৱা
মুকুতাৰ মালাধাৰি
ছিগি পৰে
ঠিক যেন চকুলো টোপাল ।
পুৰাণ পৃথিৱীৰ
শ্বাসৰুদ্ধ কোলাহলবোৰ
ক'ৰবাত ঠেকা খাই
বিলীন হৈ ৰয় ।

□□□

# মোৰ কল্পনা আৰু চিন্তা

শ্ৰীকনক চন্দ্ৰ সাউদ
১ম বাৰ্ষিক, স্নাতক মহলা

মই বাস কৰোঁ এখন নতুন জগতত,
যাক মই আঁকোঁ অশেষ তৃপ্তিৰে,
সহস্ৰ বাটে-ঘাটে মই বিচৰণ কৰোঁ,
কেতিয়াবা সাগৰৰ গভীৰ প্ৰান্তত,
কেতিয়াবা সমভূমিৰ বহল বুকুত
আৰু কেতিয়াবা হিমালয়ৰ ওখ শৃংগত ।
সকলোতে মই সমন্বয়ৰ সাঁকো নিৰ্মাণ কৰোঁ,
সকলোতে মই মানৱতাৰ বীজ ৰোপণ কৰোঁ,
মৌন ভাষাৰে মই গণতন্ত্ৰৰ ভেটি সুদৃঢ় কৰোঁ ।
অনৈক্যৰ প্ৰাচীৰ ভাঙি মই ছটিয়াই দিওঁ
জাতিৰ পাৰস্পৰিক জাতীয় চেতনা ।
মই নাশ কৰোঁ সহস্ৰ জীৱন ধুমুহাক,
উন্মত্ত যৌৱনৰ বাসনাক ।
মানুহ, জীৱ-জন্তু, চৰাই-চিৰিকটিৰ মাজত মই টানি দিওঁ
প্ৰীতিৰ নতুন দিগন্ত ৰেখা ।
মই জীয়াই আছোঁ আৰু জীয়াই থাকিম
মোৰ কল্পনা আৰু চিন্তাৰে ।

০০০

# ক্ষুধাতুৰ আত্মা

শ্ৰীশংকৰ বাভা
১ম বাৰ্ষিক, উঃ মাঃ ( বিজ্ঞান )

মেঘৰ মাদলত বহাগৰ জাননী
কুলি কেতেকীৰ গীতত অজান
দেশৰ বিৰ্নাণ
হৃদয়ত সৃষ্টিৰ অনন্ত বাসনা
উন্মাদনা লৈ মই ঘূৰি ফুৰিছিলো
তোমাক বিচাৰি
দুচকুত স্বপ্নৰ কাজল সানি
তোমাক দেখিছিলো দূৰৈৰ বালিৰ
দ'মৰ ওপৰত
মুখত শুকাইছিল মোৰ দুখৰ চকুলো
তোমাৰ হাত বাউলিয়ে কাঢ়ি নিছিল
মোৰ সমস্ত সত্বা ॥

* * *

# প্ৰণয় তীৰ্থ

শ্ৰীসুদৰ্শন কলিতা
১ম বাৰ্ষিক, স্নাতক মহলা

চিৰ প্ৰবাহমান কল্লোলিনীৰ
অশান্ত আৰ্তনাদ আৰু সীমাহীন কলৰৱ
চন্দ্ৰমাৰ বিমল জোৎস্নাত
সুন্দৰ নৃত্যৰ মূৰ্ছনা
প্ৰণয় প্ৰবাহী হৃদয়ৰ পবিবৃত্তভাত
উন্মনা মনৰ সচেতন নিয়ন্ত্ৰণ
অদূৰত অহৰ্নিশে বাজে প্ৰণয় সংকেত
প্ৰাণৰ মাজত স্পন্দিত হয়
কম্পিত বাসনা
ঘৃণা ক্ৰোধ অহংকাৰ তমসা বিনাশী
সৃষ্টি শিখাই আনি দিয়ে অতৰ্কিতে
প্ৰণয়ৰ প্ৰত্যুষ প্ৰগতি
জীৱনৰ দুকূল ওপচাই।

* * *

# ছমৰীয়া এটি নিশা

শ্ৰীনীলমনি মহন্ত
১ম বাৰ্ষিক, স্নাতক মহলা

তিৰাশীৰ বাৰ ফেব্ৰুৱাৰীৰ সেই নিশাটো
এটি কাল নিশা—এটি পিশাচী নিশা
বৰ ভয়ানক সেই নিশা
আমি সকলোৱে শুই আছিলো
কিন্তু সাৰে আছিল পহৰাদাৰ বোৰ
সিহঁতে দেখিছিল কিছুমান জুইশিখা
আমি সাৰ পালো
আমি এন্ধাৰতে সাৰ পালো
জুই শিখাবোৰ ক্ৰমশঃ আগবাঢ়ি আহিছে
প্ৰতিজনৰ হাতত মৰণাস্ত্ৰ
কুৎচিৎ চিএঞৰে অন্ধকাৰ ৰাতিৰ আকাশ
কঁপাই তুলিছে
পহৰাদাৰীৰ বন্দুকৰ গুলিয়েও সিহঁতৰ
গতিৰোধ কৰিব পৰা নাই
আমাৰ বুকুবোৰ ক্ষন্তেকৰ বাবে
কঁপি উঠিছে
তাৰ পিছত আমাৰ শিৰাই শিৰাই
প্ৰবাহিত হ'ল প্ৰতিৰোধৰ উত্তপ্ত তেজ
চেনেহৰ গাওঁখন ৰাখিব লাগিব
পণ লৈ মঞ্জু গঙ্গা ৰজনীয়ে
দেওধনী নাচি সাৱটিলে অমৰ মৃত্যুক।

***

## — এতিয়া সময় —

শ্ৰীনন্দলাল তুলশীয়াৰী
২য় বাৰ্ষিক, উঃ মাঃ ( কলা )

নগ্ন সভ্যতাৰ গাভৰু বুকুত
মুৰ গুজি শুই পৰে
সময় — এতিয়া
অস্থিৰ আৰু উদ্বিগ্নতাত
ইতিহাসে কেৱল চিঞৰিছে।
কোলাহল বোৰ সাম কাটিলেই
কলিজাৰ কেঁচা তেজ শুঙি
নামি আহে আন এখনি
ৰক্তৰ নদী।
সেই নদীৰ পাৰত থিয় হৈ
আমি কেৱল সূৰ্যোদয় চাইছোঁ॥

* * *

## → জীৱন তৃষ্ণা ←

শ্ৰীবীৰেন চন্দ্ৰ ৰাভা
১ম বাৰ্ষিক, স্নাতক মহলা

হৃদয়ত প্ৰেমৰ অনুৰাগ
তোমাক ভাল পোৱাৰ পিচতো
মন মোৰ মিলি আছে
মাটিৰ সতে
তোমাৰ প্ৰেমৰ প্ৰধান প্ৰতিদ্বন্দী
প্ৰতিডোখৰ সতেজ সজীৱ মাটি
মাটিৰ প্ৰতিটো অনুত লাগি আছে
মোৰ কলিজাৰ স্পন্দন
লাগি আছে হৃদয়ৰ অনাবিল
অনুৰাগ।

* * *

# মৰমৰ চুনুৰীয়া

শ্ৰীহৰিনাৰায়ণ ৰয়
১ম বাৰ্ষিক, স্নাতক মহলা

চিৰ সেউজীয়া আই চুনুৰীয়া
তুমি আচলৰ জীয়া,
আগমত আছে ব্ৰহ্মপুত্ৰ হেনো
এদিন কৰিব বিয়া ।
ব্ৰহ্মপুত্ৰ হেনো সেই ষণ্ডতেই
লাহে লাহে ইফলীয়া,
দ্বাপৰৰ শেষ কলিৰ আদিত
তাহানিতে কই যোৱা ।
জোনাকে হাঁহিব তৰাই নাচিব
ফেচুৱে উৰুলী দিব,
কুলি বাইদেৱে বিয়া নাম দিব
কাকে খাবলৈ মাতিব ।
সেউজীয়া বন কৰে বিতোপন
কেতেকী কাচও ফুল
শিল কেইটিও বাগৰিব জুগৰিব
আনন্দত বিয়াকুল ।
সন্যাসী মন্দিৰ ভৱাল মন্দিৰে
তোমাৰ গুণকে গায়,
কন্টক নেওঁচ আকাশী গঙ্গাও
চৰণ ধুৱাই যায় ।
তোমাৰ বুকুত অলেখ মন্দিৰ
শত নিজৰাৰ দান,
লক্ষী শিল এটা আহু শালি মিলি
পৃথিৱীক দিয়ে ধান ।
আশা মৰীচিকা নিশাৰ জোনৰ
বিচিত্ৰ পুৰীৰ খেলা,
বিধিৰ লিখন নাযায় খণ্ডন
অপূৰ্ব তেওঁৰ লীলা ।

* * * * *
* * *
*

## — অনুভূতি —

শ্ৰীসুনীল ঠাকুৰীয়া
১ম বাৰ্ষিক, স্নাতক মহলা

কোনো এক জোনাক নিশাত
দৃষ্টি মোৰ নিবিষ্ট
এক নৱ অনুভূতিত।
দুটি নয়নৰ প্ৰতিফলনৰ
মসৃন ফলকেৰে
দুনাই দৃষ্টি নিক্ষেপৰ
নাই প্ৰয়োজন,
হৈ আছা বন্দী তুমি
মোৰ হৃদয় কাৰাগাৰত।

* *

## — পৰিচয় —

শ্ৰীদেৱেনদীপ বৰ্মণ
১ম বাৰ্ষিক, স্নাতক মহলা

জীৱনৰ সোনোৱালী দিনবোৰ
শেষ হ'ল পলকতে
ছন্দহাৰা গতিৰ
প্ৰতিটো খোজত
থাকি গ'ল
পোৱা নোপোৱাৰ
হিচাব অলেখ
এন্ধাৰ আৰু শূন্যতাৰ মাজত
জীৱনৰ এই কঠিন বাট
মই গৈ আছো — মই নাজানো
মই ক'লৈ গৈছো
বোধহয় যাব পৰাটোৱে
এতিয়া মোৰ বাবে জীৱনৰ
শেষ লক্ষ্য।

* *

# মন যায়

মিচ্ নীৰা বায়ন
১ম বাৰ্ষিক, উঃ মাঃ ( কলা )

মন যায় মোৰ—
এটি সৰু বিহঙ্গ হৈ—
গছৰ ডালে পাতে
মুক্তমনে উৰি ফুৰিবলৈ।
মোৰ মন যায়—
এটি সুন্দৰ ফুলহৈ
চৌপাশে সুগন্ধৰ
মেলা পাতিবলৈ।
মন যায় মোৰ—
সমুজ্বল জোনহৈ—
নিশাৰ এন্ধাৰ নেওঁচি
জগতত পোহৰ বিলাবলৈ।
মোৰ মন যায়—
এটি খৰ—স্ৰোতা নিজৰা হৈ
জিৰিৰ জিৰি কৈ বৈ গৈ
মানুহৰ মন মুহিবলৈ।
মন যায় মোৰ—
মানুহৰ মনত সন্ত্ৰাসৰ সৃষ্টি কৰা
বাৰিষাৰ নদীৰ কোবাল সোঁত হৈ
পৃথিবীৰ আৱৰ্জনা ধুই নিবলৈ।
মোৰ মন যায়—
প্ৰলয়ঙ্কাৰী বানহৈ
কুণ্ঠিত মনৰ মানুহবোৰৰ
মনৰ কলুষতা মষিমূৰ কৰিবলৈ।

✯ ✯

# স্বাগত সময়ত

শ্ৰীবঞ্জিত কুমাব বাভা
২য় বাৰ্ষিক, উঃ মাঃ

মই জানিছিলোৱেই তুমি যে এদিন আহিবা
কঠিন সময়ব কদৰ্য ইতিহাস গবকি
তুমিতো জানা কাহানিও বাখিব নোৱাবি ঢাকি
বেলিব বঙা কলিজাব সুগন্ধি সুবাস
বালিব নিসীম খোজত
মই চিব দিনব বাবে লগ পাব পাবো নে তোমাক
তোমালোকব বিশ্বাসে তোমালোকব আদৰ্শই
দেশব স্বাধীনতা, গণতন্ত্ৰ, সমাজতন্ত্ৰব
শলিতাগছি জ্বলাব
উৎকণ্ঠিত বিশ্বব প্ৰান্তবে প্ৰান্তবে
শান্তি সম্প্ৰীতিব হুকে মাত মাতিব
শাশ্বত প্ৰেমব কঠিন সংগ্ৰামে
পোহবাই দিব অন্ধকাবাচ্ছন্ন পথ
তুমিতো জানা — হে প্ৰিয় বন্ধু
সংগ্ৰামব কঠিন দুৱাব খুলিবলৈ গৈ
আমি কতবাব হেৰুৱালো আপোনজনব তেজ
তথাপিও আমি দেখো একো পোৱা নাই
সোণ ববষা বুদ্বুত
হিংসুক চোকা দাঁতব আঁচোব
সিহঁতব নিৰ্লজ্জ আক্ৰমণ
আস্ — বব বিষাদ সেই যন্ত্ৰণা
বন্ধু তুমি আকৌ আহিছা বাধাব প্ৰাচীব ভাঙি
সেউজবুলীয়া বনানিব মাজেদি
মেঘালীব চুলি ফালি
এতিয়া এজাক কপোব আনন্দ কিবিলি।

০০০

# — তুমি —

শ্ৰীগৌৰাঙ্গ চৌধুৰী
১ম বাৰ্ষিক, স্নাতক

তুমি সচাঁকৈয়ে আজন্ম শান্তিৰ পাৰ
অতুলনীয় শক্তি-সাহস-সৌন্দৰ্যৰ
সমাহাৰ তোমাৰ বুকুত।
ক'ত যুগ বগাই আহিছা সভ্যতাৰ জখলা
অতীতত নেওঁচিছা সহস্ৰ শত্ৰুৰ বাধা বাৰে বাৰে
অম্লাণ তোমাৰ উন্মুক্ত পাখি।
এতিয়াও হোৱা নাই শেষ কালৰ আক্ৰমণ
ভিতৰত ভাতৃঘাতী কন্দলৰ কদৰ্য বাঁহ
বাহিৰত আগ্ৰাসী চিকাৰীৰ টুনত এমুঠি বিষাক্ত শৰ
যেন এই আহে তোমাৰ বুকু বিদাৰিবৰ বাবে
জানো ব্যৰ্থ সেই শৰ উৰ্ভতিৰ চিকাৰীৰ ফালে
তুমিযে সুদৰ্শন দৰ্শনৰ নাবিক
তুমিযে শ্বাশ্বত শান্তি-শংখ
হিংসোন্মত্ত পৃথিৱীত।

* * *

# কবি-শিল্পী ৰমেশ্বৰ মৃত্যুত

বসন্ত দত্ত
মুখ্য অধ্যাপক,
অসমীয়া বিভাগ

প্ৰাণ ঢালি মুক্তিৰ গীত গোৱাটো
ইমান দিনে অপৰাধ বুলি গণ্য কৰিছিল
সিহঁত বৰ্ববতাৰ শেষ বিন্দুলৈ আগবাঢ়িছিল
শালীনতাৰ সীমা হেৰুৱাই
অশ্লীল উল্লাসৰ চোকা চুৰিৰে
তোমাৰ বুকুত আঘাত হানিছিল বাৰে বাৰে
অথচ তোমাৰ মুখত নিৰ্বিকাৰ ৰঙচুৱা হাঁহি,
প্ৰত্যয়ৰ সেই একেই প্ৰশান্ত হাঁহি
সনাতন আদিম পুৰাৰ
শপত আছিল হাঁহিবোৰ বিলাই দিয়াৰ
প্ৰতিজন মানুহৰ মৌন মুখত।
সময়ৰ সাঁকিয়নী শুনিছিলা কান পাতি
সেয়ে লিখি গ'লা কোমল কবিতা
অস্তিত্বৰ কঠিন পাতত।
কিমান যে ভাল পাইছিলা জীৱনটোক
মূৰ তুলি জীয়াই থাকিব খুজিছিলা
দুৰ্গম পাকলগা সুন্দৰ পৃথিবীত

তথাপি,—

তথাপি জেঠৰ জুইলগা দুপৰীয়াটো বৰ
সোণকালে আহিল সংগোপন সংগীনৰ দৰে
তুমি অহা বাটেৰে গুচি গ'লা
তোমাৰ প্ৰাণহীন দেহত উপচি পৰিছিল
নিবিচৰা অলেখ ফুলৰ মালা
শান্তিৰ কোলাত শুই আকৌ এবাৰ হাঁহিছিলা
বোধহয় সেই হাঁহি বিদ্ৰূপৰ কৰুণ হাঁহি
সেই হাঁহি নিৰ্বাক স্বাধীন প্ৰত্যুত্তৰ
ঘাতকৰ চাবুকৰ আঘাতৰ
যদিওবা সজ্জন আজি অসহায়
তোমাৰ শপত নহয় ব্যৰ্থ
তুমিযে জুইৰ শিখাৰে অভিষিক্ত
সিদিনা চিতাৰ জুইকুৰা বৰ বঙাকৈ জ্বলিছিল
কলিজাৰ বঙা ঘঙ সানি
এতিয়া সেই জুইৰ উত্তাপ
প্ৰতিবেশী পাষাণ বুকুত। □

# সংগ্ৰহ ঃ

এনে এটা দিন আছিল
যেতিয়া আমাৰ গানত আছিল
প্ৰকৃতিৰ অপৰূপ ৰূপৰ বৰ্ণনা ঃ
ফুল জোন নদী পৰ্বত পাহাৰ
কুঁৱলী আৰু বতাহৰ গান।

কিন্তু এতিয়া সলনি হ'ল দিন কাল সময়ৰ,
এতিয়া আমাৰ কবিতাত মাথো
তীখাৰ তীক্ষ্ণ শব্দ—
আজিৰ কবিয়ে নেতৃত্ব দিব লাগিব
কাইলৈৰ যুদ্ধৰ।

— হো চি মিন
( অনুবাদ—ৰবীন্দ্ৰ চৰকাৰ
অৰুনী চক্ৰবৰ্তী সম্পাদিত ' হোচিমিনৰ
কবিতা'ৰ পৰা )

আংগিক আৰু বিষয়বস্তুত ' গণতান্ত্ৰিকতা'ক মনে প্ৰাণে বিশ্বাস কৰা দক্ষিণ আমেৰিকাৰ চিলিৰ কবি পাব্ল' নেৰুদাৰ কবিতা ঃ

প্ৰতিদিনেই মই কিবা এটা শিকোঁ,
চুলি আচোঁৰোতে প্ৰতিদিনেই
তোমালোকে যি ভাবা ময়ো ভাবোঁ
মই খোজ কাঢ়োঁ
তোমালোকে যেনেকৈ খোজ কাঢ়া
আহাৰ খাওঁ তোমালোকে যেনেকৈ খোৱা
দুহাতেৰে সাৱটি লওঁ মোৰ চেনেহীক
তোমালোকে যেনেকৈ লোৱা তোমালোকৰ চেনেহীক

আৰু তাৰ পিচত
সকলো জনা হৈ গ'লে
ইজন সিজনৰ সমান হৈ গ'লে
মই লেখোঁ, তোমালোকৰ আৰু
মোৰ জীৱনেৰে।

* * *

আন কিতাপৰ কয়দী হবলৈ মই নেলেখোঁ
নাইবা লিলিৰ দৰদীহঁতৰ কয়দী হবলৈ
মই লেখোঁ আন দহজন যাত্ৰীৰ বাবে
যাৰ প্ৰয়োজন জোনাক আৰু পানীৰ,
সংহতিৰ অবিনশ্বৰ বেদীৰ—
ৰুটি, মদ, স্কুলঘৰ, গিটাৰ আৰু হাতীয়াৰৰ।

( উদ্ধৃত কবিতাৰ পংক্তি ডঃ হীৰেন গোহাঁইৰ " সাহিত্য আৰু চেতনা'ৰ পৰা )

গল্প

# —পৰেশ ৰায়ক লগ পাইছিলো—

দুটা এটা ঘটনাই জীৱনত কেতিয়াবা এনে একোটা সাঁচ পেলাই থৈ যায় যে তাক ব্যক্ত নকৰা পৰ্যন্ত শান্তি পোৱা সম্ভৱ নহয়। মোৰ জীৱনতো ঘটা তেনে এটা ঘটনাৰে বৰ্ণনা এটা গল্পৰ উদ্দেশ্য।

ঘটনাৰ পটভূমি ৰচিত হৈছিল ডাউকীত। ভাৰত বাংলাদেশ সীমান্তৱৰ্ত্তী গাওঁ ডাউকীত। এই ডাউকীতে কেই বছৰমান আগতে বিশেষ চৰকাৰী কাম এটাৰ দায়িত্বলৈ কিছুদিন থাকিব লগাত পৰিছিলোঁ। আৰু স্বাভাৱিকতে সেই কেইটা দিনৰ ভিতৰত সেই ঠাইৰ প্ৰখ্যাত অখ্যাত বহু লোকৰ লগত মোৰ চিনাকী হৈছিল। চিনাকী হৈছিল তেওঁলোকৰ জীৱনৰ সৰু বৰ বহু ঘটনাৰ লগত। কিন্তু বহুজনৰ বহু ঘটনা পানীৰ বুদবুদৰ দৰে সময়ত মাৰ গৈ বিস্মৃতিৰ গৰ্ভত লীন হৈ গলেও দুটা এটা ঘটনা মনৰ নিজৰাৰ তলিত অম্লান হৈ থাকি গ'ল। তেনে এটা ঘটনা ঘটিছিল পৰেশক কেন্দ্ৰ কৰি।

পৰেশ মানে পৰেশ ৰায়। তাত থাকিবলৈ লোৱাৰ কেইটামান দিনৰ ভিতৰতে মই অনুমান কৰিছিলো যে পৰেশক নিচিনা মানুহ ঠাইখনত বৰ কম। কাৰোবাৰ নলা নৰ্দমা চাফ্ কৰিব লগীয়া হলে, কাৰোবাৰ খৰি দুডাল ফালি দিবলগীয়া হলে অথবা কাৰোবাৰ বোজা কঢ়িয়াব লগা থাকিলে সাধাৰণতে সকলোৱে পৰেশলৈ মনত পৰে। সকলোৱে বিচাৰ কৰে পৰেশক। ঠিক তেনেকুৱা কাৰণতে ময়ো চিনি পাইছিলোঁ পৰেশক।

সেইদিনা আছিল বজাৰ দিন। বজাৰত খৰি এভাৰ কিনি মই পৰেশৰ হাতত নগদ দুটকা দি খৰিভাৰ মোৰ বাসস্থানলৈ পঠাই দিছিলোঁ।


সুশীল কুমাৰ চৌধুৰী
১ম বাৰ্ষিক, উঃ মাঃ শ্ৰেণী


কিন্তু বাসস্থানলৈ ঘূৰি আহি যেতিয়া বাৰান্দাত খৰিৰ বোজাটো দেখা নাপালো তেতিয়া নিজৰ মূৰ্খামিত নিজে লজ্জিত হলোঁ। কিয়নো মোৰ জনা উচিত আছিল যে পৰেশক যদি কাম কৰাৰ আগতে পইচা দিয়া হয় সি আগতে মদৰ দোকানলৈ যায়—পিচতহে কাম কৰে আৰু ভাগ্যচক্ৰে যদি সি মদৰ দোকানত তাৰ মনোমিলা পাৰ্টনাৰ দুই এজন লগ পায় তেতিয়া হলে কাম কেতিয়া হয় তাক স্বয়ং ব্ৰহ্মায়ো কব নোৱাৰে।

সেইদিনা সম্ভৱ পৰেশৰ হাতত দুই চাৰি টকা বেছিকৈ পৰিছিল। গতিকে স্বাভাৱিকতে তাৰ মদৰ শ্ৰাদ্ধও বেছি হৈছিল। সেয়ে হবপায় আবেলি চাৰিটা

মান বজাত পৰেশ যেতিয়া মোৰ বাসস্থান পাইছিলাহি তেতিয়া তাৰ খোজ আছিল থবক ববক, চকু জয়া ফুলৰ দৰে । কোনো ৰকমে সি খাবৰ বোজাটো বাৰান্দাত নমাই মোৰ ওচৰলৈ আহি খুটা এটাত আউজি থিয় হৈ ছিল । মোৰ পেটে-পেটে খং উঠি আছিল কাৰণে তাক বহিবলৈ নকলো । তাৰোপৰি বহিবলৈ ক'লেই আবোল-তাবোল কিবা-কিবি কৈ সময় নষ্ট কৰিব । সি সেইখিনি সময়ত গুচি যোৱাটোকে মই মনে-প্ৰাণে কামনা কৰিছিলোঁ । কিন্তু পৰেশ গুছি যোৱাৰ কোনো লক্ষণে দেখা পোৱা নাছিলোঁ । সি মাটিতে লেপেটা খাই বহি পৰিছিল । মই তাৰপিনে মূঢ়া এটা আগ-বঢ়াই দিলোঁ । কিন্তু সেই পিনে সি ভ্ৰূক্ষেপেই কৰা নাছিল । কিছুসময়ৰ নিৰৱতাৰ পিচত সি কৈ উঠিছিল— বাবু ল'ৰাটো কিজানি লঘোনে আছে । যদি দুটা টকা দিয়ে কাইলৈ আপোনাৰ নলাটো চাফা কৰি দিলোঁ-হেতেন ।' মই প্ৰথমে তাৰ কথাখিনি শুনিও নুশুনাৰ ভাও ধৰিলোঁ । অলপ সময়ৰ পিচত কিন্তু মোৰ তাৰ প্ৰতি সহানুভূতি জন্মিল । পকেটৰ পৰা পাচঁ টকীয়া নোট এখন উলিয়াই তাৰ হাতত দি কলোঁ—' লোৱা, এই পাচঁ টকা দি খ'তে পাৰা মদৰ শ্ৰাদ্ধ কৰাগৈ ।' আনদিনা হোৱা হলে পৰেশে ঢেক-ঢেকাই হাঁহি এটা মৰাৰ লগতে চালাম এটা দি আতৰি গ'লহেতেন । কিন্তু সেইদিনা সেইখিনি কৰাৰ সলনি সি আগৰ নিচিনাকৈয়ে বহি থাকিল—যেন সি কিবা কবলৈহে বৈ আছে যেন তাৰ ভিতৰত কব লগা বহু কথা আছে অথচ কি ক'ব কি নক'ব ভাবি সি থিক কৰিব পৰা নাই ।

কিছু সময় নীৰৱে পাৰ হৈ গৈছিল । তাৰ পৰা কথা উলিয়াম বুলি ময়ে নীৰৱতা ভঙ্গ কৰিলোঁ — 'পৰেশ, তোমাৰ চেহেৰা-পাতিলৈ চাই তোমাক ভদ্ৰ ঘৰৰ মানুহ বুলিয়ে অনুমান হয় । অথচ ... .........'

মনক এক সাংঘাতিক প্ৰতিক্ৰিয়া হলে মানুহৰ মুখত যি অভিব্যক্তি ফুটি উঠে ঠিক তেনে এক অভিব্যক্তি তাৰ সমস্ত মুখ-মণ্ডলত খন্তেকৰ বাবে ফুটি উঠিছিল । বুজাত মোৰ অসুবিধা হোৱা নাছিল যে মোৰ কথা-খিনিয়ে তাৰ মনত সেই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে ।

পৰেশৰ মুখৰ সেই ভাৱান্তৰ, কিন্তু কেই মুহূৰ্তমানৰ পিচত আঁতৰি গৈছিল । সি আকৌ আগৰ দৰেই সহজ হৈ পৰিছিল । সি বহাতে এবাৰ গাটো লৰ-চৰ কৰি লৈছিল । বুজি পাইছিলোঁ সি কিবা কবৰ প্ৰস্তুতি চলাইছে । আৰু সঁচাকৈয়ে খন্তেক পিচত মাতত যথেষ্ট হতাশ আৰু কাৰুণ্য সানি সি কৈ দিছিল— 'সকলো অদৃষ্টৰ পৰিহাস, চৌধুৰী বাবু ! নহলে ৰায় মহাজনৰ ল'ৰা আজি কুকুৰ মেকুৰীৰ দৰে জীয়াই থাকিব নালাগে ।

তাৰ কথাখিনিয়ে মোৰ মনত এক তীব্ৰ আলো-ড়নৰ সৃষ্টি কৰিছিল । কৌতুহল দমাব নোৱাৰি বৰ ব্যগ্ৰতাৰে তাক সুধি পেলালোঁ । 'কোন ৰায় মহাজন ?'

'কিশোৰ গঞ্জৰ......... ৰায় মহাজন' — মাতত এক গাম্ভীৰ্য লৈ সি প্ৰত্যুত্তৰ দিলে ।

বুকুত তেতিয়া মোৰ শ্বাসৰুদ্ধ হোৱা উত্তেজনা । তথাপি যিমান দূৰ পাৰি স্বাভাৱিক হোৱাৰ চেষ্টা কৰি তাক পুনৰ সুধিলোঁ — 'তোমাৰ দেউতাৰ নামটো কি আছিল বাবু ?'

'দুলাল ৰায় । সেই অঞ্চলৰ মানুহে অৱশ্যে ৰায় মহা-জন বুলিহে মাতিছিল ।'

মোৰ তেতিয়া নিজৰ কাণকে বিশ্বাস কৰিব নোৱাৰা অৱস্থা । বিস্ময় আৰু বেজাৰৰ মিশ্ৰিত প্ৰতি-ক্ৰিয়াত মই প্ৰায় চিঞৰি উঠাৰ নিচিনাকে সুধিছিলোঁ— 'কিন্তু তোমাৰ—আপোনাৰ এই অৱস্থা ... ... '

একে সহজ শান্ত উদাস মাতেৰে মোৰ সন্মুখৰ পৰেশ নামৰ প্ৰায় চল্লিশ বছৰ বয়সীয়া মানুহজনে কৈ গৈছিল— 'অধৈৰ্য নহব, চৌধুৰী বাবু । সকলো কথা আপোনাক ক'ম বুলিয়ে আজি বহিছোঁ ।'

দুচকুত উদাস দৃষ্টি লৈ দুটামান নীৰৱ মুহূৰ্ত পৰেশে সন্মুখৰ ৰাস্তাটোৰ ফালে চাই আছিল । তাৰ পিচত আৰম্ভ কৰিছিল— '......... তেতিয়া মোৰ বয়স আঠ বছৰ । গাওঁৰ মানুহৰ মুখে মুখে এটাই কথা—

দেশ স্বাধীন হব। এইখন পাকিস্থান হব। আৰু তাৰ লগে লগে আৰম্ভ হৈছিল শোভাযাত্ৰা, হৰতাল, কাবা-বৰণ, আইন অমান্য ইত্যাদি ইত্যাদি। আৰম্ভ হৈছিল অত্যাচাৰ। নিদাৰুণ উৎপীড়ন। দৈনিক খবৰ পাওঁ আজি অমুকক কাটিলে, কালি অমুকীৰ ইজ্জত লুটিলে, আজি ইখন গাওঁ জ্বলালে, কালি সিখন গাওঁ জ্বলালে ইত্যাদি ইত্যাদি। তাৰ পিচত অতি সোনকালে এনে এটা দিন আহিল যিদিনা আমাৰ গাওঁতো জুই দিয়া হ'ল। সেই সময়ত মই ঘৰৰ পৰা কিছু দূৰৈত সমনীয়া কেইজন মানৰ সৈতে দুজনমান বয়সস্থ মানুহৰ পৰা দেশৰ পৰিস্থিতিৰ কথা শুনি আছিলোঁ। মানুহৰ কোলাহল আৰু ক্ৰন্দন ধ্বনিত মোৰ অন্তৰাত্মা কঁপি উঠিল। প্ৰাণ-পণে ঘৰলৈ দৌৰিবলৈ ধৰিলোঁ। কিন্তু কিছু দূৰ অহাৰ পিচতে দেখিলোঁ আমাৰ ঘৰবোৰৰ ওপৰত জুইৰ তাণ্ডৱ নৃত্য চলিছে আৰু গাওঁৰ মানুহ-বোৰে ভয়ত চিঞৰ-বাখৰ কৰি প্ৰাণৰ মায়াত যেনি-তেনি দৌৰিছে। হঠাতে কিছুদূৰত থকা ৰেলষ্টেচনত ৰেলগাড়ীৰ চিঞৰ শুনি মোৰ মগজুত বিদ্যুত খেলি গ'ল। প্ৰাণ-পণে ৰেলষ্টেচনলৈ দৌৰিলোঁ। টেইন খনে ষ্টেচন এৰিছিলেই। দৌৰি গৈ কোনোমতে ডবা এটাত জাপ মাৰি উঠিলোঁ।

টেইনত উঠি লোৱাৰ পিচত মোৰ মা-দেউতালৈ মনত পৰিল। মনত পৰিল সৰু ভনী দিপালীলৈ। মই হুক-হুকাই কান্দিব ধৰিলোঁ। তেতিয়া আৰু নামি যোৱাৰ উপায় নাছিল। টেইন পূৰ্ণ গতিত চলিবলৈ লৈছিল। ওচৰতে এজন মোল্লা আছিল। তেওঁ মই ক'ৰ পৰা আহিছোঁ, কিয় কান্দিছোঁ, সুধিবলৈ ধৰিলে। মই তেওঁক সকলো কথা বিৱৰি ক'লোঁ। তেও শান্তনা দি ক'লে যে তেনেকৈ কান্দিলে মোৰ প্ৰাণৰ সংশয় আছে, কিয়নো কিছুমান দুৰ্বৃত্ত সেইখন গাড়ীতে উঠিছে। মই তেতিয়া ওচৰৰ মানুহ বোৰলৈ লক্ষ্য কৰিলোঁ। আমাৰ কামবাটোত হিন্দু আৰু মুছলমান উভয় সম্প্ৰদায়ৰ মানুহ আছিল যদিও মোল্লাজনে কোৱা ধৰণৰ কোনো দুৰ্বৃত্ত মোৰ চকুত নপৰিল।

কিছু সময় পিচত আমাৰ গাড়ীখন এখন দলঙৰ ওপৰত আহি ৰৈ গ'ল। লগে লগে মই কিবা বুজি উঠাৰ আগতে মানুহজনে মোক তেওঁৰ লুঙ্গীৰ তলত সুমুৱাই ললে। মই ভয়ত কঁপিব ধৰিলোঁ। এটা হুল-স্থূলীয়া পৰিবেশৰ সৃষ্টি হ'ল। আমাৰ কোঠালৈ কেইজনমান মানুহ সোমাই আহিল। আৰু তাৰ খন্তেক পিচতে শুনিবলৈ পালো মানুহৰ উঃ আঃ নিদাৰুণ আৰ্ত্তনাদ আৰু নদীৰ বুকুত কিবা পেলোৱাৰ দুপ্ দুপ্ শব্দ।

কিছু সময় পিচত আকৌ যেতিয়া টেইনখন চলিল তেতিয়া মোল্লাজনে মোক তেওঁৰ লুঙ্গীৰ তলৰ পৰা উলিয়াই দিলে। কিন্তু কি বিভৎস সেই দৃশ্য! টেইনৰ মজিয়া তেজেৰে বন্তান্ত হৈ আছে। এটা সময়ত মই মানুহজনৰ কোলাতে টোপনিয়াব ধৰিলো। যেতিয়া টোপনিৰ পৰা তেওঁ মোক জগাই দিলে দেখিলো ৰেলখন থামিছে। মানুহজনে মোক ক'লে, 'সোঁৱা পথাৰৰ সিপিনে যে নতুন ঘৰ আৰু মানুহ বিলাক দেখিছা সেয়া ইওঁৱাৰ কেম্প, সোনকালে তালৈ গুচি যোৱা।' লগে লগে মই দৌৰি সেই কেম্পলৈ আহিলো। কেম্পত থাকিবলৈ লৈ মা-দেউতাৰ খবৰ লবলৈ ধৰিলো। কিন্তু তেতিয়াতো নাপালোৱেই, আজিলৈয়ো তেওঁলোকৰ খবৰ নাপালোঁ। সি যিকি নহওক, কিছুদিন পিচত মই যে জীয়াই থাকিব লাগিব সেই কথাৰ চেতনা মোৰ অন্তৰত জন্মিল। পেটৰ তাড়-নাত কল্পনা কৰিব নোৱাৰা বহু কদৰ্যময় কামেই কৰিবলৈ অভ্যস্ত হৈ পৰিলোঁ। অৱশেষত এদিন এজনী খাছীয়ানী বিয়া কৰাই তাইৰ নামতে দোকান এখন খুলিলো; কিন্তু তায়ো যে অৱশেষত এদিন বিশ্বাস ঘাতকতা কৰিব ভাবিবই পৰা নাছিলোঁ ... ... ... ...।'

ইতিমধ্যে পৰেশৰ পাঁচ বছৰীয়া ল'ৰা টনী আহি তাৰ কোলাত বহি লৈছিল। ল'ৰাটোৰ ফালে আঙুলিয়াই ক'লে—'ইয়ে মোৰ সংসাৰৰ একমাত্ৰ অৱ-লম্বণ, চৌধুৰী বাবু। কেতিয়াবা অৱশ্যে ইয়াক হাৰমাল যেনো লাগে। ইয়ো মাকজনীৰ লগত গুচি যোৱা হ'লেই হয়তো ভাল হ'লহেঁতেন ... ... ... ... ... ...।'

ইতিমধ্যে ল'ৰাটোৱে ভঙা ভঙা অসমীয়াত 'ভোক লাগিছে দেতা, ভোক লাগিছে দেতা,—বুলি ঘেন ঘেনাব ধৰিলে। পৰেশৰ কিন্তু ল'ৰাটোৰ ফালে কোনো ভ্ৰূক্ষেপ নাছিল। সম্পূৰ্ণ এক উদাস দৃষ্টিৰে সি সন্মুখৰ ৰাস্তাটোৰ ফালে চাই আছিল। তাৰফালে চাই মই এটা কথাই ভাবিছিলোঁ—কেতিয়াবা বাস্তৱে ঔপন্যাসিকৰ কল্পনাকো চেৰ পেলাই যায়। এই মোৰ সন্মুখত বহি থকা পৰেশ নামৰ মানুহজন— তাৰ ইতিহাস নাজানিলে কোনেনো কল্পনা কৰিব পাৰিব যে সিয়ে তাহানিৰ কিশোৰ গঞ্জৰ দুলাল ৰায়ৰ চকুৰ মণি সদৃশ একমাত্ৰ পুত্ৰ-সন্তান। যিজন দুলাল ৰায়ৰ প্ৰতিপত্তিক সমীহ কৰি তাহানি মানুহে স-সন্মানে ৰাস্তা এৰি দিছিল, যাৰ চকুৰ ফালে চকু তুলি মানুহে সাধাৰণতে কথা নাপাতিছিল সেইজন মানুহৰ ল'ৰাই আজি মানুহৰ ঘৰে ঘৰে নলা-নৰ্দমা চাফ্ কৰে, মুতিয়াৰ হৈ বস্তু কাঢ়িয়ায়............। ভাগ্যৰ কি পৰিহাস!

পৰেশে তাৰ জীৱনৰ অলিখিত ইতিহাসৰ পাত কেইখিলা মোৰ সন্মুখত মেলি ধৰি মোক এনে এক অকল্পনীয় অৱস্থাৰ সমুখা-সমুখি কৰি দিছিল যে সেই অৱস্থাত কেইটামান মুহূৰ্তলৈ মই শক্তি আৰু ভাষাৰ অভাৱ বাবুকৈয়ে অনুভৱ কৰিছিলোঁ। মই ভাবি পোৱা নাছিলো যে তাৰ সন্মুখত ইমান দিনে সম্পূৰ্ণ অনাত্মীয় আৰু বেলেগ শ্ৰেণীৰ মানুহ এজনৰ পৰিচয় বহন কৰি থকা মই মানুহজনে কেনেকৈ তাক ক'ম যে ভাবতলৈ ভাগি অহাৰ পিচত পুত্ৰ শোকত মৃতপ্ৰায় হোৱা দুলাল ৰায়ৰ শেষ অনুৰোধক্ৰমে তেওঁৰ কন্যা দীপালীৰ পাণি ময়ে গ্ৰহণ কৰিছিলোঁ—কেনেকৈ তাক ক'ম যে দীপালীয়ে এতিয়াও তাৰ কথা মনত পেলাই বহুতো বিনিদ্ৰ ৰজনী পাৰ কৰি দিয়ে ... ... ... ...।

এইবাৰ মই বহাৰ পৰা মোৰ অজানিতে ঘপহকৈ উঠি পৰিছিলোঁ আৰু পৰেশক দুয়ো হাতেৰে সাৱটি ধৰিব কৈ উঠিছিলো যে তাৰ মৰমৰ ভন্টী দীপালী জীয়াই আছে আৰু ময়ে তাৰ ভগ্নীপতি।

বিস্ময়ত, আনন্দত, হয়তো বেজাৰতো পৰেশ হতবাক হৈ গৈছিল। কিবা কোৱাৰ সলনি তাৰ দুচকুৰে নিগৰি পৰিছিল কেইটোপালমান চকুলো। প্ৰসঙ্গটো সলনি কৰিবলৈ ময়ে কৈ উঠিলোঁ—'চাওক দাদা, এতিয়াতো আপুনি অকলশৰীয়া নহয়। আপোনাৰ মা-দেউতা ঢুকাল। কিন্তু আপোনাৰ মৰমৰ ভন্টী দীপালীতো আছে। ময়োতো আছোঁ। আৰু আছে আপোনাৰ মৰমৰ ভাগিনহঁত। সিহঁতে সদায় মাকৰ মুখত আপোনাৰ কথা শুনি শুনি নেদেখাকৈয়ে আপোনাৰ লগত আত্মীয়তা গঢ়ি লৈছে। গতিকে আপুনি ইয়াত আৰু এনেকৈ থাকিব নোৱাৰে। যোৱা কালি মোৰো ইয়াত কাম শেষ হ'ল। গতিকে অহা কাইলৈকে টনীক লৈ আপুনি মোৰ লগতে গুৱাহাটীলৈ ওলাওক। বেচেৰী দীপালীজনীয়ে আপোনাক দেখিলে যে কি আনন্দ পাব ... ... ... — ... ... ...।'

মোৰ কথাখিনি শুনি পৰেশে একো মতা নাছিল। আবেলিৰ ধূসৰতাৰ মাজেৰে এক কোমলতা সনা দৃষ্টিৰে সি মাথো মোৰ ফালে চাই আছিল। মই ধৰি লৈছিলোঁ সি সুখী হৈছে—চব হেৰুৱাৰ পিছত জীয়াই থকাৰ কিবা এটা প্ৰেৰণা পাইছে—দীপালীক চাবলৈ তাৰ অন্তৰত এক উদগ্ৰ বাসনাৰ জন্ম হৈছে ... ... ...।

ইতিমধ্যে টনী ভোকত চট্-ফটাব ধৰাত মই উঠি গৈ ভিতৰৰ পৰা কল কেইটামান আৰু বিস্কুট দুই পেকেট আনি টনীৰ হাতত দিলোঁ। বস্তুখিনি লৈ টনীয়ে এবাৰ মোৰ এবাৰ দেউতাকৰ ফালে চালে। পৰেশৰ সম্ভৱ তেতিয়াহে খেয়াল হ'ল যে টনীয়ে কেবা ঘণ্টা একো খোৱা নাই। সি তৎক্ষণাৎ কল এটাৰ বাকলি গুচাই টনীক খাবলৈ দিলে। তাৰ পিচত ঘপহকৈ থিয়হৈ মোৰ ফালে চাই হঁহা যেন কৰি টনীক এহাতেৰে ধৰি লাহে লাহে ওলাই গ'ল। বাট-চ'ৰালৈ আগবাঢ়ি গৈ মই পুনৰ পিচদিনা ৰাতিপুৱা টনীক লৈ মোৰ তালৈ আহিবলৈ পৰেশক কৈ পঠালোঁ।

পিচদিনা ৰাতিপুৱা কিন্তু পৰেশ নাহিল। আহিল টনী। তাৰ হাতত এখন চিঠি। দোৱা দোৱিকৈ খুলি চাই পঢ়িলোঁ।

মৰমৰ সুধীন,

ইহজনমত আৰু এই কালিমাদগ্ধ থ আপোন-জনক দেখুৱাৰ সাহস মোৰ নাই। তুমি এই চিঠিখন পোৱাৰ আগতে মই এনে ঠাইত আত্মগোপন কৰিম যে গোটেইখন গাওঁ বিচাৰি চলাথ কৰিলেও তুমি মোক উলিয়াব নোৱাৰিবা। গতিকে মোক বিচৰাৰ বৃথা চেষ্টা নকৰিবা। দীপালীক পাৰিলে মই জীয়াই থকাৰ কথা নকবাই। টনীক কিন্তু গতাই দিবা মোৰ সন্তানৰ পৰিচয়েৰে। সি যাতে মানুহ হয় তোমালোক দুয়ো চাবা। ভাগিনহঁতক দিবলৈ মোৰ একোৱেই নাই। ঈশ্বৰৰ আশীৰ্বাদ সিহঁতৰ সহায় হওক। ইতি—

তোমাৰ দুৰ্ভগীয়া দাদা—।

" পৰেশ "

চিঠিখন পঢ়ি উঠি মই হাতৰ ঘড়ীটোলৈ চালোঁ। সাত বাজি ত্ৰিশ মিনিট গৈছে। ট্ৰেইন সাতটা পঞ্চাশত। টনীক এহাতেৰে ধৰি মই কোৱাৰ্টাৰকৈ ষ্টেচনৰ ফালে আগবাঢ়ি গলোঁ। টনীৰ ফালে এবাৰ চোৰাত দেখিলোঁ তাৰ চকু মুখত ভয় আৰু কৌতুহলৰ মিশ্ৰিত চাৱনি। দেউতাক ষ্টেচনত তাৰ বাবে বৈ থাকিব বুলি কোৱাত সি সহজ হৈ মোৰ লগে লগে খোজ দিবলৈ ধৰিলে। মোৰ বুকুৰ কোনোবা খিনি তেতিয়া বিষাই উঠিছিল এই ভাবত যে টনীয়ে হয়তো তাৰ দেউতাকক ইহজনমত কাহানিও লগ নাপাবও পাৰে।

o o o o

'গল্পত ফৰ্মৰ গুৰুত্ব যে বেছি তাক নকলেও চলে। কিন্তু গল্পৰ ফৰ্ম কথা বস্তুৰ চাক্ষুষ ৰূপহে। চিত্ৰ কলাৰ দৰে এই ৰূপ নিৰ্বাক নহয়। ই বাণীসৰ্বস্ব; শব্দধ্বনিৰ মাধ্যমেৰে প্ৰকাশিত ভাব ইয়াৰ উপজীব্য। গতিকে ইয়াক কথাবস্তুৰ পৰা পৃথক কৰি চিন্তা কৰিব নোৱাৰি। বস্তু আৰু ফৰ্মৰ মাধুৰ্য্যৰ সম্বন্ধ অবিচ্ছেদ্য। ৰমণীয় কৰ্মৰ খোলাৰ মাজত কুৎসিৎ বস্তুৰ প্ৰবেশে ফৰ্ম উপভোগ্য কৰি নোতোলে। বস্তুৰ একক প্ৰভাৱলৈ লক্ষ্য ৰাখি ৰমণীয় ৰূপত তাৰ উপস্থাপনৰ কৌশলত পোৱা যায় ফৰ্মৰ সাৰ্থকতা। গতিকে কৃতী গল্প লেখক হয় বস্তু আৰু ফৰ্ম দুয়োৰে প্ৰতি সমানভাৱে সজাগ। নতুন লেখক সকলৰ কিছুমানৰ বিপক্ষে সমালোচকে তোলা তাৱল্যৰ অভিযোগ কিছু পৰিমাণে সচা হলেও বৈচিত্ৰতাৰ ফালৰ পৰা এনেবোৰ সৃষ্টিৰ দাম নোহোৱা নহয়। সমাজৰ বিবৰ্তনৰ লগে লগে নতুন নতুন দিশ আৰু সমস্যাৰ ওপৰত লেখকৰ নজৰ পৰে। গল্পৰ যোগেদি এনে দিশৰ ৰূপায়ণ কেতিয়াবা আকৰ্ষণীয় হৈ নুঠিলেও সি বৰ্জনীয় নহয়।'

—শ্ৰীত্ৰৈলোক্যনাথ গোস্বামী

# ঃ চান্দাৰ প্ৰসংগত ঃ

শ্ৰীবিৰিঞ্চি কুমাৰ ৰাভা
২য় বাৰ্ষিক, স্নাতক মহলা

ৰমজান আলিয়ে তাৰ মুখত ঘোচাটো পৰাৰ লগে লগেই বহাৰ পৰা পোনছাটে উঠি মানুহৰ ভিৰ ফালি ঘৰৰ ফালে প্ৰাণটাকি দৌৰিছিল । নাই, সি কোনোমতে নিজক বচাব নোৱাৰিলে । সি ল'ৰাজাকৰ পৰা হাত সাৰি যাব নোৱাৰিলে । ল'ৰাজাকে তাক ধৰি গৰুপিতন দিলে । তাৰ নাকে-মুখে তেজ ওলাল । তাৰ মলিয়ন গেঞ্জীটো সিহঁতে ফালি পেলালে । দৌৰি আহোতে টায়াৰৰ চেন্দেলযোৰো ক'ৰবাত পৰি থাকিল । গোটেই গাতে সি বিষ অনুভৱ কৰিলে । চান্দাৰ বাবে ৰমজানে ইয়াৰ আগতেও দুই এবাৰ অপ্ৰিয় পৰিস্থিতিৰ সন্মুখীন হব লগীয়া হৈছিল ; কিন্তু আজিৰ দৰে নহয় । চান্দাৰ নামত এনে দুৰ্দশা তাৰ কেতিয়াও হোৱা নাছিল ।

আজি ৰমজানহঁতৰ স্থানীয় বজাৰৰ দিন । ৰমজানে আন দিনৰ বজাৰৰ দৰে আজিও তাৰ তামোল-পাণৰ সৰু দোকানখন আগে-পাছে মেলা ঠাইতে মেলি লৈছিলহি মাত্ৰ । এনেতে এজাক ল'ৰাই ক্লাবঘৰৰ বাবে চান্দা বিচাৰি তাৰ কাষ পালে । সিহঁতে আহিয়েই কথানাই বতৰানাই চান্দাৰ নামত ৰমজানৰ পৰা টকা বিশটা দাবী কৰিলে । সিহঁতৰ কথাত ৰমজান আচৰিত হ'ল । তাৰ হাতত এতিয়া টকা এটাই নাই, লাগ-বুলিয়েই ফত্‌কৈ কৰপৰা সি টকা বিশটা দিয়ে । তাৰ হাতত এতিয়া মাত্ৰ সত্তৰ পইচাহে আছে । এটা পঞ্চাশ পইচা আৰু দুটা দহ পইচা । পঞ্চাশ পইচা-টোকে ৰমজানে ল'ৰাজাকৰ ফালে তাৰ আগ হাতেৰে আগবঢ়াই দিলে । ল'ৰাজাকৰ এজনে পইচাটি ৰমজানৰ হাতৰ পৰা লৈয়ে ৰমজানৰ মুখতে দলি মাৰি দিলে । ল'ৰাজাকৰ কাণ্ড দেখি ৰমজান আৰু আচৰিত হ'ল । বেচেৰাই সিহঁতৰ ফালে ভেৰা লাগি চাই থাকিল । সিহঁতক পঞ্চাশ পইচা নালাগে, নলয় । সিহঁতক বিশ টকা লাগে, লাগিবই । এয়া যেন সিহঁতৰ চিৰন্তন দাবী । ইতিমধ্যে ল'ৰাজাকে ৰমজানক ঘেৰি ধৰিলে । ল'ৰাজাকৰ দুই এজনে তাৰ মুখৰ ওচৰলৈ ঘোচাও ডাঙিলে । কথাটো বিষম দেখি ৰমজানে হাতযোৰ কৰি ল'ৰাজাকক বিশটকা দিব নোৱাৰা কথাটো বুজাই ক'লে । নাই সিহঁতে তাৰ কথা নুশুনে, নামানে । সিহঁত অলৰ-অচৰ । ৰমজানে এইবাৰ আৰু বিপদত পৰিলে । ইমান খিনি কাকুতি-মিনতি কৰা সত্ত্বেও ল'ৰাজাকে তাৰ কথা নুশুনাত তাৰ খঙে মূৰৰ চুলি পালেগৈ যদিও বাহিৰত সি প্ৰকাশ নকৰিলে । অনাহক কোনো কাজিয়া পেচালতে সোমোৱাৰ ইচ্ছা তাৰ নাই । তাতে আজি ৰাতিপুৱাৰ পৰাই তাৰ মনটো বেয়া লাগি আছিল । যোৱা কেবাদিনৰ পৰা নৰিয়াত পৰি থকা ঘৈণীয়েকৰ যোৱা ৰাতিৰ পৰা যোৱা-থোৱা অৱস্থা । হাতত নাই টকা পইচা । ইফালে ভাতৰ চৰুও উদং । এই কেইদিন এই ঘৰুৱা বেমেজালিৰ বাবে সি বজাৰে বজাৰে ঘূৰিবও পৰা নাই । টকা পাব ক'ৰ পৰা ! ইমানখিনি বিপদৰ মাজতো, বিশেষকৈ ঘৈণীয়েকৰ যোৱা-থোৱা অৱস্থাতো ৰমজানে যে আজি বজাৰলৈ আহিছে কেৱল দুই পইচা অৰ্জনৰ অপৰিহাৰ্য প্ৰয়োজনতহে । এতিয়াও তাৰ আশা—ঘৈণীয়েকৰ চিকিৎসাৰ বাবে দুই এ পইচা গোটাব পাৰিলে জানোচা ঘৈণীয়েকক বচাব পৰা যায়েই । এই ঘৰুৱা কথাবোৰ চিন্তা কৰি থাকোতে আচলতে তাৰ মূৰটো গৰম হৈ আছিল । এনেতে চান্দা বিচাৰি অহা ল'ৰাজাকক সন্মুখত দেখিয়েই তাৰ মূৰটো আৰু অধিক গৰম হৈ উঠিল ঃ কেৱল চান্দা, চান্দা, চান্দা । আজি বোলে এইটো উছৱৰ চান্দা । কালি বোলে সেইটো পৰৱৰ চান্দা । কিমান চান্দা দিব !

বজাবে বজাবে চান্দা দি দি তাব বেজাৰ লাগিছে। পণ্ডাছ পইচা, এটকা-দুইকাব সিহঁতে নাম্ন গোন্ধেই নলয়। সিহঁতক লাগে বিশ টকাৰ পৰা এশ টকালৈ। অলপ পইচা দিলেও সিহঁতে দিগদাব কৰে। একেবাবে নিদিলেও মহাবিপদ ; তেতিয়া সিহঁতে মাৰ-পিটো কৰে। হকে বিহকে চান্দা বিচাৰি অহা ল'ৰাৰ প্ৰতি ৰমজানৰ এটি সহজাত ঘৃণাৰ ভাব আছে যদিও আৰু সেইবাবে এনেকুৱা ক্ষেত্ৰত কদা-কদাচিত তাব ব্যৱহাৰত সামান্য বৃঢ়তা প্ৰকাশ পালেও আজিৰ কথাটো কিন্তু সম্পূৰ্ণ বেলেগ ধৰণৰ আছিল। ৰমজানে ল'ৰাজাকক খং কৰাটো দূৰৰ কথা বৰং যথেষ্ট নম্ৰভাৱে তাৰ অৱস্থাটো বুজাবৰ চেষ্টা কৰিছিল। কিন্তু সিহঁত আঁকোৰগোজ। তাব অৱস্থাটো বুজাৰ সলনি যুদ্ধংদেহি মনোভাবেৰে সিহঁতে অবাইচ ভাষাত গালি-গালাজ আৰম্ভ কৰি দিলে। সহ্যৰ সীমা পাৰ হৈ যোৱাত সিও ল'ৰাজাকক দুই এটা টান কথা শুনালে। তাৰ পিচত কোনো কথা নাই। উন্মত্ত হৈ পৰা তাৰ পুতেকৰ বয়সীয়া ল'ৰাজাক এবাহ কেদো বৰলৰ দৰে তাৰ ওপৰত জাঁপিয়াই পৰিল। উপৰ্যুপৰি কিল আৰু ভুকুত সি প্ৰায় বাগৰি পৰিল। আৰু ঠিক তেনে সময়তে জাকটোৰ 'দাদা'ৰ ভাও লোৱা ল'ৰাজনে ৰমজানৰ মুখতে প্ৰচণ্ড ঘোচা এটা মাৰি দিলে। লগে লগে তেজৰ তীব্ৰ বেগী নিজৰা তাৰ দুই কোৱাৰি ফালি ডিঙি-বুকুৰ ওপৰেদি বৰলৈ ধৰিলে। খন্তেকৰ বাবে সি সমুখত কেৱল অন্ধকাৰহে দেখা পাইছিল। তাৰ পিচত সম্বিৎ পায়েই সি ঘৰলৈ দৌৰিবলৈ আৰম্ভ কৰিছিল। চকুৰ সমুখত তেতিয়া তাব কেৱল এখন মুখেই অগা-ডেৱা কৰিছিল। সেইখন মুখ চিকিৎসাৰ অভাৱত নৰিয়া পাটিত নীৰৱে মৃত্যুৰ ক্ষণ গণি থকা তাৰ বৈণীয়েকৰ।

\+ + +

'আদৰ্শৰ বেদীত সৰ্বস্ব ত্যাগ কৰিব নোৱাৰিলে আদৰ্শৰ মৃত্যু ঘটে।
যি কোনো দেশৰ সৎ মানুহবোৰে যেতিয়া সতৰ্ক দৃষ্টি ৰাখিবলৈ আৰু যুঁজিবলৈ এৰি দিয়ে, তেতিয়া অসৎ মানুহৰ ৰাজত্ব হয়।'

—পাৰ্ল বাৰ্ক।

# ॥ প্ৰতীক্ষাৰ অন্তত ॥

শ্ৰীকমল কুমাৰ কলিতা
২য় বাৰ্ষিক, স্নাতক মহলা।

এতিয়া কিমান বাজিছে ? .........পাঁচটা ... ... চাৰে পাঁচটা ... ... ...ছয়টা ... ... ... চাৰে ছয়টা... ...... মোৰ কোঠাৰ বিচনাত শুই থকাৰ পৰাই অনুমান কৰাৰ চেষ্টা কৰিছোঁ। দেউতাৰ তামোল খুন্দা খুন্দনাটোৰ থুক্-থুক্ শব্দবোৰ এয়া মোৰ কাণত পৰিছেহি। মানে দেউতাৰ চাহ খোৱা শেষ হৈছে। পিৰালিত মায়ে দেউতাক তামোল খুন্দি দিছে।

তামোলখন মুখত গুজি দেউতা কান্ধত নাঙল খন লৈ অস্থি চৰ্ম সাৰ গৰু দুটা খেদি এতিয়া পথাৰলৈ খোজ লব। মোৰ মনলৈ আহিছে বহুৰাতি বিচনাত পৰাৰ আগতে ভৱাৰ দৰে যোৱা কালি ৰাতিও ভাবিছিলোঁ ঃ এই বয়সত দেউতাক পথাৰলৈ যাবলৈ দিয়াতো অন্যায় হৈছে। দুৰ্ঘোৰ অন্যায়। এনেয়ে বহি থকাতকৈ অহা কালি পুৱা ময়ে হালখন লৈ পথাৰলৈ যাম। লাজ কৰিবলৈ কিটো আছে......ভবা কথটো কাৰ্যত পৰিণত কৰিব নোৱাৰি মই এতিয়া গ্লানি অনুভৱ কৰিছোঁ। নিজৰ ওপৰত ধিক্কাৰ জন্মিছে।

মনলৈ আহিছে স্কুলীয়া কলেজীয়া দিনৰ কথা। প্ৰথম বিভাগতে হাইস্কুল শিক্ষান্ত পৰীক্ষা পাচ কৰাৰ পিচত দেউতাই কৈছিল—ডাক্তৰ হব পৰাকৈ কিবা এটা পঢ়। প্ৰয়োজন হলে ঘৰ-মাটি বন্ধকত থৈও তোক ডাক্তৰ কৰিম। দেউতাৰ মনৰ জোৰ আছিল, বুজি পাইছিলোঁ। কিন্তু বাৰ বিঘা খেতি মাটিৰ ফচলকে নিৰ্ভৰ কৰি জীয়াই থকা সাতজনীয়া পৰিয়াল এটিত সেয়া যে এক আকাশ কুসুম কল্পনা মুহূৰ্ততে বুজি পাইছিলোঁ। মনলৈ আহিছিল আবিয়ৈ হৈ মুক্তিৰ ক্ষণ গণি থকা গাভৰু ভনী তিনিজনীৰ কথা, দেউতাৰ শুকান বুগ্ন-ৰুক্ষ চেহেৰাটোৰ কথা, মাৰ চিন্তাক্লিষ্ট নিস্তেজ মুখখনৰ কথা, তিনিমাহে স্কুলৰ ফিজ দিব নোৱাৰি স্কুললৈ যাবলৈ এৰি দিয়া ক্লাচ টেনত পঢ়ি থকা ভাইটি মণ্টুৰ কথা ... ... ...। দেউতাৰ ইচ্ছাক তিলমাত্ৰ সঁহাৰি নিদিয়াকৈ সেয়ে গাওঁৰ কলেজ খনতে নাম লগাই লৈছিলোঁ। মাৰ কাবৌ-কোকালিত মোমায়ে দিয়া টকা ডেৰশটাক সম্বল কৰি। তাৰ পিছত কলেজৰ ফিজ, কিতাপ-পত্ৰ, পোছাক পৰিচ্ছদৰ খৰচ উলিয়াবলৈ সহজলভ্য কাম হিচাবে বাছি লৈছিলোঁ গৃহ শিক্ষকৰ কাম—ৰাতিপুৱা এঘৰত আৰু সন্ধিয়া দুঘৰত। দিনবোৰ পাৰহৈ গৈছিল অধ্যয়ন, ব্যস্ততা, সংগ্ৰামৰ মাজেৰে। সময়ত পৰীক্ষাত বহিছিলোঁ। আশানুৰূপ নহলেও আন বহুতৰ তুলনাত ভালদৰেই উত্তীৰ্ণ হৈছিলোঁ। তাৰ পিছৰ পৰা আজি তিনি বছৰে অবিৰত সংগ্ৰাম চলিছে চাকৰিৰ সন্ধানত। এখন দুখনকৈ হিচাব নোহোৱাকৈ সৰু বৰ বিভিন্ন চাকৰিৰ বাবে দৰখাস্ত কৰিছোঁ—বিভিন্ন ঠাইত অফিচ-স্কুলত সাক্ষাৎকাৰত উপস্থিত হৈছোঁ বহুবাৰ। ধাৰ কৰি কৰি ধাৰৰ বাবে হাত পাতিবলৈ ঠাই নথকাত মাৰ সাঁচতীয়া হাতৰ কাণৰ দুয়োৰকো বন্ধকত থৈছোঁ। বলো দোকানীৰ পৰা সেই দুযোৰ আজিলৈতো উলিয়াব পৰা নায়ে—কেতিয়ালৈ উলিয়াব পৰা যাব তাৰো কোনো নিশ্চয়তা নাই। প্ৰথম প্ৰথম দেউতা আশাবাদী আছিল। প্ৰতিটো সাক্ষাৎকাৰৰ পিছতে পৰম আগ্ৰহেৰে সুধিছিল চাকৰিৰ সম্ভাৱনা, চাকৰিৰ প্ৰকৃতি আৰু ভৱিষ্যতৰ বিষয়ে। তাৰ পিছত ক্ৰমাৎয়ে

নোসোধা হৈছিল । দেউতাই হয় ধৰি লৈছিল এই দৰ্খাস্ত কৰা, সাক্ষাৎকাৰ আদি সকলো ভেকোভাওনা অথবা মই এক নশ্বৰ অপদাৰ্থ । দেউতাৰ কি ধাৰণা সেইটো অৱশ্যে মই আজিও বুজিব পৰা নাই । বুজিমনো কেনেকৈ ! আজি বহুদিন দেউতাৰ লগতে একেলগে খাবলৈতো বহাই নাই, আনকি দেউতাৰ মুখখনো দেখা নাই । আচলতে কবলৈ গ'লে দেউতাৰ মুখখন চাবলৈ মোৰ ভিতৰৰ সাহসকণ কোঁতিয়াবাই হেৰাই গ'ল ।

……………কালি যে বকুল তল গাওঁৰ পৰা মানুহ জন আহিছিল ছোৱালী যাচিবলৈ ! দেউতাই বা তেওঁক কি কৈ পঠিয়ালে ! দেউতাই যিয়েই নকওক মানুহজনৰ ওপৰত মোৰ কিন্তু খং উঠিছিল । তোমাৰ ছোৱালী ৰাখিব নোৱাৰা হৈছা—কৰবাত বিয়া দিয়াগৈ । কিন্তু মোক অপমান কৰিবলৈ আহা কিয় ? মই কিবা ছোৱালীৰ অভাৱত বিয়া নকৰাকৈ আছো নেকি ? ছোৱালীজনীৰ নামটো বা কি আছিল ! বীণা, তৰুলতা, অলকা, যমুনা জাতীয় কিবা এটা হব পাৰে । নামটো যিয়েই নহওক, মোলৈ যাচিবলৈ অহাটো চাই অনুমান হয় তাই নিশ্চয় পঢ়া ছোৱালী হব । কমেও মেট্ৰিক পাছ নাইবা ফেইল । ছোৱালীজনী হয়তো বৰ ধুনীয়াও হব পাৰে । হয়তো পমিলাৰ নিচিনা । পমিলা পিছে স'চাই ধুনীয়া আছিল । পিছে এতিয়া তাইও হয়তো আগৰ দৰে ধুনীয়া হৈ থকা নাই ।

……………এই পমিলা জনীৰ লগত যে মোৰ কিমান দিনৰ চিনাকী ! আজিও মনত পৰে সেই তাহানিতে জাবৰিৰ মাজে মাজে গৈ বিলত বৰশী বোৱাৰ কথা । তেতিয়া মোৰ কঁকালত এটা খাকী কাপোৰৰ বুটাম এবাই যোৱা হাফ্‌পেণ্ট । পেণ্টতোৰ ওপৰেদি ম'হৰ নাকীৰ দৰে এডোখৰ ৰচী নহলে যে পেণ্টটো ক'কালৰ পা সুলকি যায় । গাত এটা মলিয়ন গেঞ্জী । গেঞ্জীটো দেখিলে চিনিবৰ উপায় নাছিল কিনোতে সিটো বগা নে মুগা বৰণৰ আছিল । পেণ্টটো কিন্তু খাকী ৰঙৰে আছিল । দেউতাই আকৌ মোক তেতিয়া খাকী ৰঙৰ হাফ্‌পেণ্টহে কিনি দিছিল, যাতে মাটিয়ে-বালিয়ে বহি ফুৰিলেও বিশ্ৰী নহয় । পমিলাৰ চকু-দুটা ধুনীয়া সৰু-সৰু আছিল । মূৰত ঈষৎ ৰঙা একোছা চুলি । কৈশোৰে চুই যোৱা দেহাটো ঢাকিবলৈ তাই ৰঙা-বগৰ ফ্ৰক এটা আৰু কঁকালত নীলা ৰঙৰ হাফ্‌ পেণ্ট এটা পিন্ধিছিল । বৰশী বোৱা কাৰণে লগৰ ছোৱালীবোৰে তাইক ল'ৰা বুলি জোকাইছিল । জাবৰিৰ মাজে মাজে গৈ আমি বিলত একেলগে মাছ ধৰিছিলো । অহিৰৰ সময়ত তাইৰ ভাগত মাছ-বেছিকৈ দিছিলো । আমি একেলগে কাবাডী, দৌৰা-দৌৰি, লুকা-ভাকুও খেলিছিলো । আচলতে সেইবোৰ ঠিক কোনো খেলা নাছিল । কিছুমান অনৰ্থক হৈ-চৈ । আমাৰ মিল দেখি লগৰবোৰে আমাক ধেমালিতে পৈয়েক-ঘৈণীয়েক বুলি জোকাইছিল । সেই ধেমালিতে জোকোৱা কথাটো কিন্তু সমূলি মিছা নাছিল । যৌৱনৰ দুৱাৰ দলিত থিয় হৈ দুয়ো সচাঁকৈয়ে অনুভৱ কৰিছিলো যে আমি পৰস্পৰে পৰস্পৰক ভাল পাওঁ আৰু দুয়ো লগ লাগি ঘৰ এখন সাজিবলৈ পালে সুখী হ'ম । কিন্তু আমাৰ সেই ভাল পোৱা, ঘৰ সজাৰ সোণালী পৰিকল্পনাই বাস্তৱ ৰূপ নাপালে । মই বি, এ, পাছ কৰি ওলোৱাৰ আগতে পমিলাৰ পি, ডব্লিউ, ডি, ৰ কেৰাণী এজনৰ লগত বিয়া হৈ গ'ল । পমিলাৰ হাজাৰ কাকুতি আৰু চকুপানীয়ে বাপেকৰ মন টলাব নোৱাৰিলে । আমি মনে সজা ঘৰখন তেনেকৈয়ে বালি ঘৰৰ দৰে ভাঙি গ'ল ।

এয়া দেউতাই টান গলাৰে কাৰোবাক কিবা কৈছে । দেউতাই আজি-কালি ভাইটোক কিবা ক'লেও মোকে কোৱা যেন লাগে । তাৰ যে আজি-কালি কি হৈছে ! ভাবিছিলো ঃ কিবা এটা চাকৰি পালে তাক পুণৰ স্কুলত নাম লগাই দিম । হাইস্কুলৰ দেওনা পাৰ হলে কলেজত নাম লিখি দিম বুলিও কৈছিলো । আগতে একো নক'লেও আজি-কালি কিন্তু সি মাৰ আগত মুখ ফুটাই কয়, সি হোনো আৰু পঢ়া-শুনা নকৰে ।

কাৰণ স্কুল-কলেজৰ পঢ়া-শুনাই যে তাক পেটৰ ভাত মুঠি দিব নোৱাৰে সেইটো সি ককায়েকৰ জীৱনতে দেখা পাইছে। গতিকে প্ৰয়োজন হলে সি চোৰ কৰিব, পকেট মাৰিব, তথাপি পঢ়া-শুনা নকৰে। খুজি-মাগি এতিয়াও তাক পঢ়ুৱাৰ আশা পোষণ কৰি থকা মাই তাৰ কথা বিলাক মোৰ আগত কলে মোৰ খং নুঠে। বৰং নীৰৱে তাৰ যুক্তি বিলাক, তাৰ ক্ৰোধখিনি বিশ্লেষণ কৰাৰ চেষ্টা কৰি চাওঁ।

কেতিয়াবা খং উঠে দেউতালৈ। তুমিও দেখোন কংগ্ৰেছ কৰিছিলা। স্বৰাজ বিচাৰিছিলা। পুলিচৰ লাঠিৰ কোব, বুট জোতাৰ গোব তোমাৰ দেহাৰ দুই এঠাইত এতিয়াও মৰা তেজ হৈ আছে। পেঞ্চন পোৱাটো দূৰৰে কথা, তোমাক দেখোন আজি-কালি কোনো এম, এল, এ মন্ত্ৰীয়ে চিনিকে নাপায়। অথচ তোমাৰ লগতে জেল খোৱা বহুতো মানুহ বোলে মন্ত্ৰী হ'ল, ডাঙৰ খিতাপ পালে। কিন্তু তুমিতো সেইবোৰ নাপালাই, তোমাৰ ল'বা হৈ মই চাকৰি এটাও নাপাওঁ কিয়? দেশৰ মানুহৰ কাৰণে বাবু স্বাধীনতা বিচাৰিছিলা। কিন্তু নিজৰ বাবে একো নকৰিলা কিয়? স্বৰাজ নকৰি চোৰাং বেপাৰ কৰা হলে কিমান টকাৰ মানুহ হ'লা-হেঁতেন কেতিয়াবা ভাবি চাইছা জানো? সেইকণ বুধিও তোমাৰ মনত নেখেলিলেনে? কিমান আক্ষেপত কিমান দুখত এইবোৰ প্ৰশ্নই মনত গুজৰি-গুমৰি থাকে তোমাক খুলি কব পৰা হলে হয়তো মোৰ অন্তৰস্থটো বুজি পালাহেঁতেন দেউতা!

এয়া দেউতাৰ মাতটো লাহে লাহে টান হৈ আহিছে। আজি কালি দেউতাই ভনীকিটাকো হোৱাই নোহোৱাই বেছিকৈ বকিবলৈ লৈছে। এয়া মাৰ আগত অৱশ্যে ভাইটোকে বকিছে। সি কালিয়ে চহৰলৈ গৈ ঘূৰি অহা নাই। বলো দোকানিৰ পৰা ধান এমোনৰ দাম লৈ গৈছে। দোকানীয়ে আবেলি ধান বিচাৰি অহাতহে দেউতাৰ গা জ্বলি গ'ল। দেউতাই তাক বকিলে কি হব। তাৰ গাত দোষ কি। তুমি ভাবিছিলা আমি ডাঙৰ মানুহ হ'ম। ভাল মানুহ হ'ম। হব নোৱাৰিলো। মানুহে ভবা কথা কেইটানো সঁচা নহয়। মই ভবাবোৰ চোন একো একো হোৱা নাই। 'মন কৰিলেই চন হয়'—তোমালোকৰ এই নীতি বচন ফাঁকিত হয়তো কেনেবাকৈ ভুল থাকি গল। মন কৰিলেই চব কৰিব নোৱাৰি। ডাঙৰ মানুহ হোৱাৰ কথা ভাবিছিলা, ক'তা, নহলোঁ দেখোনা! এটা সময়ত ভাবিছিলোঁ, ধনী হ'ম। মোৰ বহুত টকা হব। হেজাৰ হেজাৰ টকা। ক'তা, এতিয়া মোৰ গাবুৰ তলত দেখোন এটা টকাও নাই। টিউশ্যন দুটাৰ টকাতো যোৱা সপ্তাহতে শেষ হৈ গৈছে ·· — ··· ···।

আগতে কেতিয়াবা, সপোন দেখিছিলো—আইনৰ পৰীক্ষা পাছ কৰি উকিল হৈছো। মোৰ গাত টৌৱিলনৰ কলা কোট পেন্ট টাই। মোৰ সোঁহাতে বাওঁহাতে মক্কেল ঃ 'ছাৰ, যেনে-তেনে জীকাই দিব লাগিব।' 'মোৰ ফিজটো দিয়া ··· ··· ·· ··· নাই, দুইশ টকাই নহব। আৰু এশ দিয়া। অহা তাৰিখত বাকী সাক্ষী কেইজনো লৈ আহিবা। ··· ··· ··· কৈছো নহয়, তাক বগা ঘৰৰ ভাত খুৱাইহে এৰিম। অমুকাই যেই সেই কেচ নলওঁ।' কল্পনাত দেখা পাওঁ অকাট্য যুক্তিৰে হাকিমক প্ৰত্যয় নিয়াই বিপৰীত পক্ষক জেল খুৱাইছোঁ। লগে লগে মোৰ নাম ফাটি ফুটি গৈছে। বিজিত পক্ষই বহুতকে মোৰ হৈ কৈ ফুৰিছে ঃ তেওঁ হাকিমৰ কলমত ধৰি বিচাৰৰ ৰায় লিখাব পাৰে ··· ··· ··· ···

কেতিয়াবা কল্পনাত নিজে বিৰাট গেলামালৰ দোকানৰ মালিক হৈ বহি থকাও দেখা পাইছিলোঁ। মোৰ দোকানত যেন গ্ৰাহকৰ ভিৰ। আহিছে-বস্তু লৈছে-গৈছে! কৰ্মচাৰী সকলে বস্তু দি তত্ পোৱা নাই। গুদামত চাউল চেনি ভৰ্তি। এক পেকেট চাৰমিনাৰ চিগাৰেটতে কোম্পানীৰ ৰেটৰ ওপৰত আঠ অনা লাভ।

টকাইহে টকা আনে। দোকানৰ লগতে মোৰ ঠিকাকে ধৰি আন আন আৰু কেবাটা ব্যৱসায়। মোৰ যেন দোকানৰ হিচাবে লব নোৱাৰা অৱস্থা। সপ্তাহত কোনো মতেহে এবাৰ যাওঁ। গোমোস্তাজন বিশ্বাসী মানুহ। তথাপিও যেন দেউতাক কৈছোঁ ঃ দেউতা, তুমি এতিয়াও হালখন লৈ কিয় টনা আজোৰা কৰি মৰিছা। মোৰ ইমানবোৰ টকা! তুমি এই বয়সত কষ্ট কৰিবা কিয়? এইবোৰ কবাতকৈ এবাৰ দোকানতে বহিব পাৰ দেখোন। মইতো বহি থাকিব নোৱাৰো জানাই দেখোন মোৰ আন আন বহুতো লেঠা ... ... । মোৰ কথা শুনি দেউতাৰ শুকান মুখখনতো যেন সন্তুষ্টিৰ মিঠা হাঁহি বিৰিঙিছে ... ... ... । এই সপোনবোৰ পিছে আজি কালি আৰু নেদেখো। চেতন অৱচেতন মনে ভালদৰে বুজি পাইছে—এইবোৰ মাথো অবান্তৰ কল্পনা। অৱশ্যে আজি কালিও মাজে মাজে ক্ষীণ আশা এটা কৰোঁ—হাকিম নালাগে, মাস্টৰ নালাগে, কেৰাণী নালাগে পিয়ন চাপ্ৰাছীৰ চাকৰি এটা পোৱা হলেও ... ... । পিচে সেই আশাও অতি ক্ষীণ বাবে মাক বহুদিন কৈছো মোক যেন খুৱ ৰাতিপুৱাতে জগাই দিয়ে-- মই যেন কোনেও নো উঠোতেই হালখন লৈ পথাৰলৈ যাব পাৰো। তেনেকৈ কলে মাই একো নকয়। ওচৰৰ পৰা নীৰৱে আতৰি যায়। সম্ভৱ হাকিম উকীল হব বুলি আশা কৰি থকা পুতেকৰ ইমান সোনকালে এই ৰূপত চাবলৈ মাতৃ স্নেহে তেওঁক বাধা দিয়ে।

বহুত সময় হল দেউতাৰ মাত শুনা নাই। হয়তো পথাৰলৈ গ'ল ইমান পৰে। এতিয়া বাৰু কিমান বাজিছে। ঘড়ীটো বেয়া হোৱা দুমাহহে হ'ল কিজানি। তাৰ কল-কজাবোৰত মামৰে নধৰাকৈ আছেনে? ওচৰৰ মৰমীহঁতৰ ৰেডিঅ'ত এয়া গীতি-মালিকাৰ গান বাজিছে। তেনেহলে চাৰে আঠ বাজি গ'ল। মানে আৰু এটা দিনৰ মৃত্যু-প্ৰক্ৰিয়া আৰম্ভ হৈ গৈছে। এই দিনটো ধৰি ৰাখিব পৰা নাযায় নে? সৰু ভনীজনীয়ে সজাই থোৱা চাহ কাপ (মই জানো, এইখিনি পৰত তাই সদায়ে ৰঙা চাহ এবাটি আৰু লগতে ভজা চাউল আধাপ্লেটমান অথবা শুকান কৰকবীয়া ৰুটি এটুকুৰা সযতনে মোৰ বাবে সাজি থয়) খাই পথাৰলৈ যাব নোৱাৰি নে? হঠাৎ এয়া মই চকুৰ সমুখত যেন দেখা পাইছো এক উজ্বল পোহৰ—যি পোহৰত মোৰ কোঠাৰ সমস্ত পৰিধি আগুৰি ইষৎ আন্ধাৰখিনিও যেন পোহৰ হৈ উঠিছে।

*****

# —মৌন ক্ৰন্দন—

মিচ্ ডালিমী বড়ো
১ম বাৰ্ষিক, স্নাতক মহলা।

বাতৰি কাকতত কিছুদিন আগতে খবৰটো পঢ়িছিলো যদিও খবৰটোৱে তেতিয়া মনত কোনো বিশেষ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব পৰা নাছিল। তেনে খবৰ বাতৰি-কাকতত সদায় এটা নহয় এটা ওলায়ে থাকে আৰু এই খবৰটোও তেনেকুৱা খবৰৰ লগৰে এটা বুলি নিৰ্লিপ্ততাৰে গ্ৰহণ কৰিছিলো মাথো।

কিন্তু আজি উৎপলাক লগ পোৱাৰ পিচত সেই খবৰটোৱে এপাত তীব্ৰ বেগী কাড়ৰ দৰে মোৰ বুকুৰ কোনোবা খিনিত আঘাত কৰিছিল। এক অনামী বেদনাত মনটো বিষাই উঠিছিল। উৎপলাৰ পৰা সকলো খিনি শুনিও মনে যেন বাতৰিটোৰ সত্যতা মানি লব খোজা নাছিল।

উৎপলা মানে মোৰ বান্ধৱী উৎপলাই কৈছিল ঃ 'তই চাগে এতিয়া আচৰিত হৈছা বাতৰি কাকতত ৰহস্য-জনক ভাবে মৃত্যু হোৱা বুলি প্ৰকাশ পোৱা সবিতা চৌধুৰী নামৰ মহিলা গৰাকী আমাৰ বান্ধৱী সবিতা বুলি জানি।'

এৰা, মই আচৰিত হৈছিলো। কল্পনা কৰিব নোৱাৰা ঘটনা এটা ঘটিলে মানুহ যেনেদৰে আচৰিত হয় ঠিক তেনেদৰে ময়ো আচৰিত হৈছিলো। উৎপলাই কোৱা দৰে মোৰো ধাৰণা হৈছিল, এয়া হয়তো এক সুপৰিকল্পিত হত্যাকাণ্ড।

মোৰ মুক বিস্ময়াভিভূত মুখখনত দৃষ্টি নিবদ্ধ কৰি থকা উৎপলাৰ মুখলৈ চাই থাকোতে মনলৈ আহিছিল আমাৰ দুগৰাকীৰ লগত গাৰ ছাঁয়াৰ দৰে লাগি থকা বান্ধৱী সবিতাৰ কথা। মনৰ দাপোণত প্ৰতিফলিত হৈছিল হেৰাই যাব খোজা অতীতৰ কেইটামান পখিলা পাখিলা যেন লগা ৰঙীন বছৰ।

......... তেতিয়া আমি আটাইকেইজনী সন্দিকৈ মহাবিদ্যালয়ৰ ছাত্ৰী। একেটা হোষ্টেলৰ একেটা কোঠাতে থাকো। আটাইকেইজনী কৈশোৰ পাৰ হৈ যৌৱনৰ দুৱাৰদলি গছকিছোঁ। চকুত ৰঙীন সপোন। মনত সপোনক বাস্তৱত ৰূপ দিয়াৰ দৃঢ় পৰিকল্পনা। ক্লাছলৈ যোৱা, ফুৰিবলৈ যোৱা, 'ডাইনিং হল'লৈ ভাত খাবলৈ যোৱা আনকি 'বাথৰুম'লৈ গাধুবলৈ যোৱাতো এজনীয়ে যেন আনজনীৰ লগ এৰিব খোজা নাছিলো। গতিকে স্বাভাৱিকতে আমাৰ মাজতে মনৰ আৰ-বেৰ প্ৰায় নাছিল বুলিয়ে কব পাৰি। নিজৰ নিজৰ সৰু বৰ সকলো সমস্যাকে আমাৰ মাজত আলোচনা কৰিছিলো আৰু সমাধানো কৰিছিলো। এনেকুৱা ক্ষেত্ৰত সদায় লক্ষ্য কৰিছিলো সবিতা যেন আমাতকৈ বহুত বেলেগ সমস্যা সম্যক ভাবে বুজা আৰু ক্ষীপ্ৰতাৰে তাৰ সমাধান উলিওৱাত সবিতা যেন আমাতকৈ বহুত ওপৰত। বুজি পাইছিলো, তাইৰ মনৰ দৃঢ়তা আমাতকৈ বহুত বেছি। দ্বিধাগ্ৰস্ততা আছিল তাইৰ স্বভাৱবিৰুদ্ধ।

এটি এটিকৈ কলেজীয়া দিনবোৰ অতিবাহিত হৈ আছিল। প্ৰতিটো দিনেই যেন আমাৰ বাবে লৈ আহিছিল হাঁহি—কেৱল হাঁহি আৰু ৰং। সময়ত আটাই-

কেইজনীয়ে আশানুৰূপভাৱে উত্তীৰ্ণ হৈ স্নাতক মহলাত অধ্যয়ন আৰম্ভ কৰিছিলোঁ। উৎপলা আৰু মই ক্ৰমে অৰ্থনীতি আৰু অসমীয়াত অনাৰ্চ লৈছিলোঁ আৰু সবিতাই অনাৰ্চ লৈছিল ইংৰাজীত। প্ৰথম বাৰ্ষিকৰ পৰীক্ষাত উত্তীৰ্ণ হৈ আটাইকেইজনী দ্বিতীয় বাৰ্ষিক পাইছিলোঁ। ঠিক তেতিয়াই সবিতাৰ জীৱনত এচাটি ধুমুহা বলিছিল। সবিতাই ইতিমধ্যে আমাক তাইৰ মনৰ গোপণ ডাইৰীৰ পাত এখিলা দেখুৱাইছিল। তাত দেখা পাইছিলোঁ উদাৰ দৃষ্টিসম্পন্ন এক সংগ্ৰামী যুৱকৰ ছবি—যাৰ নাম আছিল শৰত ভূঞা। সবিতাই কৈছিল—জীৱনত কেতিয়াবা যদি তাই বিয়া কৰায় তেনেহলে তাই শৰতকে বিয়া কৰাব, নহলে কেতিয়াও বিয়াকে নকৰায়—সমাজৰ কাম কৰিয়ে জীৱনটো পাৰ কৰি দিব। আমি বুজিছিলো—সবিতাৰ মুখৰ সেই কথা তাইৰ জীৱনটোৰ দৰে সঁচা। তাই শৰতক বিয়া কৰোৱাৰ সেই ভীষ্ম প্ৰতিজ্ঞা কিয় লৈছিল তাকো আমাৰ আগত কৈছিল। তাইৰ কথাৰ পৰা বুজিছিলোঁ শৰত নামৰ সেই যুৱকজন কেৱল তাইৰ চুবুৰীয়াই নাছিল—স্কুলৰ সহপাঠীও আছিল। আঢ্যৱন্ত পৰিয়ালৰ একমাত্ৰ সন্তান যদিও তাৰ চৰিত্ৰত আছিল অগতানুগতিক এক বৈশিষ্ট্য—শোষিত নিপীড়িত সকলৰ প্ৰতি এক নিৰ্ভেজাল সহজাত দৰদ। সেয়ে প্ৰায় এশ বিঘা খেতি মাটিৰ মালিক তাৰ দেউতাকে প্ৰায় প্ৰতি বছৰে যেতিয়া বানপানী, খৰাংবতৰ আদিৰ বাবে ভালদৰে খেতি কৰিব নোৱাৰা আধি-খোৱা খেতিয়ক সকলৰ পৰা জোৰ জবৰদস্তিকৈ ফচল আদায় কৰাৰ চেষ্টা চলাইছিল তেতিয়া তাৰ ভিতৰৰ মানুহটোৱে বিদ্ৰোহ কৰি উঠিছিল। দেউতাকক বাৰ বাৰ বাধা দিছিল। অলপ সহানুভূতিৰে ৰ'দত পুৰি বৰষুণত তিতি শ্ৰম কৰা অস্থিচৰ্মসাৰ খেতিয়কবোৰৰ অৱস্থাটো চাবলৈ অনুৰোধ কৰিছিল। তাৰ অৱশ্যম্ভাৱী ফলস্বৰূপে সি হৈ পৰিছিল দেউতাকৰ ক্ৰোধ আৰু ঘৃণাৰ পাত্ৰ। আফচোচ্ অৱশ্যে তাৰ তিলমাত্ৰও নাছিল সেইবাবে। দেউতাকে তাক খং কৰাৰ আন কাৰণো আছিল। স্কুলত ওপৰৰ শ্ৰেণীত পঢ়াৰ দিনৰে পৰা সি কৃষক আৰু অন্যান্য শ্ৰমিক সংগঠনৰ কামত নিজকে নিয়োজিত কৰিছিল। সবিতাই আমাক কৈছিল—বানপানী, মহামাৰী আদিয়ে যেতিয়া দাঁতি-কাষৰীয়া গাঁৱে-ভূঁৱে তাণ্ডৱলীলা আৰম্ভ কৰে তেতিয়া হেনো তাৰ ভিতৰৰ মানুহটোও সাৰ পাই উঠে। দিনৰ পিচত দিন সাহায্যকাৰী সংগঠন সমূহৰ লগত সি পাৰ কৰি দিছিল আক্ৰান্ত অঞ্চলবোৰত। আৰু সমাজ সেৱাত সদা আগৰণুৱা সবিতাই বোলে এনেবোৰ দিনতে তাক ভাল পাই পেলাইছিল নিজে গম নোপো-ৱাকৈয়ে। শৰতৰো আছিল সেই একেই প্ৰতিক্ৰিয়া। শৰতেও তাইক বহুৱাই লৈছিল মনৰ নিভৃত স্থানত। পৰস্পৰে পৰস্পৰৰ ওচৰত প্ৰতিশ্ৰুতও হৈছিল জীৱনৰ একেটা বাটেৰে আগবাঢ়ি যোৱাৰ। সময় পাৰ হৈ গৈছিল। স্কুলৰ শিক্ষান্ত পৰীক্ষাত দুয়ো কৃতিত্বৰে উত্তীৰ্ণ হৈছিল। সবিতায়ো প্ৰথম বিভাগ পাইছিল; কিন্তু শৰতে প্ৰথম বিভাগৰ লগতে তিনিটা বিষয়ত 'লেটাৰ' লৈ প্ৰতিযোগিতামূলক বৃত্তিও লাভ কৰিছিল। কিন্তু শৰতৰ ইমান কৃতিত্বয়ো দেউতাকক তাৰ প্ৰতি সদয় কৰিব পৰা নাছিল। বৰং শৰতৰ কৃষক-অনুৰাগ প্ৰতি ক্ৰমে বাঢ়ি অহা দৰদ লক্ষ্য কৰি দেউতাকৰ তাৰ প্ৰতি ক্ৰোধ আৰু ঘৃণা ইমানে বাঢ়ি গৈছিল যে তেওঁ তাক অৱশেষত শেষ কথা শুনাই দিছিল—হয় সি তেওঁৰ মতে চলিব লাগিব—অৰ্থাৎ জোৰ জবৰদস্তিকৈ খেতিৰ ফচল আদায় কৰা কামত তেওঁক সহায় কৰাৰ লগতে সি কৰি অহা সামাজিক কাম-কাজবোৰ বাদ দি সা-সম্পত্তি ৰক্ষণাবেক্ষণ দিয়া আৰু অন্যান্য ব্যৱসায়ত তেওঁক সহায় কৰিব লাগিব—নহয় সি ঘৰৰ পৰা ওলাই যাব লাগিব। প্ৰচণ্ড জেদী আৰু আত্ম-সম্মান-সচেতন শৰতে দেউতাকে দিয়া বিকল্পটোকে গ্ৰহণ কৰিলে। প্ৰচুৰ সা-সম্পত্তি আৰু মাকৰ হিয়াভৰা আদৰ-চেনেহৰ মায়া পৰিত্যাগ কৰি সি ৰিক্ত হাতে ওলাই আহিল ৰাজ-পথলৈ। উপস্থিত হ'ল গুৱাহাটীত। সংগ্ৰাম চলিল জীয়াই থকাৰ। কিন্তু বেচি দিন নহয়। মেধা আৰু অন্যান্য যোগ্যতাৰ বলত অতি সোনকালে সি গুৱাহাটীৰ কেছাৰীঘৰত কেৰাণীৰ চাকৰি এটা যোগাৰ কৰি ললে।

তাৰ লগে লগে চলি থাকিল শোষিত নিপীড়িত সকলৰ কাম। হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিচত সবিতায়ো সুদূৰ উত্তৰ লক্ষীমপুৰৰ পৰা গুৱাহাটীলৈ আহিছিল কলেজীয়া শিক্ষাৰ বাবে। বিধাতাই যেন দুয়োকো আকৌ লগ লগাইহে দিছিল!

স্নাতক মহলাৰ দ্বিতীয় বাৰ্ষিকত পঢ়ি থাকোতে যিচাটি ধুমুহা সবিতাৰ জীৱনত বলিছিল তাৰ উৎস আছিল ধুমকেতুৰ দৰে তাইৰ পাণি-প্ৰাৰ্থনা কৰি উপস্থিত হোৱা পি, ডব্লিউ, ডি, ৰ ইঞ্জিনীয়াৰ শঙ্কৰ গোস্বামী। পাচঁ বছৰ চাকৰি কৰিয়ে গুৱাহাটী মহানগৰীত নিজা ঘৰ-মাটি কৰা, চিক্‌চিকিয়া ফিয়েট্ গাড়ীত ঘূৰি ফুৰা একেখন ঠাইৰ একে জাতৰ শঙ্কৰক অৱশ্যে তাইৰ মাক দেউতাকে তাইৰ বাবে অতি উপযুক্ত বুলিয়ে বিবেচনা কৰিছিল আৰু বিয়াখন অতি সোনকালে পতাৰ বাবে উঠি পৰি লাগিছিল। চিঠিৰে তাইক জনোৱাত তাই একেষাৰ কথাতে মাক-বাপেকৰ সেই প্ৰস্তাৱ প্ৰত্যাখান কৰিছিল। তাৰ পিচত মাকৰ 'চিৰিয়াছ' বুলি টেলিগ্ৰাম কৰি ঘৰলৈ মাতি নি সেই একে কথাতে দোহাৰাত খঙে তাইৰ চুলিৰ আগ পাইছিল। নক'ম বুলি ভাবি থাকিও খঙৰ ভমকত তাই মনৰ কথা সদৰি কৰি দিছিল—তাই বিয়া কৰাব, কিন্তু শঙ্কৰক নহয় শৰতক। কেৰাণী কৰিলেও আৰু তাইতকৈ নীচ কুলৰ হলেও তাইৰ আপত্তি কৰিবলগীয়া একো নাই। মানুহ হিচাবে শৰত শঙ্কৰতকৈ বহুত ওপৰত। তাই এই শেষ কথা নিজৰ ঘৰখনকে নহয়, তাইক চাবলৈ যোৱা শঙ্কৰৰ ঘৰৰ মানুহকো কৈ সেইদিনাই নৈশ বাছত গুৱাহাটী পাইছিল আৰু অলপো পলম নকৰাকৈ শৰতক লগ ধৰি 'কোৰ্টমেৰেজ' কৰিছিল। সিদ্ধান্তত সদায়ে অলৰ-অচৰ সবিতাই সেইদিনা আবেলি 'কোৰ্টমেৰেজ'ৰ পিচত শৰতক লগত লৈ আহি হোষ্টেলত আমাক যেতিয়া লগ কৰিছিল আমি হতবাক হৈছিলোঁ, আচৰিত কিন্তু হোৱা নাছিলোঁ। সবিতাক জানিবৰ আমাৰ বাকী নাছিল।

বিয়াৰ পিচত সবিতাৰ পঢ়াৰো ইতি পৰিল। শৰতৰ চাকৰিৰ বদলিৰ লগে লগে সবিতায়ো হোষ্টেল এৰি শৰতৰ লগতে গুচি গৈছিল ধুবুৰীলৈ। তাৰ পৰা সবিতাই আমাৰ লগত চিঠিৰে যোগাযোগ ৰাখি আছিল আমি হোষ্টেলত থকা দিন কেইটাত। তাইৰ ছোৱালী এজনী জন্ম পোৱা কথাটোও সেই সময়তে গম পাইছিলোঁ। কিন্তু মোৰ বিয়া হৈ যোৱাৰ পিচত আৰু বি, এ, পাচ কৰি উৎপলাই দিল্লী বিশ্ববিদ্যালয়লৈ পঢ়িবলৈ যোৱাৰ পিচত আমাৰ মাজৰ যোগসূত্ৰ স্বাভাৱিকতে ক্ৰমে শিথিল হৈ আহিছিল। এবাৰ বহুদিনৰ বিৰতিত লিখা এখন চিঠিত সবিতাই লিখিছিল—ধুবুৰী চহৰতে হেনো অকমানি ঘৰ এটা সাজিছে। ঠাইডোখৰ ভাল লাগিছে ; স্থানীয়ভাবে তাতেই থকাৰ ইচ্ছা। তাইৰ সেই চিঠিখন পঢ়ি ভাল লাগিছিল। মাক-দেউতাক, আত্মীয়-স্বজন সকলোৰে মৰমৰ পৰা বঞ্চিত হৈ অৱশেষত সুদূৰৰ এঠাইত তাই কটাৰ খোজা নিৰিবিলি সংসাৰ এখনৰ ছবি মনতে আঁকি লৈ তৃপ্তি পাইছিলোঁ। কিন্তু সেই তৃপ্তিৰ আমেজ শেষ নোহওঁতেই সবিতাৰ চৰম দুৰ্ভাগ্যৰ বতৰাই মোৰ দুচকুতো চকুলোৰ বন্যা নমাইছিল। বাতৰিটো পোৱাৰ পিচত মনক কোনোমতে প্ৰবোধ দিব নোৱাৰি তাইৰ ওচৰ পাইছিলোঁ। সেয়া আছিল এক অবৰ্ণনীয় দৃশ্য। কোনো দিন কোনো বিপদত ভাগি নপৰা সবিতা যেন ভাগিচাগি চূৰমাৰ হৈ গৈছিল। অসীম কষ্টেৰে কৈছিল ঃ 'মোৰ চব শেষ হৈ গ'ল বন্দনা।' সবিতাই হয়তো ঠিকেই কৈছিল। যাক অবলম্বন কৰি ঘৰবাৰী, আত্মীয়-স্বজন সকলো জলাঞ্জলি দি সবিতা ওলাই আহিছিল সেইজন শৰতৰ অবিহনে সবিতাৰ সকলো শেষ হৈ যোৱাৰে কথা।

সেই নিৰ্মম ঘটনাৰ কিছুদিন পিচলৈ সবিতাৰ খবৰ পাইছিলোঁ। শৰত ভূঞাৰ আততায়ীক ধৰিবলৈ পুলিছে জোৰ তদন্ত চলাই আছে, ধৰিব পৰা নাই। কিন্তু তাৰ পিচত কি হ'ল—আততায়ীক ধৰিব পাৰিলে নে নাই গম পোৱা নাছিলোঁ। সবিতাই কিছুদিনলৈ চিঠিৰে যোগাযোগ ৰাখি আছিল যদিও পিচলৈ একেবাৰে নৰখা হ'ল। এবাৰ তাইৰ তালৈ যাম বুলি মনেৰে ঠিক কৰিছিলোঁ। কিন্তু মোৰ গৃহস্থৰ চাকৰি স্থান

হঠাতে অসমৰ বাহিৰলৈ পৰিৱৰ্তন হোৱাত মনৰ সেই ইচ্ছা পূৰণ নহ'ল।

তাৰ পিচত অসমলৈ পুনৰ ঘূৰি অহাৰ আগতে পাৰ হৈ গৈছিল সুদীৰ্ঘ প'চঁটি বছৰ অসমৰ বাহিৰত। নিজৰ সংসাৰৰ ব্যস্ততাৰ মাজত আৰু সুদূৰত থাকিব লগীয়া হোৱাত সবিতাৰ কথা কেতিয়াবাহে মনলৈ আহিছিল। তথাপি মাজতে দুই চাৰিখন চিঠি তাইলৈ লিখিছিলো। কিন্তু তাইৰ পৰা কোনো প্ৰত্যুত্তৰ নোপোৱাত স্বাভাৱিকতে মোৰ চিঠি লিখাৰ আগ্ৰহতো চেঁচা পানী পৰিছিল।

কিন্তু উৎপলাক আজি লগ পোৱাৰ পিচত বুজি পাইছিলো সবিতাৰ পৰা কিয় মই চিঠিৰ উত্তৰ পোৱা নাছিলো। উৎপলাই কৈছিল আমি হেনো অসমৰ বাহিৰলৈ যোৱাৰ কিছুদিন পিচতে সবিতাই তাইৰ ধুবুৰীৰ ঘৰ মাটি বিক্ৰী কৰি ছোৱালীজনীক বুকুত বান্ধি তেজপুৰলৈ গুচি আহিছিল। তাত তাই এজন সম্পৰ্কীয় মোমায়েকৰ সহায়ত প্ৰাইমাৰী স্কুল এখনত সোমাই টুকুটাককৈ চলি গৈছিল। তেতিয়াও বোলে আন এগৰাকীৰ পাণি গ্ৰহণ কৰি দুটি সন্তানৰ পিতৃ হোৱা শঙ্কৰ গোস্বামী নামৰ মানুহজনে তাইক বিয়া কৰোৱাৰ প্ৰস্তাৱ আগবঢ়াইছিল। কিন্তু অজস্ৰ ক'লা কথা মানুহৰ সমস্ত বদগুণবোৰ পূৰা মাত্ৰাই আয়ত্ব কৰিলোৱা শঙ্কৰ গোস্বামীক কুটা জ্ঞান কৰি তাই বিমুখ কৰি পঠিয়াইছিল। শঙ্কৰ গোস্বামী বিমুখ হৈছিল ; কিন্তু অপমান আৰু নিৰাশাৰ জ্বালাত তাৰ মনত তেতিয়াও নুশুকোৱা ঘা এডোখৰ লাগিছিল।

উৎপলাই মোক কৈছিল : 'তয়ো ভাবি চা-চোন, বন্দনা। যি সবিতাই শৰতৰ মৃত্যুৰ পিচতো ভাগি পৰিব খুজিও ভাগি নপৰিল—জীৱনটোক নিঠুৰ বুলি জানিও অসীম ধৈৰ্যেৰে আঁকোৱালি লৈ আগবাঢ়ি গৈ থাকিল, সেইজনী বন্দনাই—দুজনীয়া সংসাৰ এখন চলিব পৰা সংস্থাপন এটা থকা স্বত্বেও তাইৰ প্ৰাণাধিক ছোৱালী জনীক অথাই সাগৰত পেলাই আত্মহত্যা কৰিব?'

উৎপলাই দিল্লী বিশ্ববিদ্যালয়ৰ পৰা অৰ্থনীতিত এম, এ, পাচ কৰাৰ পিচত তাৰে কোনো এখন কলেজৰ পৰা আইনৰ পৰীক্ষা পাচ কৰি বৰ্তমান ওকালতিত নামিছে। তাইৰ কথা বিলাকত আইনৰ গোন্ধ থাকে। কিন্তু সংসাৰৰ খুটিনাটি কথা বিলাকত ডুব গৈ থাকিলেও উৎপলাই কোৱা একেখিনি কথাই এতিয়া বাৰ বাৰ মোৰ মনলৈও আহিছে।

* * * * *

" আমি সকলোৱে একেই নাৱৰ যাত্ৰী—
ইজনে সিজনক বুকুত সাৱটি জীয়াই আছোঁ।"

হোচি মিন

প্ৰবন্ধ

# আধুনিক ভাৰত আৰু সাম্প্ৰদায়িকতাৰ আদি পৰ্ব

দ্বিজেন দাস
মুৰব্বী অধ্যাপক, ইতিহাস বিভাগ।

**" Hindu and Muslim Communalism is, in neither case, even bonafide communalism but political and soc·l reaction hiding behind the communal mask. "**

**— Jawaharlal Nehru.**

বৰ্তমান সাম্প্ৰদায়িক সমস্যাই ভাৰতবৰ্ষত গুৰুতৰ আকাৰ ধাৰণ কৰিছে। সাম্প্ৰদায়িকতা আধুনিক যুগৰ সৃষ্টি। সাম্প্ৰদায়িকতা আধুনিক ভাৰতবৰ্ষত কেনেকৈ গা-কৰি উঠিল, সেই কথা আলোচনা কৰাৰ আগতে আমি সংক্ষিপ্ত ভাবে সাম্প্ৰদায়িকতাৰ অৰ্থ ব্যাখ্যা কৰাৰ প্ৰয়াস কৰিম। বিখ্যাত ঐতিহাসিক অধ্যাপক বিপান চন্দ্ৰই সাম্প্ৰদায়িকতাৰ এনেদৰে ব্যাখ্যা কৰিছে ঃ " এক ধৰ্মীয় গোষ্ঠীৰ ধৰ্ম বিশ্বাস যিহেতুকে একে, সেয়ে তেওঁলোকৰ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক চেতনা আৰু স্বাৰ্থও একে।" এই ধাৰণাৰ বশৱৰ্তী হ'লে এক শ্ৰেণীৰ মানুহে সকলো সমস্যা ধৰ্মীয় দৃষ্টিভঙ্গীৰে বিশ্লেষণ কৰে। এনে অৱস্থাত সাম্প্ৰদায়িক ভাবাবেগৰ দ্বাৰা প্ৰভাবান্বিত হৈ এই শ্ৰেণীৰ মানুহে অন্য ধৰ্মীয় সম্প্ৰদায়ৰ ক্ষতি সাধন আৰু বিৰুদ্ধাচৰণ কৰিব ধৰে আৰু সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক সমস্যা একে হোৱা স্বত্বেও অন্য ধৰ্মাৱলম্বী মানুহক বিৰোধী হিচাবে গণ্য কৰে।

এইখিনিতে ধৰ্ম নিষ্ঠাৰ লগত সাম্প্ৰদায়িকতাৰ পাৰ্থক্য মন কৰিবলগীয়া। ধৰ্মনিষ্ঠাৰ লগত ওতঃপ্ৰোত সম্বন্ধ হ'ল ধৰ্ম তত্ত্ব আৰু আচাৰ-বিচাৰৰ। কিন্তু সাম্প্ৰদায়িকতা হ'ল নিজ সম্প্ৰদায়ৰ প্ৰতি এক শ্ৰেণীৰ মানুহৰ অন্ধ আনুগত্য। বহলাই কবলৈ গলে, সাম্প্ৰদায়িকতা কেইটামান বিশেষ উপাদান যেনে—কোনো বিশেষ সম্প্ৰদায়ৰ প্ৰতি অন্ধ আনুগত্য; একাত্মবোধ, আৰু অন্য সম্প্ৰদায়ৰ লগত পাৰ্থক্যবোধ আদিৰ মিশ্ৰণৰ ফলত বৃদ্ধি পাব পাৰে। সমাজৰ কোনো এক অংশৰ একাত্মবোধৰ মিলন সূত্ৰ হ'ল ধৰ্মীয় ঐতিহ্যৰ প্ৰতি সচেতনতা আৰু এই সচেতনতাই মানুহৰ ব্যক্তিগত আৰু সমষ্টিগত জীৱন নিয়ন্ত্ৰণ কৰে। এই দৰে নিজৰ ধৰ্মৰ প্ৰতি গোড়া আনুগত্য, বিশ্বাস আৰু একাত্মবোধৰ পৰা উদ্ভৱ হয় অইন সাম্প্ৰদায়ৰ প্ৰতি পাৰ্থক্যবোধ। সাম্পম্প্ৰদায়িক চেতনা অকল ধৰ্মীয় ধ্যান-ধাৰণাৰ পৰা উদ্ভৱ নহয়; ইয়াৰ লগত ৰাজনীতিৰ যোগা-যোগ আছে। অৰ্থাৎ সাম্প্ৰদায়িক চিন্তা আৰু কাৰ্যকলাপ সময়ে সময়ে ৰাজনৈতিক ক্ষমতা দখলৰ হাতিয়াৰ হিচাবে ব্যৱহাৰ হোৱা দেখা যায়।

বিংশ শতাব্দীত জাতীয় আন্দোলনৰ সময়ত সাম্প্ৰদায়িক ৰাজনীতি ভাৰতবৰ্ষত কেনেকৈ গা-কৰি উঠিলে আলোচ্য প্ৰবন্ধত সংক্ষিপ্তভাবে আলোচনা কৰা হ'ল।

বৃহত্তৰ ভাৰতীয় জীৱন ক্ষেত্ৰত গতি আৰু প্ৰাণ চাঞ্চল্য স্পন্দিত হয় বৃটিছৰ আগমনৰ লগে লগে। প্ৰাক্-বৃটিছ যুগত ভাৰতীয় গাওঁসমূহ আছিল স্পন্দনহীন্ একোটা দ্বীপপুঞ্জ সদৃশ। বৃটিছৰ পুঁজিবাদী অৰ্থনীতিৰ হেঁচাত পৰি প্ৰাক্-বৃটিছযুগৰ ভাৰতৰ গ্ৰাম্য অৰ্থনীতি চুৰমাৰ হৈ নতুন ৰূপত গঢ়ি উঠে। ( A Single economic unit by the introduction of capitalist forms )। সেয়ে স্পন্দনহীন ভাৰতীয় গ্ৰাম্য অৰ্থনীতিৰ গতি সঞ্চাৰ হয় সাম্ৰাজ্যবাদীৰ লুণ্ঠন, ৰাজহ, আৰু মুদ্ৰানীতিৰ ফলত। ভাৰতীয় অৰ্থনীতিত আনিবাৰ্য ভাৱে দেখা দিয়ে নতুন ব্যৱস্থা— ommercialisation of agriculture। সাম্ৰাজ্যবাদীয়ে এই নতুন অৰ্থনৈতিক ব্যৱস্থা প্ৰৱৰ্তন কৰে ইংলেণ্ডৰ ফেক্টৰি সমূহত প্ৰয়োজনীয় কেচাঁমাল যোগান ধৰা উদ্দেশ্যে। এই দৰে শোষণৰ নখ বঢ়াৰ লগে লগে উপনিবেশীয় প্ৰশাসন যন্ত্ৰৰ ব্যয় বৃদ্ধি পাবলৈ ধৰে। ব্যয় সংকোচনৰ উদ্দেশ্যে " মেকলে ' চাহাবৰ আদৰ্শত ভাৰতত প্ৰৱৰ্তন কৰা হয় উপনিবেশীয় শিক্ষা ব্যৱস্থা। এই শিক্ষা ব্যৱস্থাৰ সম্প্ৰসাৰণৰ লগত ভাৰতৰ সমাজ জীৱনৰ নতুন বিন্যাসে বিকাশ লাভ কৰে। জীৱনৰ এই আধুনিক বিন্যাস কিন্তু জাতি-ধৰ্ম নিৰ্বিশেষে সমাজৰ সকলো শ্ৰেণীৰ মানুহে সমানভাবে গ্ৰহণ কৰিব পৰা নাছিল। এইখিনিতে উল্লেখ কৰা ভাল হব যে ভাৰতীয় উচ্চ মুছলমান শ্ৰেণীটোৱে মুছলমান শাসনৰ প্ৰতি থকা " নষ্টালজিক " ধাৰণাৰ বাবে বৃটিছৰ শাসন সহজ ভাবে মানি লব পৰা নাছিল। সেয়ে পলাচী যুদ্ধৰ পৰা চিপাহী বিদ্ৰোহলৈকে বৃটিছ আৰু মুছলমানৰ মাজত বাহি-যোৰা অহা নাছিল। আন হাতে ভাৰতবৰ্ষত বৃটিছৰ শাসন হিন্দুৰ উচ্চজাত শ্ৰেণীটোৱে ভগৱান প্ৰদত্ত আশীৰ্বাদ বুলি নতশিৰে মানি লয় আৰু বৃটিছে প্ৰৱৰ্তন কৰা সকলো সা-সুবিধা গ্ৰহণ কৰিবলৈ তৎপৰ হৈ উঠে। এইদৰে ব্যৱসায় বাণিজ্য, শিক্ষা, চাকৰি জীৱনৰ বিভিন্ন বিশাল ক্ষেত্ৰত নতুন উৎসাহেৰে সু-প্ৰতিষ্ঠিত হবলৈ তেওঁলোক তৎপৰ হৈ উঠে। ফলস্বৰূপে হিন্দু আৰু মুছলমানৰ মাজত সামাজিক আৰু অৰ্থনৈতিক প্ৰতিপত্তিৰ ব্যৱধান অভাৱনীয় ভাবে বৃদ্ধি পাবলৈ ধৰে। " The different reaction of the Hindus and Muslims to English rule and English education profoundly affected the subsequent development of the two communities. " ( Social Ideas and social change in Bengal 1818-1835 A. F. Salahuddin Ahmed. P. 19 )।

হিন্দু আৰু মুছলমানৰ মাজৰ পাৰ্থক্য বেখাডাল তলৰ তালিকাখনে প্ৰমাণ কৰে। ১৮৫৮ চনৰ পৰা ১৮৭১ চনলৈকে কলিকতা বিশ্ববিদ্যালয়ে ১৭২০ জন ডিগ্ৰী-ধাৰী ( Graduates ) সৃষ্টি কৰে। তাৰে ভিতৰত মুছলমানৰ সংখ্যা আছিল মাত্ৰ ৩৮ জন। সেইদৰে চাকৰি বাকৰিৰ ক্ষেত্ৰতো মুছলমান শ্ৰেণীটোৰ পশ্চাদ্-গামিতা লক্ষণীয়। ১৮৭১ চনত থকা ২১১১ জন গেজেটেদ্ বিষয়াৰ ভিতৰত ইউৰোপীয়ৰ সংখ্যা আছিল ১৩৮১ জন, হিন্দুৰ সংখ্যা আছিল ৬৮১ জন আৰু মুছলমানৰ সংখ্যা মাত্ৰ ৯২ জন। অথচ ১৯০৫ চনৰ লোক পিয়ল অনুসাৰে পূৰ্ববঙ্গৰ মুছলমানৰ সংখ্যা আছিল শতকৰা ৬৫.৮৫ জন। তাৰোপৰি ভূমি ব্যৱস্থা বেপাৰ বাণিজ্য আদিত হিন্দুৰ উচ্চজাত শ্ৰেণীটো আছিল প্ৰভাৱশালী। বঙ্গদেশৰ জমিদাৰীৰ দহ ভাগৰ ন ভাগ আছিল হিন্দু জমিদাৰৰ হাতত। মণ্ডল কানন-গু আদি বিষয়াসকল আছিল হিন্দু। সকলো মহাজন আৰু কাৰবাৰীসকল আছিল হিন্দু। দুই সম্প্ৰদায়ৰ বিকাশৰ এই অসমতাৰ বাবে সাম্ৰাজ্যবাদী শাসন যে বহু পৰিমাণে দায়ী আছিল তাত অকণো সন্দেহ নাই। সেই সময়ৰ ভাৰতবৰ্ষৰ মুছলমান শ্ৰেণীটোৰ মনোবৈজ্ঞানিক গঠন প্ৰক্ৰিয়াক ( Psychological make-up ) দুটা ভাগত ভাগ কৰিব পাৰি। ১৮৪০ চনৰ পৰা ১৮৭০ চনলৈ প্ৰথম স্তৰ। দ্বিতীয় স্তৰ হ'ল ১৮৭১ চনৰ পৰা ১৮৯১ চনলৈ। প্ৰথম স্তৰত এক শ্ৰেণী মানুহৰ মাদ্ৰাছা শিক্ষাৰ প্ৰতি মোহভঙ্গ হয় আৰু বৃটিছ বিৰোধী মনোভাবৰ পৰিবৰ্তনৰ মৃদু বতাহ বলিবলৈ ধৰে। দ্বিতীয় স্তৰত

ব্ৰিটিছৰ লগত সহযোগিতাৰ আৰু সহ-ধৰ্মিতাৰ শুভ সূচনা হৈছিল হাণ্টাৰৰ ' Indian Musalmans ' নামৰ কিতাপখন প্ৰকাশৰ লগে লগে। এই দৰে অৰ্থ-নৈতিক আৰু ৰাজনৈতিক সা-সুবিধাৰ অসমতাই হিন্দু আৰু মুছলমানৰ মাজত সাম্প্ৰদায়িকতাৰ বীজ অংকুৰিত কৰে

কিন্তু উচ্চজাত মুছলমান শ্ৰেণীটোৱে ভৱিষ্যতৰ বৈষয়িক ছবি কল্পনা কৰি হিন্দুৰ দৰে নিজৰ সতি-সন্ততিক উপনিবেশীয় শিক্ষাত দীক্ষিত কৰিব বিচাৰিলে। এই দৰে হাণ্টাৰৰ গ্ৰন্থই উচ্চ মুছলমান শ্ৰেণীটোৰ মানসিকতাত প্ৰৱল ভাবে ক্ৰিয়া কৰে আৰু এই মানসিকতাৰ চুৰান্ত অভিব্যক্তি হ'ল ১৯৪৭ চনৰ ভাৰত বিভাজন। পৰৱৰ্তীকালত উপনিবেশীয় শিক্ষাৰ সজ্জিত হোৱা শ্ৰেণীটোৱে নিজৰ সামাজিক আৰু ৰাজ-নৈতিক অৱস্থান অক্ষুণ্ণ ৰাখিবলৈ ইছলামৰ সংহতি আৰু পবিত্ৰতাৰ নামত পিৰামিডৰ নিম্নস্তৰত চেপা খাই থকা মুছলমান শ্ৰেণীটোৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিবলৈ তৎপৰ হয়। এই প্ৰসঙ্গত স্মৰণীয় যে আধুনিক মতবাদ আৰু শিক্ষাৰ পৰশ নোপোৱা সমাজৰ সাধাৰণ মানুহ খিনিয়ে একক ব্যক্তি সত্বা হিচাপে জীৱন ধাৰণ কৰাৰ পৰিৱৰ্তে সাম্প্ৰদায়িক বা গোষ্ঠিবদ্ধ হিচাবে ক্ৰিয়াশীল হৈ থাকে। সমাজৰ সকলো সমস্যা আপোন বিচাৰ বুদ্ধিৰে উপলব্ধি-আলোকত বিচাৰ কৰিবলৈ অপাৰগ হয়। সেয়ে মুছলমান উচ্চ শ্ৰেণীটোৱে নিজ স্বাৰ্থৰ বাবে ধৰ্মীয় সংহতিৰ ধ্বনি তুলিছিল। ( এই ক্ষেত্ৰত হিন্দুৰ উচ্চ-জাত শ্ৰেণীটো বহুপৰিমাণে দায়ী )।

" By keeping hold on the lower class Muslims they tried to successfully compete with advanced Hindu Society so that they could realize more facilities from the government. " ( Roots of Separatism in nineteenth century Bengal " by Amalandu De P. 30 )।

এই প্ৰসঙ্গত আমি আলিগড় আন্দোলনৰ প্ৰৱক্তা ছাৰ চৈয়দ আহমেদৰ নাম উল্লেখ কৰিব পাৰো। সেই বুলি আলিগড় আন্দোলনটি বৃটিছ পৃষ্ঠপোষকতাত গঢ়ি উঠিলেও কংগ্ৰেছৰ প্ৰতিবাদী অনুষ্ঠান বুলি ধৰি ললে ঐতিহাসিক সত্যৰ অপলাপ কৰা হব। চৰকাৰী ভাবে ইছলামৰ তথাকথিত Fanaticism and Anti-foreign mentality বহুদিনৰ পৰা বৃটিছে গভীৰ উৎকণ্ঠাৰে লক্ষ্য কৰি আহিছিল। গতিকে সেই ধাৰণাৰ পৰিবৰ্তন কৰাটো কৌশলী সাম্ৰাজ্যবাদীৰ স্বাভাৱিক প্ৰক্ৰিয়া আছিল। ফলত বৃটিছৰ যুগত সাম্প্ৰদায়িকতাৰ বিষ বাষ্পই সামাজিক আৰু ৰাজনৈতিক জীৱন ছানি ধৰিলে। এই ক্ষেত্ৰত হিন্দুৰ শিক্ষিত শ্ৰেণীটোৰ ভূমিকা মুছলমানৰ বাবে সন্দেহজনক আছিল। পশ্চিমীয়া গণতান্ত্ৰিক ধাৰণাৰে পৰিপুষ্ট হৈ কলিকতাক কেন্দ্ৰ কৰি তেওঁলোকে তথাকথিত নৱ-জাগৰণৰ সৃষ্টি কৰিলেও তাৰ প্ৰভাৱ আছিল সীমিত। নৱ-জাগৰণৰ প্ৰভাৱত তেওঁলোকে বৈদিক ধ্যান-ধাৰণা সংস্কৃতি আৰু ঐতিহ্যৰ প্ৰতি ধাউতি প্ৰদৰ্শন কৰিলেও ভাৰতীয় কৃষি ব্যৱস্থা আৰু জমিদাৰৰ হাতত নিষ্পেষিত হোৱা হিন্দু আৰু মুছলমান ৰায়তৰ সমস্যাৰ প্ৰতি তেওঁলোক আছিল চৰম উদাসীন। তাৰোপৰি সাধাৰণ মানুহখিনিৰ শিক্ষা-দীক্ষাৰ প্ৰতি তেওঁলোকে চকু দিয়া নাছিল। তাৰ ফলত সামাজিক অৰ্থনৈতিক পৰিৱেশৰ মাজতে লালিত-পালিত হোৱা ধৰ্মীয় সত্বই বিপথগামী হবৰ সুবিধা পালে আৰু ভাৰতৰ দুই সম্প্ৰদায়ৰ বিবাদৰ বীজ ধৰ্মীয় পলসুৱা মাটিত অংকুৰিত হ'ল। এইদৰে হিন্দুৰ অগ্ৰসৰ-পদক্ষেপ আৰু মুছলমানৰ পশ্চাদ-গামীতাই সৃষ্টি কৰিলে সাম্প্ৰদায়িকতাৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক বুনিয়াদ। এই বুনিয়াদৰ ওপৰত ভিত্তি কৰি ভাৰতবৰ্ষৰ ইতিহাস নিয়ন্ত্ৰিত হবলৈ ধৰে।

১৮৮৫ চনৰ ইংৰাজ চিভিলিয়ান এল্যান এক্টেভিয়ান, হিউমৰ অনুপ্ৰেৰণা আৰু উৎসাহত ভাৰতীয় শিক্ষিত মধ্যবিত্ত শ্ৰেণীটোৱে গঢ়ি তোলে ভাৰতীয় জাতীয় কংগ্ৰেছ। এই অনুষ্ঠানটোৰ গঠনত বৰলাটে হিয়া ভৰা আশীৰ্বাদ দিছিল। কাৰণ সাম্ৰাজ্য-বাদী আৰু মহাজন শ্ৰেণীৰ নিৰ্মম শোষণৰ বলি কৃষকে যাতে অসন্তুষ্ট মধ্যবিত্ত নিবনুৱা শ্ৰেণীটোৰ লগত আত্মীয়তা গঢ়ি তুলিব নোৱাৰে।

" The formation of the National

Congress represented from the view point of the govt. an attempt to defeat or rather forestall an impending revolution " ।

কিন্তু বৃটিছ আবু কংগ্ৰেছৰ মাজত চলা মিতিৰালি বেছি দিন স্থায়ী নহ'ল । ভাৰতীয় ৰাজনৈতিক মঞ্চত উপস্থিত হয় ইংৰাজ আবু কংগ্ৰেছৰ মাজত সংঘাত । ১৯০৫ চনত আহিল বংগ বিভাজনৰ উত্তাল তৰঙ্গ । এই স্বদেশী যুগৰ প্ৰভাৱত হিন্দুৰ শিক্ষিত মধ্যবিত্ত শ্ৰেণীটোৱে নিজস্ব—" Identity " ৰ অনুসন্ধানত ব্যস্ত হৈ পৰে । বৈদিক ধ্যান ধাৰণাৰ মাজেৰে নিজৰ Identity দাঙি ধৰিবলৈ চেষ্টা কৰে । সেয়ে বিংশ শতাব্দীৰ প্ৰথম ভাগত ভাৰতীয় জাতীয়তাবাদক Hindu oriented Nationalism বুলি কোৱা হয় । এই তত্ত্বৰ প্ৰৱক্তা আছিল বিপিন চন্দ্ৰ, তিলক আবু অৰবিন্দ । সাধাৰণ মানুহখিনিক সাম্ৰাজ্যবাদী বিৰোধী কৰি জাতীয় আন্দোলনৰ লগত জড়িত কৰাৰ উদ্দেশ্যে তেওঁলোকে বৈদিক ধ্যান ধাৰণাৰ ওপৰত আশ্ৰয় গ্ৰহণ কৰিবলৈ বাধ্য হৈছিল । কিন্তু এই আঁচনি বহু পৰিমাণে সফল হলেও নষ্ট হৈ আহিব ধৰা জাতীয় সংহতি আবু সাম্প্ৰদায়িক সম্ভাৱ ইয়াৰ ফলত ক্ষতিগ্ৰস্ত হবলৈ ধৰে । হিন্দুৰ বৈদিক ধ্যান ধাৰণাৰ প্ৰচাৰ, কালীৰ ব্যাপক পূজা, হিন্দুমেলা আবু শিৱাজী,—ৰাণা-প্ৰতাপ আদিৰ বীৰ পূজাই মুছলমান সম্প্ৰদায়ৰ মাজত বিৰূপ প্ৰতিক্ৰিয়াৰ সূচনা কৰিলে ।

" This stress on Hindu identity acted in its turn and perhaps unwillingly, as a force of alienation. In particular it alienated the Muslim intelligentsia " ( " Renaissance in Bengal : Search for identity. " By A. Poddar P. 34. )"

হিন্দু সকলে এইদৰে স্বদেশ প্ৰীতি আবু স্বধৰ্মৰ মাজত থকা পাৰ্থক্যৰ সীমাৰেখাডাল অস্পষ্ট কৰি তোলে । এই ধৰ্মীয় আবু সাম্প্ৰদায়িক মনোভঙ্গীয়ে পৰৱৰ্তী কালৰ জাতীয় আন্দোলনক বেয়াকৈ ক্ষতিগ্ৰস্ত কৰে । আনহাতে উচ্চজাতৰ মুছলমান শ্ৰেণীটোৰ স্বধৰ্ম প্ৰেমৰ আতিশয্যত স্বদেশ প্ৰেম নিষ্প্ৰভ হৈ পৰা বুলি কলে ভুল কৰা নহব । বৃহত্তৰ ভাৰতৰ বাসিন্দা হৈয়ো তেওঁলোকে ঐতিহ্যৰ অনুসন্ধান কৰিছিল ইৰাণ, আৰব আবু তুৰস্কত । এইদৰে জাতীয়তাবাদৰ গঠনত প্ৰাৰম্ভিক কালত দুয়োটা সম্প্ৰদায়ে দেশৰ মাটিৰ পৰা খাঁটি ঐতিহ্য আহৰণ কৰি প্ৰকৃত জাতীয়তাবাদৰ মৌচাক গঢ় তুলিবলৈ ব্যৰ্থ হৈছিল ।

" Hence the personlity of the elite remained largely self-divided and inconsistent and their efforts to regain full possession of their identity as Indians ran deplorably short of acnievement. " ( Do P. 33 )

এইদৰে জাতীয় আন্দোলনে দীঘলীয়া পথ অতিক্ৰম কৰাত সুস্থ আবু অসুস্থ প্ৰৱণতাৰ সৃষ্টি কৰি ভাৰতীয় মানুহক বিভ্ৰান্ত কৰিছিল । যি সময়ত ভাৰতীয় মানুহে জাতীয়তাবাদৰ পথেৰে ৰাজপথলৈ আগুৱাই আহিছিল তেতিয়া পৰিবৰ্ধমান জাতীয় অনুভূতিৰ লগত ধৰ্মাশ্ৰিত জাতীয়তাবাদৰ ব্যাখ্যাৰ সংমিশ্ৰণ হৈছিল । সেই সময়তে সাম্ৰাজ্যবাদীয়ে " Divide and rule " প্ৰয়োগ কৰি নিজৰ স্বাৰ্থ অক্ষুন্ন ৰখাৰ বাবে সক্ৰিয় হৈ উঠে । ফলশ্ৰুতিত ১৯০৬ চনত আগাখাৰ নেতৃত্বত মুছলমানৰ এদল প্ৰতিনিধি সাম্প্ৰদায়িক দাবী তুলি বৰলাটক দেখা কৰে আবু এই প্ৰতিনিধি দলৰ নেতৃত্বত গঢ় উঠে ভাৰতীয় মুছলিম লীগ । এই দৰে বিংশ শতাব্দীৰ আৰম্ভণিত হিন্দু-মুছলমানৰ সাম্প্ৰদায়িক বিবাদে ভাৰতীয় ৰাজনীতি কলুষিত কৰি তোলে । আচলতে এই সাম্প্ৰদায়িকতাৰ সৃষ্টি আবু বিকাশ হৈছিল হিন্দু আবু মুছলমানৰ সামাজিক, অৰ্থনৈতিক আবু ৰাজনৈতিক অসমতাৰ ফলত ।

" Communalism was mainly the result of the peculiar development of the Indian social econony under the British rule, of the uneven economic and cultural development of different communities, and of the action of the strategy both of the British government and the vested interests within those communities." ( ' Social background of Indian Nationalism.' By—A. R. Desai. P. 393. ∵

# ঃ আহোম যুগৰ এটি দিশ-সাহিত্য ঃ

শ্ৰীঅতুল চন্দ্ৰ দাস
উঃ মাঃ ২য় বাৰ্ষিক ( কলা )

অহোম সকলে "চুকাফা" নামৰ এজন পৰাক্ৰমী নেতাৰ নেতৃত্বত দুৰ্লংঘ পাটকাই পৰ্বত পাৰ হৈ আহি অসমত আহোম" ৰাজ্য প্ৰতিস্থা কৰি ১২২৮ খৃঃৰ পৰা ১৮২৬ খৃঃ লৈকে বিৰতিহীন ভাৱে প্ৰায় ছয়শ বছৰ অসম দেশখনক শাসন কৰিছিল। তেওঁলোকে শাসন কৰা এই দীঘলীয়া সময়ছোৱাত অসমে নানা দুৰ্যোগ, বিপৰ্যয়, ঘাট-প্ৰতিঘাত, সন্ধি-বিগ্ৰহ, জয় পৰাজয়, বিনিময় সংগ্ৰহ আদিৰ সন্মুখীন হব লগা হৈছিল। শ্ৰীলীলা গগৈয়ে কৈছে,—"চুটিয়া, বৰাহী, কছাৰী, মৰান, ভূঞা আদি বিভিন্ন জনগোষ্ঠীৰ হাতত খণ্ড-বিখণ্ড হৈ থকা লুইতৰ দুয়োপাৰ "অসম" নামৰ এখনি ৰাজ্যত পৰিণত হ'ল আৰু তাতোকৈয়ো টুকুৰা-টুকুৰ হৈ থকা জাতি-জনজাতি, উপজাতি মিলি "অসমীয়া" নামৰ এটা নতুন জাতিলৈ উন্নীত হ'ল। আহোম যুগৰ সংস্কৃতি মানেই নাক-কাণ কাটি আঠু ঘিলা কঢ়া বুলি অনেকৰ মাজত বদ্ধমূল ধাৰণা আছে। কিন্তু এই মানুহবোৰৰে গুণগ্ৰাহিতা সহিষ্ণুতা আৰু সৌন্দৰ্য প্ৰীতিয়ে অসমৰ সংস্কৃতিৰ বুৰঞ্জীৰ কবটি শিলত এটি স্বৰ্ণ-ৰেখা অংকণ কৰি থৈ গ'ল।"

আহোমসকল বিখ্যাত টাই জাতিৰ এটি অংশ। টাইসকল আছিল শ্যান-চীন ভাষা গোষ্ঠীৰ মানুহ। এওঁলোকে চীন দেশত বিশাল চীনা সংস্কৃতিৰ ভেটি প্ৰতিস্থা কৰিছিল। আহোমসকলে অসমলৈ আহোতে তেওঁলোকৰ নিজা ভাষা, সংস্কৃতি, ধৰ্ম, আচাৰ-ব্যৱহাৰ আদি লৈ আহিছিল আৰু কিছুদিন তাকে সাৱঁতি আছিল। কিন্তু, কালক্ৰমে নিজৰ ৰাজ্যৰ ভেটি সুদৃঢ় কৰৰৰ বাবে হওঁক বা আন কাৰণতে হওঁক বা নিজৰ জনপ্ৰিয়তা অৰ্জন কৰিবৰ বাবে হওঁক তেওঁলোকে নিজ নিজ সংস্কৃতি এৰি অসমৰ থলুৱা ভাষা সংস্কৃতি, গ্ৰহন কৰিবলৈ ধৰে। তেওঁলোকে অসমলৈ আহোতে যথেষ্ঠ কম সংখ্যক তিৰোতা মানুহ অনাৰ ফলস্বৰূপে অসমলৈ আহি তেওঁলোকে বিভিন্ন জন-গোষ্ঠীৰ মাজত বিয়া-বাবুৰ সম্বন্ধ স্থাপন কৰিব লগা হৈছিল। মৰান, বৰাহী, চুটিয়া, কছাৰী, নগা, মিৰি, গাৰো, বামুণ, ভূঞা, কায়স্থ, কলিতা আদি বিভিন্ন জাতিৰ লগত বিভিন্ন সম্বন্ধ স্থাপন কৰি আহোমসকলে মনৰ ভাৱ আদান প্ৰদানৰ লগতে সাংস্কৃতিক বিনিময় কৰিছিল। তেওঁলোকে পদ মৰ্যদা অনুসাৰে বিভিন্ন জন গোষ্ঠীৰ মানুহ আনি বজা ঘৰীয়া বিষয় বাব দি নিজৰ ফলীয়া কৰি লৈছিল। শ্ৰীলীলা গগৈয়ে কৈছে ঃ"যদিও সময়ত বিশেষকৈ মোৱামৰীয়া বিদ্ৰোহৰ পিছত সাম্প্ৰদায়িক ভেদ ভাৱ জাগি উঠিছিল, কিন্তু তাৰ আগতে পঞ্চদশ-ষোড়শ শতিকাৰ পৰা বজা-ঘৰীয়া উদাৰতাৰ বাবে জাতিগত ভেদভাৱ পাহৰি "এটাজাতি" এই আদৰ্শত উদ্বুদ্ধ হৈছিল আৰু সিয়ে 'অসম' আৰু 'অসমীয়া' শব্দৰ মূল ভেটি।" জাতিগত সমন্বয়ে সদায়ে সংস্কৃতিৰ বিকাশত যাদু মন্ত্ৰৰ দৰে কাম

কৰে। অসমতো আহোম যুগত সিয়ে ঘটিল। শাসক দলে পাহাৰিলে নিজৰ সংস্কৃতিক অহংমিকা আৰু শাসিতে পহৰিলে যে এটা বহিৰাগত শক্তিয়ে লাহে লাহে আটাইৰে সংস্কৃতিৰ সান-মিহলি কৰি এটা পকা মিঠৈ পাতিছে। আহোমসকলে অসমৰ বিভিন্ন ঠাইত সিঁচৰিত হৈ থকা বিভিন্ন জাতি, জনজাতি, উপজাতি মিলি এটা জাতিত পৰিণত হৈছিল আৰু এই জাতি জনজাতি-উপজাতি সমূহৰ নিজা নিজা সাংস্কৃতিক উপাদানৰ সান-মিহলিহে যৌগিক অসমীয়া সংস্কৃতিৰ জন্ম দিছিল।

## — সাহিত্য —

শ্ৰীলীলা গগৈয়ে কৈছে : "আহোম যুগত অসমীয়া সাহিত্যৰ বুৰঞ্জীয়ে পুৰণি অসমীয়া সাহিত্যৰ সমগ্ৰ বুৰঞ্জীকে সামৰি আছে। এই যুগৰ সাহিত্যক দুটা ভাগত ভাগ কৰিব পাৰি—সত্ৰীয়া ঐতিহ্যৰ সাহিত্য আৰু ৰজা ঘৰীয়া পৃষ্ঠপোষকতাত সৃষ্টি হোৱা সাহিত্য প্ৰথম বিধ সাহিত্য মূলত : ধৰ্ম মূলক আৰু আহোম ৰজা সকলৰ দেৱত্বোৰ ব্ৰহ্মত্বোৰ লাভ কৰা সত্ৰবোৰতে এই শ্ৰেনী সাহিত্যই জন্ম লাভ কৰে। এই সাহিত্য সমূহ সাধাৰণতে পুৰণি কাব্য, মহাকাব্য, তত্ত্বগধুৰ গ্ৰন্থ আৰু কিছুমান সংস্কৃত মহাপুথিৰ অংশ বিশেষ বা সম্পুৰ্ণ মুৰ্কালি অনুবাদ, ভাৱানুবাদ বা ছায়ামায়া অনুবাদ। আনহাতে দ্বিতীয়বিধ সাহিত্য ঘাইকৈ বুৰঞ্জী, ধৰ্মনিৰপেক্ষ ব্যৱহাৰিক সাহিত্য আৰু শাস্ত্ৰ সাহিত্য আদি। এইবিধ সাহিত্য সৃষ্টিৰ মূলতঃ ৰজাঘৰীয়া পৃষ্ঠপোষকতা।

আহোম সকলৰ বিশাল সাহিত্য সম্ভাৰ সম্পৰ্কে আলোচনা কৰিলে প্ৰথমেই আহোম সকলে প্ৰণয়ন কৰা "বুৰঞ্জী" সাহিত্যৰ কথাকেই কব লাগিব। "বুৰঞ্জী" শব্দটো আহোম ভাষাৰ পৰা আহিছে। ইয়াৰ অৰ্থ হৈছে : "বু" মানে মুৰ্খ বা নজনা "ৰণ" মানে জনা / জ্ঞান বা শিক্ষা আৰু "জী" মানে ভৰাল ; অৰ্থাৎ নজনা কথা জনাৰ ভৰাল। আহোমসকলে অসমত ঘটা সমসাময়িক ঘটনা, ৰজা-মহাৰাজা, ডা-ডাঙৰীয়া, যুদ্ধ বিগ্ৰহ আদি ঘটনা, ৰজা-মহাৰজা, ডা-ডাঙৰীয়া, যুদ্ধ-বিগ্ৰহ আদি কথাবোৰ লিপিবদ্ধ কৰি ৰাখিছিল। এনে লিপিবদ্ধ বুৰঞ্জী সাহিত্য ভাৰতৰ আন প্ৰাদেশিক ভাষাৰ বুৰঞ্জীৰ ভিতৰত অন্যতম বুলি কলেও বঢ়াই কোৱা নহয়। অসমীয়া বুৰঞ্জী সাহিত্যৰ বিষয়ে ভাষাতত্ত্ববিদ ডঃ গ্ৰীয়েৰ্চন চাহাবে কৈছে : The Assamese are justly proud of their national literature. In no department have they been more successful than in a branch of Study in which India, as a rule, is curiously deficient. The historical works or Buranjis numerous and voluminous. A knowledge of the Buranjis was an indispensable qualification to an Assamese gentleman. ছ'শ বছৰীয়া আহোম শাসন কালত কেবাশ বুৰঞ্জী ৰচনা কৰা হৈছিল। কিন্তু পৰিতাপৰ বিষয় আহোমসকলৰ বুৰঞ্জী সাহিত্য সমূহৰ ক্ষেত্ৰত বৈজ্ঞানিক দৃষ্টি ভঙ্গীৰ দ্বাৰা প্ৰনালীবদ্ধ অধ্যয়ন খুব কমেই হোৱা দেখা যায়।

বুৰঞ্জী সাহিত্যৰ বাহিৰেও আহোম যুগত বহুতো সাহিত্য ৰচিত হৈছে। সাহিত্য ৰচনাৰ ক্ষেত্ৰত প্ৰথমে স্বৰ্গদেউ জয়ধ্বজ সিংহৰ নাম ল'ব লাগিব। তেওঁ 'পদ্মপুৰাণ'ৰ জনকৰ আখ্যানৰ পদ ৰচনা কৰে। তাৰোপৰি তেওঁ কিছু গীত-পদ-পয়াৰ ৰচনা কৰে। তেওঁৰ ৰচনা সাৱলীল, প্ৰাণস্পৰ্শী আৰু বোধগম্য। উদাহৰণ স্বৰূপে, সীতাক ৰাৱণে হৰণ কৰি নিয়াৰ পিচত ৰামৰ মনৰ ব্যাকুলতা জয়ধ্বজ সিংহই সাহিত্য সম্ভাৰেৰে জন সাধাৰণৰ বুজাত সহজ-লব্ধ কৰি তুলিছে—

ঐ প্ৰানেশ্বৰী জনক নন্দিনী
তোক হেৰুৱাইলো মোৰে।
ইটো বিজুবনে প্ৰাণ ধৰো কেনে
না দেখি বদন তোৰে ॥
ৰাজ্য ভৈল নাশ বনে হৈল বাস
তোক পাহৰিবো কেনে।
মোৰে প্ৰানেশ্বৰী পৰে নিলে হৰি

জীৱন ধৰিব কেনে ॥
নাপাইলো হাৰ হৃদয়ে আমাৰ
অন্তৰ দেখিয়া তোৰে ।
আগে সিন্ধুৰাজ মধ্যত সুন্দৰী
বিৰহ দগধ মোৰে ॥
এহি বুলি তাপে কৰয় বিলাপ
সীতাৰ বিয়োগ পাই ।
ৰামৰ চৰণে ভাবি একমনে
জয়ধ্বজ সিংহে গায় ॥ — ( গীত )

জয়ধ্বজ সিংহৰ ৰাজত্ব কালৰ পৰা অসমত আহোম ৰবি মাৰ নোযোৱালৈকে স্বৰ্গদেউসকলৰ পৃষ্ঠপোষকতা পাই বিভিন্ন পণ্ডিতে বহুতো সাহিত্যৰ সৃষ্টি কৰি গৈছে । তাৰ ভিতৰত প্ৰথমে ৰামানন্দ দ্বিজৰ ( ১৭ শ শতিকা ) নাম ল'ব লাগিব । তেওঁ আহোম স্বৰ্গদেউসকলৰ পৃষ্ঠপোষকতা লাভ কৰি কিছু সাহিত্যৰ সৃষ্টি কৰি গৈছে । তেওঁৰ ৰচিত সাহিত্য কৃতি হ'ল ঃ ৬৮ টা শাস্ত্ৰীয় গীত, প্ৰেম কলহৰ নাটৰ গীত, শংকৰ-মাধৱদেৱৰ ৰচিত ভীষ্ম পৰ্ব, হিতোপদেশ, পুতলা চৰিত, মহা-মোহ কাব্য ( আংশিক ) গোপাল দেৱ চৰিত । ' মহামোহকাব্য'ত কবিয়ে কৈছে যে পৃথিৱীৰ মানুহ মায়াৰ বন্দি ; ভাৰ্য্যা, পুত্ৰ-কন্যা, ধন ঐশ্বৰ্য, মান-যশ এই আটাইবোৰ মায়াৰ ছলনা । এই মায়াৰ ছলনাত পৰি মানুহে বহুতো যাতনা ভুঞ্জে । মানুহৰ এনে যাতনা দেখি মায়াই কুটিল হাঁহি মাৰে ঃ

এহিমতে মায়া পাতয় জঞ্জাল
বিবেক পুৰত যাই ।
o o o o o o
বিয়োগৰ শোকে পুৰি মৰে লোকে
দেখি মায়া কৰে হাস ॥

সেইদৰে তেওঁৰ শাস্ত্ৰীয় গীত পদ সমূহও জন সাধাৰণৰ মুখপাঠ্য । ৰামানন্দ দ্বিজ কবিৰ সমসাময়িক ৰামমিশ্ৰ দেৱেও ' বৃন্দাবন চৰিত ' নামৰ এখনি চৰিত পুথি ৰচনা কৰিছে । স্বৰ্গদেউ গদাধৰ সিংহইও সাহিত্য ৰচনাৰ ক্ষেত্ৰত পৃষ্ঠপোষকতা আগবঢ়াইছিল । তেওঁৰ ৰাজত্ব কালত ৰামচন্দ্ৰ বৰপাত্ৰ গোহাঁইয়ে যোগিনী তন্ত্ৰৰ বিষয় বস্তুলৈ কীৰ্ত্তনৰ ঠাঁচত ' হয়গ্ৰীৱ মাধৱ ' ৰচনা কৰে ।

স্বৰ্গদেউ ৰুদ্ৰসিংহ নিজে এজন বিদ্যোৎসাহী, বিলাসী শাসন কৰ্ত্তা আছিল । অসমৰ স্থাপত্য, ভাস্কৰ্য, সাহিত্য সংগীতকলা আদি সকলো দিশতে তেওঁৰ অৱদান অতুলনীয় । এইজনা স্বৰ্গদেউৰ পৃষ্ঠপোষকতাত থাকিয়েই ৰামনাৰায়ণ কবিৰাজ চক্ৰৱৰ্ত্তীয়ে জয়দেৱৰ " গীত-গোবিন্দ "ৰ অসমীয়া ভাঙণি কৰে । আকৌ স্বৰ্গদেউৰ আদেশক্ৰমে তেওঁ " ভাস্বতী " নামৰ জ্যোতিষ পুথি ৰচনা কৰে ।

স্বৰ্গদেউ ৰুদ্ৰসিংহৰ মৃত্যুৰ পিছত কবিৰাজ চক্ৰৱৰ্ত্তী স্বৰ্গদেউ শিৱসিংহৰ ৰাজদৰবাৰৰ পূৰ্ণ পোষকতা পায় । শিৱসিংহ আৰু বৰৰাণী ফুলেশ্বৰী কুঁৱৰীৰ পৃষ্ঠপোষকতাত তেওঁ " শকুন্তলা কাব্য " " শংখচূড় বধ" ব্ৰহ্মবৈবৰ্ত্ত পুৰাণৰ " কৃষ্ণ জন্ম খণ্ড" ৰচনা কৰে । " কৃষ্ণ জন্ম খণ্ড " পুথিখনৰ শেষৰফালে বৃন্দাবনত শ্ৰীকৃষ্ণ গোপীৰ ক্ৰীড়া বৰ্ণনা কৰা আছে । ' শংখচূড় ' বধ কাব্যত কাহিনীৰ অৰ্থব্যঞ্জক ৰঙীন ছবি পোৱা যায় ।

স্বৰ্গদেউ শিৱসিংহ, বৰৰাণী ফুলেশ্বৰী কুঁৱৰী আৰু অম্বিকাৰ পৃষ্ঠপোষকতাত কবিৰাজ চক্ৰৱৰ্তীৰ উপৰিও আন কেবাজনো পণ্ডিতে কিছু মূল্যবান সাহিত্য ৰচনা কৰে । সেই সকলৰ ভিতৰত সুকুমাৰ বৰকায়স্থৰ " হস্তীবিদ্যাৰ্ণৱ " অনন্ত আচাৰ্যৰ " আনন্দ লহৰী " ৰমানন্দ দ্বিজৰ " বৃহৎ উষাহৰণ " আৰু কবিচন্দ্ৰ দ্বিজৰ " ধৰ্ম পুৰাণ " ।

১৭৩৪ খৃঃ ত ৰচনা কৰা সুকুমাৰ বৰকায়স্থৰ " হস্তীবিদ্যাৰ্ণৱ " খন এখন সচিত্ৰ পুথি । এই পুথি খনত নানা ৰকমৰ হাতী, সিহঁতৰ স্বভাৱ, বেমাৰী আৰু তাৰ ঔষধ আদিৰ বিষয়ে উল্লেখ আছে । এই পুথিখনৰ বিষয়ে অসমৰ ভূতপূৰ্ব চিফ কমিচনাৰ চাৰ আৰ্চডেল আৰ্ল চাহাবে কৈছিল ঃ " হস্তী-বিদ্যাৰ্ণৱ নামৰ সচিত্ৰ পুথিখনে ইউৰোপৰ যি কোনো যাদুৰ বা পুথিভঁৰালতে সমাদৰ লাভ কৰিব ।" এনে ধৰণৰ চিকিৎসা শাস্ত্ৰ

আন এখন আবিষ্কাৰ হৈছে। শেন চৰাইৰ শিক্ষা আৰু ইয়াৰ বেমাৰ আজাৰৰ চিকিৎসা সম্পৰ্কে লিখা এই পুথিখন হৈছে "শেনৰ ব্যাধি।"

স্বৰ্গদেউ শিৱসিংহ আৰু তেওঁৰ উত্তৰাধিকাৰী সকলৰ ৰাজত্ব কালত বহুতো পুথি ৰচিত হৈছে। তাৰ ভিতৰত ভোলানাথ দ্বিজৰ "শল্যপৰ্ব," দ্বিজ ৰামানন্দৰ "উদ্যোগপৰ্ব" দুৰ্গেশ্বৰ দ্বিজৰ "ব্ৰহ্মবৈৱৰ্ত্তৰ" প্ৰকৃতি খণ্ড," বুঢ়িনাথ কন্দলিৰ "চণ্ডীপদ" আৰু "কল্কিপুৰাণ" লক্ষ্মীনাথ দ্বিজৰ "শান্তিপৰ্ব," বিদ্যাচন্দ্ৰ কবি শেখৰ ভট্টাচাৰ্য্যৰ "হৰিবংশ কথা" আৰু কবি দ্বিজ গোস্বামীৰ "কাব্য শাস্ত্ৰ" ৰচিত হয়। স্বৰ্গদেউ ৰাজেশ্বৰ সিংহইও সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত অধিক পৃষ্ঠপোষকতা আগবঢ়াই। তেওঁ নিজে ৰজা হৈও দেশীয় ভাষাত "কীচক বধ" নামৰ নাটক এখন ৰচনা কৰে বুলি কোৱা হয়।

অসমৰ ৰাজনীতি, অৰ্থনীতি, সমাজনীতি, ভাষা সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰত মোৱামৰীয়া বিদ্ৰোহ আৰু মানৰ আক্ৰমন বুকুৰ ওপৰত পৰা বৰশিল। মোৱামৰীয়া বিদ্ৰোহ, মানৰ আক্ৰমণ আহোমসকলৰ ৰাজনৈতিক বিপৰ্যয়ৰ দিন। এই বিপৰ্যয়ৰ বা ভাষা সাহিত্যৰ গাটো লাগিছিল। ফলস্বৰূপে ভাষা সাহিত্য বিকাশৰ ক্ষেত্ৰটো বিপৰ্যয় আহি পৰিছিল তথাপি নানা বিপৰ্যয়ৰ মাজেৰে হলেও এই সময়ছোৱাত বাগীশৰ "নীতি-লতাংকুৰ," পৃথুৰাজ দ্বিজৰ "মুষলপৰ্ব," মহাপ্ৰাস্থনিক পৰ্ব" আৰু স্বৰ্গাৰোহন পৰ্ব (১৮০১) ৰচিত হয়।

এই কালছোৱাৰ ভিতৰত ভৱকান্ত বিপ্ৰৰ "সম্বৰাসুৰ বধ", লক্ষ্মীকান্ত দাসৰ "কুমাৰ হৰণ", ধৰ্মদেৱ ভট্টৰ "ধৰ্মোদয়," বিদ্যাকাঞ্চন কবিৰ "শ্ৰীকৃষ্ণ প্ৰয়ান," কবি চন্দ্ৰ বিপ্ৰৰ "কামকুমাৰ হৰণ" গোবি কান্ত দ্বিজৰ "বিঘ্নেশ-জন্মোদয়" দীনথান দ্বিজৰ শংখচূড় বধ," শ্ৰীকান্ত সূৰ্য্য বিপ্ৰৰ "ৰামচৰিত মানস" আদি পুথি ৰচিত হয়।

আহোম যুগত ৰচিত তন্ত্ৰ-মন্ত্ৰ আৰু গাঁৱলীয়া বেজবোৰে ব্যৱহাৰ কৰা নানা ৰকমৰ পুথিও আবিস্কৃত হৈছে। এনে ধৰণৰ উল্লেখযোগ্য পুথি কেইখনমান হ'ল সাপৰ ধৰণীধৰা মন্ত্ৰ, কঁৰতি মন্ত্ৰ, সৰ্বধাক মন্ত্ৰ, কামৰত্ন তন্ত্ৰ, ভূতৰ মন্ত্ৰ, ক্ষেত্ৰ মন্ত্ৰ আদি। সমাজত প্ৰচলিত অন্ধ বিশ্বাস, জনবিশ্বাস আৰু সামাজিক বুৰঞ্জী হিচাবে এই মন্ত্ৰবোৰ দৰকাৰী আৰু আমোদজনক।

মুঠতে আহোম যুগত অসমীয়া সাহিত্যৰ ভালেখিনি চিন্তা-চৰ্চা হৈছিল। এই যুগৰ সাহিত্যিক সকলে বিভিন্ন কাব্য, মহাকাব্য, নানা ধৰণৰ সংস্কৃত পুথিৰ পৰা বছা-বছা আহিলা গোটাই অসমীয়া সাহিত্য সংস্কৃতিৰ ভঁৰাল চহকী কৰিছিল। এই যুগৰ সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত ব্ৰাহ্মন সকলৰ অৱদান আছিল সৰ্বাধিক। তেওঁলোকৰ হাতত সংস্কৃত ভাষা সাহিত্যৰ বিস্তৰ চৰ্চা হৈছিল। কিন্তু বৰ পৰিতাপৰ বিষয়, ইংৰাজ সকলৰ আগমনৰ লগে লগে সংস্কৃত পুথি অনাদৰত পৰি নষ্ট হয়। সেইবোৰ যিয়েই নহওঁক, পৰিমাণ আৰু গুণ উভয়দিশ পৰ্যবেক্ষণ কৰি কব লাগিব যে আহোম যুগৰ অসমীয়া সাহিত্যৰ বৰঙণি সঁচাকৈ উচ্চমানৰ ঃ

---

বিঃ দ্রঃ— উক্ত প্ৰবন্ধটো যুগুত কৰোতে তলত উল্লেখিত গ্ৰন্থ সমূহৰ সহায় লোৱা হৈছে।


১। আহোম জাতি আৰু অসমীয়া সংস্কৃতি ঃ শ্ৰীলীলা গগৈ।
২। অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত ঃ ডঃ শ্ৰীসত্যেন্দ্ৰ নাথ শৰ্মা।
৩। সঞ্চয়ন ঃ সম্পাদক, ডঃ মহেশ্বৰ নেওগ।
৪। বুৰঞ্জীৰ প্ৰবাহ ঃ মৃদুপৱণ গোস্বামী।
৫। অসম দেশৰ বুৰঞ্জী ঃ শ্ৰীলক্ষ্মী দেৱী।
৬। অসমীয়া নাট্য সাহিত্য ঃ ডঃ শ্ৰীসত্যেন্দ্ৰ নাথ শৰ্মা।
৭। অসম দেশৰ বুৰঞ্জী ঃ প্ৰভাত চন্দ্ৰ শৰ্মা।
৮। বুৰঞ্জী বীথিকা ঃ সদানন্দ চলিহা।

# অসমীয়া অঙ্কীয়া নাটৰ সূত্ৰধাৰ আৰু পুৰণি গ্ৰীক নাটকৰ ক'ৰাছৰ বৈশিষ্ট্য

মিচ মায়াবাণী বড়ো
১ম বাৰ্ষিক, উচ্চতৰ মাধ্যমিক ( কলা )

পুৰণি অঙ্কীয়া নাটসমূহ সংস্কৃত নাটকৰ আলমত লিখা হৈছিল যদিও ইয়াৰ এটা নিজস্ব বৈশিষ্ট্য আছে। এই নাটসমূহ ৰচনাৰ ক্ষেত্ৰত সংস্কৃত নাটকৰ প্ৰভাৱৰ উপৰিও ভালেমান থলুৱা প্ৰভাৱো আছে। পুৰণি কালত অসমত ওজাপালিৰ যথেষ্ট প্ৰচলন আছিল। ডক্টৰ মহেশ্বৰ নেওগদেৱে তৌতিয়াৰ দিনত অসমত প্ৰচলিত নতুৱা নাচৰ উপৰিও মনকৰ দুৰ্গাবৰৰ পদ আৰু বিয়াহৰ গীত গোৱা ওজাপালিৰ প্ৰভাৱ অঙ্কীয়া নাটত পৰিব পাৰে বুলি অনুমান কৰে। ডক্টৰ বাণীকান্ত কাকতিয়ে উল্লেখ কৰিছে যে পুৰণি গ্ৰীক নাটকৰ লগতো অঙ্কীয়া নাটৰ কোনো কোনো ক্ষেত্ৰত মিল দেখিবলৈ পোৱা যায়। অৱশ্যে পুৰণি গ্ৰীক নাটকৰ প্ৰত্যক্ষ প্ৰভাৱ অঙ্কীয়া নাটত নিশ্চয় পৰা নাই।

অসমীয়া অঙ্কীয়া নাট সমূহৰ এক অপৰিহাৰ্য অঙ্গ হ'ল সূত্ৰধাৰ। সংস্কৃত নাটকতো সূত্ৰধাৰ আছে; কিন্তু সংস্কৃত নাটকৰ সূত্ৰধাৰ আৰু অসমীয়া অঙ্কীয়া নাটৰ সূত্ৰধাৰৰ মাজত ভালেখিনি পাৰ্থক্য আছে। সংস্কৃত নাটকৰ সূত্ৰধাৰৰ কাম হ'ল নান্দী গোৱা, গ্ৰন্থকাৰৰ পৰিচয় দিয়া আৰু কি উদ্দেশ্যে নাটকখন মঞ্চস্থ কৰা হৈছে দৰ্শকক বুজাই দিয়া। এইখিনি কাম কৰাৰ পিছত সূত্ৰধাৰক আৰু মঞ্চত দেখিবলৈ পোৱা নাযায়। কিন্তু অসমীয়া অঙ্কীয়া নাটত সূত্ৰধাৰজন নাট অভিনয়ৰ আদিৰ পৰা পৰিসমাপ্তি লৈ মঞ্চত থাকে। তেৱে দৰ্শকক নাটৰ ঘটনাৱলী 'আহে সামাজিক লোক' বুলি বুজাই দিয়ে। কোঠালিৰ বেৰত আৰি হোৱা মানচিত্ৰবোৰৰ বিষয়-বস্তু আঙুলিৰে দেখুৱাই দিয়াৰ দৰে সূত্ৰধাৰে অঙ্কীয়া নাটৰ ঘটনা পৰম্পৰা আৰু তাৎপৰ্য দৰ্শকৰ চকুৰ আগত অনৰ্গলকৈ ডাঙি ধৰে।

অসমীয়া অঙ্কীয়া নাটসমূহ মহাপুৰুষ শ্ৰীশঙ্কৰ দেৱৰ এক অপূৰ্ব সৃষ্টি। মহাপুৰুষে ভাগৱতী বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিবৰ কাৰণে নানা গীত, পদ আদি লিখি জনসাধাৰণক আকৃষ্ট কৰিছিল। অঙ্কীয়া নাট সৃষ্টিৰ মূলতো এই একেই উদ্দেশ্যে নিহিত আছে। নাটকত পৰিৱেশন কৰা বৈষ্ণৱ আদৰ্শ জনসাধাৰণৰ মাজত সহজ সৰল ৰূপত ডাঙি ধৰিবলৈ বুলি মহাপুৰুষে সূত্ৰধাৰৰ দৰে এক অনবদ্য চৰিত্ৰৰ সৃষ্টি কৰিছে। মহাপুৰুষৰ 'ৰুক্মিণী হৰণ' নাটৰ পৰা উদ্ধৃত কৰা কথাখিনিৰ পৰাই সূত্ৰধাৰৰ বৈশিষ্ট্যৰ এটা চমু আভাস পাব পাৰি। শঙ্কৰদেৱৰ 'ৰুক্মিণী হৰণ' নাটত ৰুক্মিণীয়ে ভগৱান শ্ৰীকৃষ্ণক স্বামীৰূপে পাবৰ বাবে বেদনিধিৰ হতুৱাই কৃষ্ণলৈ ভিতৰি বাৰ্তাৰি পঠালে। বাৰ্তাৰি পোৱাৰ লগে লগে শ্ৰীকৃষ্ণ সসৈন্যে কুণ্ডিল নগৰীলৈ আহে। ৰুক্মিণীৰ ককায়েক ৰুক্মবীৰ সমন্বিতে বিপক্ষ ৰজা সকলৰ লগত যুঁজি তেওঁলোকক পৰাজিত কৰে। ৰুক্মিণীৰ কাতৰ অনুৰোধত শ্ৰীকৃষ্ণই ৰুক্মক প্ৰাণে নামৰি ৰুক্মিণীক দ্বাৰকালৈ লৈ গৈ বিবাহ কাৰ্য সম্পন্ন কৰিলে। ৰুক্মবীৰৰ এনে অৱস্থাত সূত্ৰধাৰে দৰ্শকক সকিয়াই দিছে এই বুলি—"যৈতে মৃতক শৱ সদৃশ ৰুক্মী মাটিতে পৰিয়ে ৰহল, তাহে লোক দেখো দেখো; যো হৰিক দ্ৰোহ কৰয়, হৰিগুণ নাম লৈতে নিন্দা কৰয়, সোহি পাপীক দেখহ। জানি হৰিভকতিক নিন্দা ছোড়; হৰি বোল হৰি বোল।" নাটকৰ কাহিনী ইয়াতে অন্ত পৰাত

সূত্ৰধাৰে মুক্তি মঙ্গল ভটিমা গোৱাৰ আগে আগে দৰ্শকক পুনৰ স্মৰণ কৰাই দিছে— " ওহি কৃষ্ণ চৰিত্ৰ কথা, যে সাধুসবে শ্ৰদ্ধায়ে কহে, শ্ৰদ্ধায়ে শুনে সে সৱক হৰিৰ কৃপা মিলোক । আহে লোকাই, দেখু ভাটক মুখে বুক্মিণী কৃষ্ণ গুণ শুনিয়ে কৃষ্ণ চৰণে শ্ৰদ্ধা মাত্ৰ কয়ল, অতয়ে ভকতক পৰম কৃপালু শ্ৰীকৃষ্ণ তনিকৰ বশ্যহুয়া গৃহ-গৃহিনী কয়ল । আঃ হৰি ভকতিক মহিমা কি কহব ? জানি কৃষ্ণ চৰণে চিত্ত দিয়া নিৰন্তৰে হৰি বোল হৰি বোল ।"

এইদৰে দেখা যায় যে সকলোবোৰ অঙ্কীয়া নাটতে সূত্ৰধাৰজন হ'ল নাটৰ ঘটনা পৰম্পৰা আৰু দৰ্শকৰ মাজত মধ্যস্থ ব্যক্তি । সূত্ৰধাৰৰ ব্যাখ্যাই নাটৰ ঘটনাৰ জটিলতা আঁতৰাই দৰ্শকৰ মনত বক্তব্য বিষয়ৰ গভীৰ ছাপ বহুৱায় । আন হাতে পুৰণি গ্ৰীক নাটকৰ ক'ৰাছৰ কাৰ্যাৱলীও লক্ষণীয় । অঙ্কীয়া নাটৰ সূত্ৰধাৰৰ লগত সকলো বিষয়তে মিল নেথাকিলেও ক'ৰাছেও নাটকৰ অভিপ্ৰেত বক্তব্যক দৰ্শকৰ বোধগম্য কৰি তোলাত যথেষ্ট সহায় কৰে । অসমীয়া অঙ্কীয়া নাট আৰু পুৰণি গ্ৰীক নাটক সাধাৰণতে গীতি-ধৰ্মী হোৱাত সূত্ৰধাৰ আৰু ক'ৰাছৰ কাৰ্যক্ৰমৰ কিছু মিল দেখিবলৈ পোৱা যায় । অঙ্কীয়া নাটত সূত্ৰধাৰে মুক্তি-মঙ্গল ভটিমাৰে নাটকীয় ঘটনাৰ সামৰণি মাৰে । পুৰণি গ্ৰীক নাটকৰ ক'ৰাছেও নাটকৰ শেষত নাটকীয় কাহিনীৰ উদ্দেশ্য সম্বন্ধে বক্তব্য ৰাখে । প্ৰাচীন গ্ৰীক নাটকৰ বৈশিষ্ট্যৰ আলম লৈ লিখা প্ৰখ্যাত ইংৰাজ কবি মিল্টনৰ 'ছামছন এগ'নিষ্ট'ৰ পৰা এই কথাৰ আভাস পাব পাৰি । অঙ্কীয়া নাটত সূত্ৰধাৰে মুক্তি-মঙ্গল ভটিমা গোৱাৰ দৰে উক্ত নাটকখনত ক'ৰাছেও নাটকৰ পৰি সমাপ্তি ঘটাইছে এইদৰে—

All is best, though we oft doubt
What the unreasonable dispose
Of Highest wisdom brings about
And ever best found in the close.

( মহান বিজ্ঞ প্ৰভু ভগৱানৰ অবিচৰণীয় কাৰ্যৰ কেনে ফল দিয়ে সেই বিষয়ে যদিও কেতিয়াবা আমাৰ সন্দেহ হয় তথাপি ই সদায় শ্ৰেয় আৰু শেষত চিৰ শ্ৰেষ্ঠ ৰূপেই প্ৰতিফলিত হৈ থাকে ) ।

ডক্টৰ সত্যেন্দ্ৰ নাথ শৰ্মাদেৱে সূত্ৰধাৰৰ দ্বাৰা অনুষ্ঠিত প্ৰধান কৰ্তব্যসমূহ এনেধৰণে ব্যাখ্যা কৰিছে—

(১) নান্দী আৰু প্ৰাৰম্ভিক ভটিমাৰ আবৃত্তি আৰু তাৰ লগে লগে মাঙ্গলিক ভক্তি জ্ঞাপক নৃত্য ।

(২) সঙ্গীৰ লগত কথা প্ৰসঙ্গত নাটৰ নাম আৰু অভিনয় দৰ্শনৰ ফলাফল ।

(৩) ৰঙ্গমঞ্চত প্ৰধান চৰিত্ৰকে প্ৰমুখ্য কৰি পাত্ৰ-পাত্ৰী সমূহক প্ৰৱেশকৰণ আৰু দৰ্শকৰ আগত গীত কথাৰ যোগেদি পৰিচয় প্ৰদান ।

(৪) নাটকীয় ঘটনা পৰম্পৰা আৰু পৰিস্থিতি সমূহ গীত আৰু কথা সূত্ৰৰ যোগেদি মুকলিকৈ প্ৰকাশ কৰা আৰু ঘটনা পৰম্পৰাৰ যোগসূত্ৰ স্থাপন কৰা । সংস্কৃত শ্লোক, ব্ৰজাৱলী গীত, পয়াৰ আৰু গদ্যাত্মক বৰ্ণনা বা ব্যাখ্যা—
এই তিনিটা অঙ্গ সূত্ৰধাৰৰ দ্বাৰাই অনুষ্ঠিত হয় আৰু ইয়াৰ যোগেদি তেওঁ অভিনেয় ঘটনা পৰম্পৰা আৰু পৰিস্থিতি সমূহ দৰ্শকৰ আগত গাম্ভীৰ্য ৰক্ষা কৰি আকৰ্ষণীয় ৰূপত উপস্থাপিত কৰে । অৱশ্যে চৰিত্ৰ বিশেষৰ বিলাপ বা তেনে ধৰণৰ ব্যক্তিগত সুখ-দুখ জ্ঞাপক গীত সূত্ৰধাৰে নাগায় ।

(৫) আধুনিক অভিনয় স্মাৰকৰ দৰে কোন চৰিত্ৰই কেতিয়া আৰু কাৰ পাছত বচন মাতিব লাগে আৰু কি কাৰ্য কৰিব লাগে তাৰ নিৰ্দ্দেশ দিয়ে ।

(৬) ৰঙ্গমঞ্চত অভিনয় কৰি দেখুৱাব নোৱাৰা ( দৰ্শকে অনুমান কৰি লবলৈ ) বৰ্ণনা প্ৰদান ।

(৭) মুক্তিমঙ্গল ভটিমাৰ যোগেদি নাটৰ পৰিসমাপ্তি ।

ক'ৰাছে সূত্ৰধাৰৰ নিচিনাকৈ কোনো প্ৰাৰম্ভিক ভটিমা আবৃত্তি নকৰে বা নাটৰ নাম উল্লেখ নকৰে । এৰিষ্ট'টলে ক'ৰাছক নাটকীয় কাৰ্যাৱলীৰ অংশ গ্ৰহণ-কাৰী বুলি উল্লেখ কৰিছে । তেখেতে নাটকৰ অভিনয়ত ক'ৰাছে সম্পন্ন কৰা প্ৰধান কাৰ্যসমূহ এনেদৰে বৰ্ণনা কৰিছে—

(১) সংচৰিত্ৰবান লোকৰ প্ৰতি সাহসবাণী আৰু বন্ধুত্ব পূৰ্ণ উপদেশ প্ৰদান কৰা।

(২) নীচলোকৰ প্ৰতি গৰিহণা আৰু ধৰ্মপ্ৰাণ ব্যক্তিৰ প্ৰতি সহানুভূতি প্ৰকাশ কৰা ।

(৩) ন্যায়, শান্তি আৰু নীতিৰ প্ৰতি অনুগত জনৰ প্ৰশংসা কৰা ।

(৪) বিপদৰ সময়ত ধৈৰ্যৰ প্ৰয়োজনীয়তাৰ বৰ্ণনা কৰা।

(৫) গৰ্বীজনৰ দৰ্প-চূৰ্ণ আৰু বিপদমুখীজনক উদ্ধাৰ কৰি শান্তি প্ৰদান কৰাৰ মানসেৰে দেৱতাৰ ওচৰত প্ৰাৰ্থনা কৰা ।

ক'ৰাছে এনেদৰে কাৰ্যসমূহ সম্পাদন কৰা বাবে শ্লেজেলে ( Schlegel ) ক'ৰাছক আদৰ্শনীয় দৰ্শক ( The Spectator idealised ) বুলি অভিহিত কৰিছে। ক'ৰাছে জ্ঞানৰ শিকনিৰে জীৱনৰ পৰ্যালোচনা কৰে ।

সূত্ৰধাৰ আৰু ক'ৰাছৰ মাজত কিছু পাৰ্থক্য পৰিলক্ষিত হয়। গ্ৰীক নাটকত ক'ৰাছ শব্দই সমদল গীত বুজায় ; অঙ্কীয়া নাটত সূত্ৰধাৰ একক ব্যক্তি। সূত্ৰধাৰজনে ' আহে সামাজিক লোক ' বুলি দৰ্শক সকলক ঘটনাৰ পৰিস্থিতিটো বুজাই দিয়ে । ক'ৰাছে কিন্তু দৰ্শকক উদ্দেশ্য কৰি মুখা-মুখিকৈ কথা নকয়। ঘটনাৰ পৰিস্থিতিটো গীতৰ মাধ্যমেৰে বৰ্ণনা কৰে। যদিও ক'ৰাছ আৰু সূত্ৰধাৰৰ মূল বেলেগ বেলেগ, তথাপি সকলো ভাষাৰ নাট সৃষ্টিৰ মূলতে উদ্দেশ্য একে হোৱাৰ বাবে সূত্ৰধাৰ আৰু ক'ৰাছৰ মাজত অমিলতকৈ মিল বেছি দেখিবলৈ পোৱা যায় ।

সূত্ৰধাৰ আৰু ক'ৰাছ যি উদ্দেশ্যে অঙ্কীয়া নাট আৰু পুৰণি গ্ৰীক নাটত ব্যৱহাৰ কৰা হৈছে সেই উদ্দেশ্য যথাৰ্থভাৱে সফল হৈছে দুয়োবিধ নাটকতে নাটকৰ বিষয়-বস্তুক সূত্ৰধাৰ আৰু ক'ৰাছে পৰিচ্ছন্ন ৰূপত ডাঙি ধৰিবলৈ সক্ষম হোৱা দেখা যায়। সূত্ৰধাৰ আৰু ক'ৰাছ যেন দুয়ো শ্ৰেণী নাটৰ বিবেক স্বৰূপ ।

( প্ৰবন্ধটি যুগুত কৰোতে ডক্টৰ বানীকান্ত কাকতিৰ " অঙ্কীয় ভাওনা " আৰু শ্ৰীপদ্মৰাম শালৈৰ " সূত্ৰধাৰ বনাম কৰাছ'ৰ সহায় লোৱা হৈছে ।" )

# সাক্ষাৎকাৰ শিতান ঃ

আমাৰ সাক্ষাৎকাৰ শিতানত এই বেলি আমাৰ ছাত্ৰ ছাত্ৰী বন্ধু-বান্ধৱী আৰু সহৃদয় পঢ়ুৱৈ বাইজলৈ আগবঢ়াইছো এটি সাক্ষাৎকাৰ ঃ উদীয়মান বিজ্ঞানী শ্ৰীপ্ৰদীপ কুমাৰ দাসৰ সৈতে। বৰপেটাত জন্ম গ্ৰহণ কৰা শ্ৰীদাস ১৯৬৭ চনত বকো হাইস্কুলৰ পৰা প্ৰবেশিকা পৰীক্ষা দি দ্বিতীয় স্থান লৈ উত্তীৰ্ণ হয়। তাৰ পিচত বৰপেটা মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ পৰা প্ৰাক্‌বিশ্ববিদ্যালয় বিজ্ঞান শাখাৰ ফাইনেল পৰীক্ষাত সপ্তম স্থান লৈ উত্তীৰ্ণ হোৱাৰ পিচত ১৯৭১ চনত কটন মহাবিদ্যালয়ৰ পৰা পৰীক্ষা দি ৰসায়নত প্ৰথম শ্ৰেণীৰ সন্মান লৈ স্নাতক ডিগ্ৰী লাভ কৰে। ১৯৭৩ চনত তেখেতে গুঃ বিশ্ববিদ্যালয়ৰ পৰা ৰসায়নত কৃতিত্বৰে স্নাতকোত্তৰ ডিগ্ৰী লৈ পোনতে ডিগবৈ আৰু পিচত যোৰহাট বিজ্ঞান মহাবিদ্যালয়ত প্ৰবক্তা হিচাবে ১৯৮০ লৈ সেৱা আগবঢ়োৱাৰ পিচত উচ্চ শিক্ষাৰ কাৰণে আমেৰিকালৈ যাত্ৰা কৰে। আমেৰিকাৰ ভাৰ্জিনিয়া পলিটেকনিক ইন্‌ষ্টিটিউট এণ্ড ষ্টেট ইউনিভাৰচিটিত ১৯৮৪ ত ৰসায়নত পি. এইচ. ডি উপাধি লাভ কৰে। ১৯৮০-৮৪ লৈ উক্ত অনুষ্ঠানত গৱেষণা সহায়ক হিচাবে কাম কৰাৰ পিচত ১৯৮৪ চনত আমেৰিকাৰ **Monsanto Corporation** ত টেকন'লজি স্পেচিয়েলিষ্ট হিচাবে নিয়োজিত হয়। সম্প্ৰতি তেখেতে **Monsanto Chemical Company** ৰ **Thermal Analysis & Solution Properties Laboratories, Exploratory & Fundamental Research Dept.** ৰ গ্ৰুপ লীডাৰ হিচাবে দায়িত্ব বহন কৰি আছে।

বিদেশৰ পৰা কেইটামান দিনৰ বাবে স্বদেশলৈ আৰু বিশেষকৈ বকোৰ বাসস্থানলৈ অহা শ্ৰীদাসক যোৱা জানুৱাৰী মাহত আমাৰ মহাবিদ্যালয়লৈ নিমন্ত্ৰণ কৰি অনা হৈছিল যাতে আমাৰ ছাত্ৰ-ছাত্ৰী সকলক আমেৰিকাৰ শিক্ষা, সমাজ ব্যৱস্থাকে আদি কৰি বিভিন্ন দিশৰ ওপৰত তেখেতে ব্যক্তিগত অভিজ্ঞতাৰ পৰা কিছু কথা জনাব পাৰে। আমি জনাবলৈ পাই সুখী হৈছো যে শ্ৰীদাসে এই অনুষ্ঠানত নিজৰ ফালৰ পৰা কোৱা আৰু শিক্ষক-ছাত্ৰ-ছাত্ৰীৰ প্ৰশ্নৰ উত্তৰত কোৱা কথাখিনিয়ে অনুষ্ঠানৰ শ্ৰোতামণ্ডলীক যথেষ্ট উপকৃত কৰিছে। সেই অনুষ্ঠানৰ ফলপ্ৰসূতাই জৱাহৰ জ্যোতি'ৰ বাবে এটি সাক্ষাৎকাৰ লবলৈ আমাক উদ্‌গাইছিল আৰু সেই হিচাবে কেইটামান নিৰ্বাচিত প্ৰশ্ন লৈ শ্ৰীদাসক লগ কৰা হৈছিল। কিন্তু অলপ দিনীয়া ছুটীৰ আঁতিপাত ব্যস্ততাৰ বাবে তেখেতে সকলোবিলাক প্ৰশ্নৰ উত্তৰ সম্প্ৰতি দি যাবৰ সময় কৰিব নোৱাৰিলেও যি দুটা মান প্ৰশ্নৰ উত্তৰ দি থৈ গ'ল তাকেই আমি এই সংখ্যা 'জৱাহৰ জ্যোতি'ত প্ৰকাশ কৰিলো। বাকীবোৰ প্ৰশ্নৰ উত্তৰ তেখেতে আমাক বিদেশৰ পৰা পঠিয়াই দিয়াৰ নিশ্চিত আশ্বাস দি গৈছে। 'জৱাহৰ জ্যোতি'ৰ পৰৱৰ্তী সংখ্যাত থকা সময়ত আমি সেইবোৰ আগবঢ়োৱাৰ আশা ৰাখিছো। এই গৰ ! মেধাবী অসমীয়া বিজ্ঞানীৰ কৰ্মময় জীৱনৰ আমি উত্তৰোত্তৰ উন্নতি কামনা কৰিলো আৰু লগতে আমাৰ মহাবিদ্যালয় আৰু 'জৱাহৰ জ্যোতি'লৈ তেখেতে দেখুওৱা আন্তৰিক সহায় সহযোগিতাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিলো।

প্ৰশ্ন ঃ আপুনি বিদেশলৈ গৈ গৱেষণাৰ বাবে লোৱা বিষয়টো কি আছিল ? সেই বিষয়টোৰ প্ৰতি আপুনি আকৃষ্ট হোৱাৰ কাৰণ কি ? সেই বিষয়টোৰ ব্যৱহাৰিক প্ৰয়োগ কেনেকুৱা আৰু ভাৰতত আৰু বিশেষকৈ অসমত তাৰ প্ৰয়োগ কাৰ্যকৰী হোৱাৰ সম্ভাৱনা কিমান ?

উত্তৰ ঃ **Polymer Chemistry** ৰ এটা অংশ— **Characterization of polymers by size Exclusion chromatography.**

আমেৰিকা ও অন্যান্য উন্নত দেশৰ বিজ্ঞান / প্ৰযুক্তি বিদ্যাত **Polymer** ৰ ব্যৱহাৰ আৰু প্ৰয়োজনীয়তা ক্ষিপ্ৰগতিত বাঢ়িছে। বৰ্তমান **Polymer** এ ধাতুকে আদি কৰি বিভিন্ন ধাতুৰ প্ৰয়োগৰ ঠাই লৈছে। **Polymer** ৰ গুণবোৰ ইচ্ছা অনুযায়ী গঢ় দিব পাৰি বাবে ইয়াৰ প্ৰয়োগ সকলো ধৰণৰ **Advanced Materials Science & Technology** ত হব ধৰিছে।

ভাৰতত polymer প্ৰয়োগ হোৱা আৰম্ভ হৈছে—বিভিন্ন উদ্যোগত। পিছে ইয়াৰ প্ৰসাৰ এতিয়াও যথেষ্ট নিম্ন খাপৰ।

অসমত **Polymer** ৰ প্ৰয়োগ তেনেই সীমিত। ঔদ্যোগিক বিকাশৰ অভাৱত উন্নত **Materials Application** অসমত হোৱা নাই।

প্ৰশ্ন ঃ আমেৰিকাত থকা ভাৰতীয় বিজ্ঞানী, চিকিৎসক আদিৰ প্ৰতি আমেৰিকান সকলৰ বিশেষকৈ আমেৰিকাৰ বিজ্ঞানী, চিকিৎসক সকলৰ ধাৰণা কেনে ?

উত্তৰ ঃ ভাৰতীয় বিজ্ঞান, প্ৰযুক্তিবিদ্যাৰ প্ৰতি আমেৰিকান বিজ্ঞানীৰ ধাৰণা মিশ্ৰিত। ভাৰতীয় মহাকাশ বিজ্ঞান, আনবিক বিজ্ঞান আদিৰ প্ৰতি ধাৰণা বৰ উচ্চ। কিন্তু সৰ্বসাধাৰণৰ ব্যৱহাৰত অহা বিজ্ঞান, প্ৰযুক্তি বিদ্যাৰ মান বহু নিম্ন খাপৰ বুলি ধৰা হয়। ভাৰতীয় প্ৰশাসনৰ এই ক্ষেত্ৰত কৰিবলগীয়া বহু আছে।

"সেই শিল্পই সঁচা শিল্প, য'ত জীৱন প্ৰতিফলিত। ইয়াত পোৱা যাব মানব জীৱনৰ দ্বন্দ-সংঘাত, সংগ্ৰাম-প্ৰেৰণা, জয়-পৰাজয়, মৰম-ভালপোৱা আৰু এজন মানুহৰ ব্যক্তিত্বৰ আটাইকেইটা দিশ। সেই শিল্পই সঁচা শিল্প, যি জীৱন সম্পৰ্কে মিছা ধাৰণা নিদিয়ে।"

—নাজিম হিকমত।

# 'জৱাহৰ জ্যোতি' সম্পাদনা সমিতি ১৯৮৬-৮৭ চন



থিয়হৈ [ বাওঁ ফালৰ পৰা ] অধ্যাপক দিলীপ দাস, ( তত্ত্বাৱধায়ক, 'জৱাহৰ জ্যোতি' ) অধ্যাপক দ্বিজেন দাস ( সদস্য ) অমৰ দাস ( ছাত্ৰ সদস্য ) গৌৰাঙ্গ চৌধুৰী ( সম্পাদক, 'জৱাহৰ জ্যোতি' )

বহি ( বাওঁফালৰ পৰা ) অধ্যাপক বসন্ত কুমাৰ দত্ত ( সদস্য ), অধ্যক্ষ যতীন্দ্ৰ চন্দ্ৰ নাথ ( সভাপতি ), অধ্যাপক শৰৎ চন্দ্ৰ তালুকদাৰ ( উপ-সভাপতি ), অধ্যাপক দেবেন্দ্ৰ নাথ শৰ্মা, অধ্যাপক ধৰ্মকান্ত বৰুৱা ( সদস্য )।

# : খেল জগত :

## : বডি লাইন আৰু ট্ৰ্যাজিক হিৰো :

প্ৰথম বিশ্বযুদ্ধৰ পৰিসমাপ্তিৰ পিচত ইংলেণ্ডৰ চিৰ উজ্বল ৰবি লাহে লাহে অস্তমিত হবলৈ ধৰে। পৃথিবীৰ বিভিন্ন প্ৰান্তত উদয় হবলৈ ধৰে কিছুমান নতুন ৰাজনৈতিক শক্তি। এনে অৱস্থাত সূৰ্য অস্ত নোযোৱা ইংলেণ্ডৰ সাম্ৰাজ্য থৰক বৰক হবলৈ ধৰে। তাতে আকৌ আভিজাত্যাভিমানী ইংৰাজ জাতিৰ মৰ্যদা আৰু গৌৰৱৰ প্ৰতীক ক্ৰিকেটত আঘাত হানে অষ্ট্ৰেলিয়াৰ আমষ্টিং-ম্যাকডোলাল্ড গ্ৰেগৰীয়ে। তাৰ পিচত চাৰ ব্যাড্‌মানে নিৰ্মম চাবুক চলায় ইংলেণ্ডৰ ক্ৰিকেটৰ ওপৰত। অষ্ট্ৰেলিয়াৰ দৰে এখন উপনিবেশৰ হাতত পৰাজয় আছিল আত্মাভিমানী অভিজাত ইংৰাজ জাতিৰ এক মৰ্মাহত বেদনা। সেয়ে অষ্ট্ৰেলিয়াৰ ওপৰত প্ৰতিশোধ লবলৈ ডগলাচ জাৰ্ডিনৰ নেতৃত্বত ইংলেণ্ডে আৰম্ভ কৰে নতুন আৰু পৰিকল্পিত অভিযান। জাৰ্ডিনে ব্যাটচমেন সকলৰ দুৰ্বলতা আৰু ফিল্ড পেচিংৰ কৌশল সম্বন্ধে আলোচনাত মগ্ন হ'ল ক্ৰিকেট বিশেষজ্ঞ সকলৰ লগত। সকলো কৌশল পৰিকল্পিত ভাবে ঠিক থাক কৰি লোৱাৰ পিচত আক্ৰমনৰ প্ৰধান অস্ত্ৰ হিচাবে বাচি লোৱা হ'ল হেৰল্ড লাৰাউদ নামৰ এজন দুৰ্দান্ত ফাষ্ট বোলাৰ। লগত আৰু তিনিজন ফাষ্ট বোলাৰ। এইদৰে পূৰ্ণ প্ৰস্তুতিৰে জাৰ্ডিনে অষ্ট্ৰেলিয়াৰ মাটিত পদাৰ্পন কৰে।

জাৰ্ডিনে সাধাৰণ 'লেগ থিঅৰিৰ বোলিং' পৰিবৰ্তন কৰি ব্যাটচমেনৰ লেগৰ পিনে পাচজন ফিল্ডাৰ ৰাখি, দূৰত আৰু দুজন ফিল্ডাৰ ৰাখি ফিল্ড সজ্জিত কৰে আৰু দুৰন্ত ফাষ্ট বোলাৰ হেৰল্ড লাৰউদক দুৰ্দান্ত গতিৰে বোলিং কৰিবৰ নিৰ্দেশ দিয়ে। এনে অৱস্থাত অষ্ট্ৰেলিয়াৰ ব্যাটচমেন সকলে আঘাতৰ পৰা নিজৰ শৰীৰ ৰক্ষা কৰি প্ৰচণ্ড ৰক্ষাত্মক খেল খেলিবলৈ বাধ্য হয়। অথচ তেনে খেল খেলিলে ব্যাটচমেন সকলে 'সৰ্ট লেগ'ৰ পিনে ফিল্ডাৰক কেটচ্ দি আউট হোৱাৰ সম্ভাৱনা। 'হুক' কৰিলেও বিপদ। ফলস্বৰূপে লাৰউদৰ অসাধাৰণ ফাষ্ট বোলিংৰ আগত অসহায়ভাবে অষ্ট্ৰেলিয়াৰ ব্যাটচমেন সকলে আত্মসমৰ্পন কৰিবলৈ বাধ্য হয়। লাৰউদৰ এই বোলিং 'বডি লাইন' বোলিং বুলি অভিহিত কৰা হৈছে। 'বডি লাইন' শব্দটি প্ৰথম ব্যৱহাৰ কৰে মে'লবৰ্ণৰ হেৰাল্ড হিউ নামৰ এজন সাংবাদিকে। তেওঁ টেলিগ্ৰামৰ খৰছ কমাবলৈ গৈ Line with body নিলিখি bodyline শব্দটি ব্যৱহাৰ কৰে। এইদৰে এই শব্দটিয়ে জনপ্ৰিয়তা লাভ কৰে। (বৰ্তমান bodyline ৰ ওপৰত এখন চিৰিয়েল টেলিভিচন যোগে দেখুৱা হৈছে। অৱশ্যে ছবিৰ নায়ক লাৰউদে ছবিখন ভালপোৱা নাই বুলি এটা সাক্ষাৎকাৰত বৰ্ণনা কৰিছে)। এই লানি খেলত ইংলেণ্ডে অষ্ট্ৰেলিয়াক ৪—১ গেমত পৰাজিত কৰে। এই জয়ৰ বিতৰ্কিত নায়ক হ'ল ন্যাটিংহামাশায়াৰৰ দৰিদ্ৰ খনি বনুৱাৰ পুত্ৰ হেৰাল্ড লাৰউদ। তেওঁৰ দ্ৰুততম বেগ আৰু অভ্ৰান্ত লক্ষ্যাই ইংলেণ্ডৰ ক্ৰিকেটক অন্ধকাৰৰ অটল গৰ্ভৰ পৰা তুলি আনি মৰ্যদাৰ আসনত পুনৰ প্ৰতিষ্ঠা কৰিছিল।

কিন্তু এই সফলতাই হেৰল্ডৰ ক্ৰিকেট জীৱনলৈ মাতি আনিছিল অকাল মৃত্যু। লাৰউদৰ বোলিংৰ আগত তিষ্ঠিব নোৱাৰা অষ্ট্ৰেলিয়াই ক্ষোভ আৰু হতাশা

প্ৰকাশ কৰিছিল ইংলেণ্ডৰ বিৰুদ্ধে। ফলত দুয়োখন দেশৰ মাজত দেখা দিয়ে ৰাজনৈতিক সংকট। এনে অৱস্থাত ৰাজনৈতিক সংকট মোচন কৰাৰ উদ্দেশ্যে ইংলেণ্ডৰ অভিমানী কৰ্মকৰ্তা সকলে দৰিদ্ৰ খনি শ্ৰমিকৰ পুত্ৰ লাৰউদক বলিৰ পঠা হিচাবে বাচি উলিয়ায়। ন্যায়-বিচাৰত গৰ্বিত ইংৰাজ জাতিয়ে নৈতিকতাৰ সকলো নিয়ম-নীতি বিসৰ্জন দি বডিলাইন বোলিংৰ বাবে লাৰউদক অষ্ট্ৰেলিয়াৰ ওচৰত ক্ষমা খুজিবলৈ বাধ্য কৰায়। অথচ ব্যাডমেনৰ দৰে ৰাণযন্ত্ৰেৰে পৰিপুষ্ট অষ্ট্ৰেলিয়াৰ ব্যাটচমেন সকলৰ বিৰুদ্ধে কেনে ধৰণৰ আক্ৰমণ গঢ়া হব ইংলেণ্ডৰ ক্ৰিকেট কৰ্মকৰ্তা সকলে আগতিয়াকৈ পৰিকল্পনা কৰি লৈছিল লাৰউদক হাতত লৈ। কিন্তু সেই সকলেই পিচত বডিলাইন বোলিংৰ সমস্ত দোষ আৰু দাৰিত্ব জাপি দিয়ে লাৰউদৰ কান্ধৰ ওপৰত। ক্ষোভ আৰু হতাশাত ভাগি পৰা অসহায় লাৰউদে টেষ্ট ক্ৰিকেটৰ পৰা বিদায় লোৱাৰ সিদ্ধান্ত লয়। যি সকলৰ নিৰ্দেশ আৰু পৰিকল্পনা অনুযায়ী দেশৰ হৃত গৌৰৱ উদ্ধাৰৰ বাবে লাৰউদে বক্ত উজাৰ কৰি বোলিং কৰিছিল সেই সকলৰ দ্বাৰায়ে এতিয়া তেওঁ নিন্দিত হ'ল বডিলাইন বোলিংৰ বাবে।

ক্ৰিকেটৰ ইতিহাসত ট্ৰেজিক নায়ক লাৰউদৰ গুণে আছিল তেওঁৰ প্ৰধান দোষ অৰ্থাৎ তেওঁৰ দুৰন্ত গতি আৰু অভ্ৰান্ত লক্ষ্য। লাৰউদৰ দৰে ব্যাটচমেনৰ শৰীৰ লক্ষ্য কৰি বোলিং কৰাৰ উদাহৰণ ক্ৰিকেটৰ ইতিহাসত বিৰল নহয়। কিন্তু তেওঁৰ দৰে ইমান গতি আৰু অভ্ৰান্ত লক্ষ্য অন্য বোলাৰৰ ক্ষেত্ৰত পৰিলক্ষিত হোৱা নাছিল। জাৰ্ডিছে সজোৱা ফিলডিং আৰু লাৰউদৰ দুৰন্ত গতিৰ অষ্ট্ৰেলিয়াৰ বেটচমেন সকলে সমুখীন হোৱা অসম্ভৱ আছিল। ভাগ্যৰ কি পৰিহাস, যিজনে অষ্ট্ৰেলিয়াক খানবান কৰি ইংলেণ্ডক বিজয় মাল্য পিন্ধাই দিছিল, সেইজনেই ইংলেণ্ডৰ ক্ৰিকেট কৰ্মকৰ্তা সকলৰ নিলৰ্জ্জ স্বাৰ্থপৰতাত অতিষ্ঠ হৈ অষ্ট্ৰেলিয়ালৈ গুচি আহিছিল। এইদৰেই এজন বিৰল প্ৰতিভাধৰ খেলুৱৈৰ ক্ৰিকেট জীৱন দুখজনকভাৱে ইতি পৰিছিল। তথাপি লাৰউদৰ ভুমিকা ক্ৰিকেট ইতিহাসৰ এটা স্মৰণীয় অধ্যায়। যিদৰে ভিভ ৰিচাৰ্ড বা গাভাস্কাৰৰ শিল্পময় ব্যেটিংয়ে দৰ্শকৰ মনত আনন্দৰ বন্যা বোৱাই দিয়ে, যিদৰে ম্যালকম মাৰ্চেল বা ইমৰাণৰ বোলিংৰ দুৰন্ত গতিয়ে দৰ্শকক সংশয় আৰু অনিশ্চয়তাত ডুবিবলৈ বাধ্য কৰে সেইদৰে লাৰউদৰ দৰে ফাষ্ট বোলাৰৰ গতিয়ে ক্ৰিকেট খেল একোখনক একো একোখন তীব্ৰ যুদ্ধৰ দৰে কৰি তুলিছিল।

এইটো সত্য যে ভয়াবহ ফাষ্ট বোলিংৰ বিপক্ষে কোনো ব্যাটচমেনে খেলিবলৈ সকাহ নেপায়। সেয়ে এই ভয়াবহ ফাষ্ট বোলিংক সকলো দেশৰ অধিনায়কে ভীতি প্ৰদৰ্শনৰ অস্ত্ৰ হিচাবে ব্যৱহাৰ কৰে। কথ মিল্লাৰ, ৰেলিণ্ডৱাল আদি ফাষ্ট বোলাৰ সকলক মহান ক্ৰিকেটাৰ চাৰ ৰেডমেনৰ দৰে। ক্ৰিকেটাৰেও ইংলেণ্ডৰ বিৰুদ্ধে অবিৰত ভাৱে ব্যৱহাৰ কৰিছিল। অনুৰূপভাৱে ইংলেণ্ডৰ অধিনায়ক হাটনেও টাইচন, ষ্ট্ৰাথাম, ট্ৰুমেনক নিৰ্দেশ দিছিল। সেইদৰে ইয়ানচাপেল, ক্লাইভলয়ড আদি বিশ্ববিখ্যাত অধিনায়ক সকলেও তেওঁলোকৰ হিংস্ৰ ফাষ্ট বোলাৰ সকলক বিপক্ষ দলক ঘাইল কৰিবলৈ নিৰ্দেশ দিছিল। এক কথাত, ফাষ্ট বোলিং হ'ল ক্ৰিকেটৰ উত্তেজনাৰ অন্যতম খোৰাক। আৰু কেৱল সেইটো কাৰণতেই ক্ৰিকেটমোদী সকলৰ বাবে বহু কাললৈ দুখ থাকি যাব ক্ৰিকেটজগতৰ পৰা ক্ষোভ আৰু হতাশাত নীৰবে বিদায় লোৱা ট্ৰেজিক নায়ক হেৰল্ড লাৰউদৰ বাবে। * * *



# ছাত্র-একতা সভাৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

যি-সকল ছাত্ৰ-ছাত্ৰীৰ মৰম আৰু বিশ্বাসৰ ফল-শ্ৰুতিত বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৯৮৬-৮৭ চনৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ গুৰু দায়িত্ব বহন কৰিবলৈ সুবিধা পালোঁ তেওঁলোকলৈ জয় জয়তে মোৰ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ। লগতে এই মহান দায়িত্ব পালন কৰাত পোৱা অধ্যক্ষ মহোদয় আৰু অধ্যাপক বৃন্দৰ বহুমূলীয়া উপদেশৰ বাবে তেওঁলোকলৈ আৰু অন্যান্য ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকললৈ মোৰ সশ্ৰদ্ধ কৃতজ্ঞতা জ্ঞাপন কৰি সাধাৰণ সম্পাদকৰ প্ৰতিবেদনৰ পাতনি মেলিলো।

**মহাবিদ্যালয় সপ্তাহঃ** এই বেলি মহাবিদ্যালয়ৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ ১৩।২।৮৭ ৰ পৰা ১৮।২।৮৭ ইং তাৰিখলৈ বিভিন্ন কাৰ্যক্ৰমনিকাৰে পালন কৰা হয়। ১৩ ফেব্ৰুৱাৰী ৰাতিপুৱা ৮-৩০ বজাত মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ দেৱে মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰি মহাবিদ্যালয় সপ্তাহৰ শুভ উদ্বোধন কৰে। মহাবিদ্যালয়ৰ খেল পথাৰত বছৰেকীয়া ক্ৰীড়া প্ৰতিযোগিতা, মহাবিদ্যালয় ভৱনত সাংস্কৃতিক প্ৰতিযোগিতা, আকস্মিক প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতা সমূহত প্ৰতিযোগীৰ সংখ্যা যথেষ্ট আছিল আৰু প্ৰতিযোগিতাৰ মানদণ্ডও উচ্চ খাপৰ হৈছিল। মহাবিদ্যালয় সপ্তাহৰ বঁটা বিতৰণী সভাখন ১৮-২-৮৭ ইং তাৰিখে অনুষ্ঠিত হয়। সেই সভাত সভাপতিত্ব কৰিছিল মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে। মুখ্য অতিথি, বিশিষ্ট অতিথি আৰু নিৰ্দিষ্ট বক্তাৰ আসন গ্ৰহন কৰিছিল যথাক্ৰমে অসমৰ ৰাজ্যিক শিক্ষা মন্ত্ৰী মাননীয় শ্ৰীযতীন মালী দেৱে, ছয়গাওঁ সমষ্টিৰ বিধায়ক ডাঃ কমলা কলিতা দেৱে আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক শ্ৰীহিতেশ ডেকা দেৱে। তেওঁলোকে আমাৰ মজলৈ আহি বহুমূলীয়া ভাষণেৰে ছাত্ৰ-ছাত্ৰী সকলক উৎসাহ অনুপ্ৰেৰণা যোগোৱা বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ হৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

উল্লেখযোগ্য যে সেই একে দিনাই অসম মাতৃৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত জ্ঞাত আৰু অজ্ঞাত ভাবে জীৱন আহুতি দিয়া বীৰ-বীৰাঙ্গনা সকলৰ পবিত্ৰ স্মৃতিত নিৰ্মান কৰা আমাৰ মহাবিদ্যালয় চৌহদৰ পবিত্ৰ শ্বহীদ বেদীটো শ্ৰীহিতেশ ডেকাদেৱে উন্মোচন কৰি আমাক কৃতাৰ্থ কৰে।

**সৰস্বতী পূজা:** পৰম্পগৰাগত ভাবে পালন কৰি অহা সৰস্বতী পূজা অন্যান্য বছৰৰ দৰে এই বেলিও কিছু জাক-জমকতাবে পালন কৰা হয়।

**নৱাগত আদৰণি সভা:** ১৯৮৭ চনৰ ২৩ চেপ্তেম্বৰ তাৰিখে নৱগত আদৰণি সভাখন মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ দেৱৰ সভাপতিত্বত পতা হয়।

নিমন্ত্ৰিত বিশিষ্ট অতিথি ছয়গাওঁ মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীঅনিল বৰা দেৱে দিয়া সাবুৱা ভাষণ আমাৰ বাবে সদায় অনুপ্ৰেৰণাৰ উৎস হৈ ৰ'ব ।

**শিক্ষামূলক ভ্ৰমণ :** পাঠ্য পুথিৰ অধ্যয়নৰ উপৰিও বিভিন্ন দেশ প্ৰদেশৰ কলা কৃষ্টি অধ্যয়নে ছাত্ৰ-ছাত্ৰীৰ জ্ঞানৰ পৰিধি কি ধৰণে প্ৰসাৰিত কৰে কোৱা নিষ্প্ৰয়োজন । সেই উদ্দেশ্যকে সমুখত ৰাখি আমাৰ মহাবিদ্যালয়ৰ শিক্ষক ছাত্ৰ-ছাত্ৰীৰ এটি দলে যোৱা অক্টোবৰ মাহত কলিকতা, বোম্বে, এলাহবাদ আদি ভাৰতৰ বিভিন্ন ঠাইত ১২ দিনীয়া এটি শিক্ষামূলক ভ্ৰমণ কৰাৰ সুযোগ পোৱাত আমি সুখী হৈছোঁ আৰু ভৱিষ্যতেও তেনে ভ্ৰমণ কৰাৰ সুযোগ আমাৰ ছাত্ৰ-ছাত্ৰী সকলে পাব বুলি আশা ৰাখিছো ।

**অভাৱ অভিযোগ :** ১৯৬৪ চনতে স্থাপিত হোৱা আমাৰ মহাবিদ্যালয় বয়সৰ ফালৰ পৰা যৌৱনপ্ৰাপ্ত হলেও নানান অভাৱ অভিযোগে যেন ইয়াক যৌৱনৰ স্বাভাৱিক বহনৰ পৰা এতিয়াও বঞ্চিত কৰি ৰাখিছে । অভাৱ অভিযোগ সমূহৰ ভিতৰত পোনতে অধিক বিষয়ত 'মেজৰ'ৰ ব্যৱস্থা নথকাৰ কথাটোকে উল্লেখ কৰিব লাগিব । প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি যে এতিয়ালৈ মাথো অসমীয়া আৰু অৰ্থনীতি বিষয়তহে মেজৰৰ ব্যৱস্থা আছে । তাৰোপৰি দূৰ দূৰণিৰ ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ বাবে একোটাকৈ ছাত্ৰ আৰু ছাত্ৰী নিবাস, স্থায়ী মঞ্চেৰে এটি স্থায়ী প্ৰেক্ষাগৃহ, এটি চাইকেল ষ্টেণ্ড, ছাত্ৰ-ছাত্ৰীৰ বৃদ্ধি অনুসাৰে প্ৰশ্ৰাৱগাৰ আৰু শৌচাগাৰৰ বৃদ্ধি আৰু লগতে যিবোৰৰ উন্নতিকৰণ আদিয়ে বহুদিনৰ পৰা আমাৰ অভাৱৰ তালিকাত স্থান লৈ আহিছে । এইবোৰ অভাৱ অনতিপলমে দূৰ কৰিবলৈ আমি মহাবিদ্যালয়ৰ কতৃপক্ষক টানি অনুৰোধ জনালোঁ । লগতে সঙ্গীতৰ বাদ্য-যন্ত্ৰবোৰৰ ঘাটি থকা দুটা এপদ বাদ্য যন্ত্ৰ কিনিবলৈ, ছাত্ৰ জিৰণী কোঠা আৰু যি দুটা এটা পাঠদান কোঠাৰ চিলিং লগোৱা আৰু দুৱাৰ খিৰিকি মেৰামত কৰাৰ কাম বাকী আছে সেই খিনিও অনতিপলমে কৰাৰ ব্যৱস্থা কৰিবলৈ কতৃপক্ষক অনুৰোধ কৰিলোঁ ।

**ব্যক্তিগত কৃতজ্ঞতা :** সাধাৰণ সম্পাদকৰ গুৰুদায়িত্ব বহন কৰাৰ সময় ছোৱাৰ মোৰ কৃতিত্ব বিচাৰৰ ভাৰ মোৰ মহোদয়, ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধৱী সকলৰ হাতত । এই সময় ছোৱাত মোক যি সকলে সৰ্বতোপ্ৰকাৰে সহায় সহযোগিতা আগবঢ়ালে সেই সকলৰ ভিতৰত সৰ্বশ্ৰী পল্লৱ মহন্ত, সুনীল ঠাকুৰীয়া, আমজেদ আলি, জ্যোতিষ দাস, আৰতি মহন্ত, নীলিমা তালুকদাৰ, অৰুণা বসাক, মিনা বৰ্মণ, সঙ্গীতা বাভা, নিৰা বায়ন, মিনু দাসক মই কেতিয়াও পাহৰিব নোৱাৰিম । তদুপৰি অধ্যক্ষ তথা সভাপতি শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ, উপ-সভাপতি অধ্যাপক শ্ৰীযুত শৰত চন্দ্ৰ তালুকদাৰ, ছাত্ৰ একতা সভাৰ সমূহ সদস্য, অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰী সকল আৰু লগতে অন্যান্য সমূহ অধ্যাপক, অধ্যাপিকা সকলৰ প্ৰতি মোৰ গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ ।

সদৌ শেষত আমাৰ মহাবিদ্যালয়, ছাত্ৰ একতা সভা আৰু জৱাহৰ জ্যোতি'ৰ দীৰ্ঘায়ু আৰু উত্তৰোত্তৰ উন্নতি কামনা কৰি আৰু মোৰ অনিচ্ছাকৃত সকলো ভুল ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ । জয় আই অসম ।

শ্ৰীঅমৰ দাস, সাধাৰণ সম্পাদক,
জৱাহৰলাল নেহৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা

# জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাৰ্যকৰী সমিতি
## ১৯৮৬-৮৭ চন



থিয়হৈ ঃ ( বাওঁফালৰ পৰা ) সৰ্বশ্ৰী অনৱ দাস ( সাধাৰণ সম্পাদক ), কিশোৰ বসুমতাৰী ( সম্পাদক, খেল বিভাগ ), অজয় অধিকাৰী ( সম্পাদক, সাংস্কৃতিক বিভাগ ), প্ৰতিভা চৌধুৰী ( সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা ), কল্পনা গোস্বামী ( সম্পাদিকা, তৰ্ক আৰু আলোচনা চক্ৰ ), গৌৰাঙ্গ চৌধুৰী ( সম্পাদক, 'জৱাহৰ জ্যোতি'), মকিল আহমেদ ( সম্পাদাক, ছাত্ৰ জিৰণি কোঠা ), দিলীপ কুমাৰ দাস (সম্পাদক, সমাজ সেৱা বিভাগ)

বহি ঃ ( বাওঁফালৰ পৰা ) সৰ্বশ্ৰী অধ্যাপক জয়শঙ্কৰ হাজৰিকা ( তত্বাৱধায়ক, তৰ্ক আৰু আলোচনা চক্ৰ ), অধ্যাপক দিলীপ দাস ( তত্বাৱধায়ক 'জৱাহৰ জ্যোতি' ), অধ্যাপক মজিবুৰ ৰহমান ( তত্বাৱধায়ক, ছাত্ৰ জিৰণি কোঠা ), অধ্যাপক দেবেন শৰ্মা (তত্বাৱধায়ক, সাংস্কৃতিক বিভাগ), অধ্যক্ষ যতীন্দ্ৰ চন্দ্ৰ নাথ (সভাপতি ), অধ্যাপক শৰত চন্দ্ৰ তালুকদাৰ ( উপ-সভাপতি ), অধ্যাপক ধৰ্মকান্ত বৰুৱা (তত্বাৱধায়ক, সমাজ সেৱা বিভাগ), অধ্যাপিকা ৰমিতা ফুকন ( তত্বাৱধায়িকা, ছাত্ৰী জিৰণি কোঠা ), অধ্যাপক দ্বিজেন দাস ( তত্বাৱধায়ক, খেল বিভাগ ) ।



# খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে ১৯৮৬-৮৭ চনৰ বাবে বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ খেল বিভাগৰ সম্পাদকৰ দায়িত্বৰ বাবে মনোনীত কৰা বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ দেৱলৈ মোৰ কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছোঁ।

খেল-ধেমালি যে শিক্ষাৰ এক অবিচ্ছেদ্য অঙ্গ কোৱা নিষ্প্ৰয়োজন। শাৰীৰিক আৰু মানসিক বিকাশ সাধন কৰাৰ উপৰিও খেলা-ধূলাই জাতি এটাৰ প্ৰাণ চঞ্চলতাৰ স্বাক্ষৰ বহন কৰে। বিশ্বৰ বহু দেশে সেয়ে পুথিগত শিক্ষাৰ অঙ্গাঙ্গীকৈ খেলা-ধূলাৰ ওপৰতো প্ৰভুত গুৰুত্ব আৰোপ কৰিছে। ফল স্বৰূপে, খেলা ধূলাৰ জৰিয়তে বহুদেশে আন্তৰ্জাতিক মঞ্চত স্বকীয় জাতীয় মৰ্যদা প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। দুৰ্ভাগ্যবশতঃ, ভাৰত এখন বিশাল দেশ হোৱা স্বত্বেও খেলা-ধূলাৰ মানদণ্ড আজিও শোচনীয়ভাবে পিচ পৰি আছে। চৰকাৰে এই বিষয়ত সচেতন হৈ উপযুক্ত ব্যৱস্থা গ্ৰহন কৰা উচিত।

এইবেলি আমাৰ মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয় ১৩।২।৮৭ ৰ পৰা ১৮।২।৮৭ ইং তাৰিখলৈ। সেই সময়ছোৱাৰ ভিতৰত প্ৰায় সকলোবিলাক খেল ধেমালিয়ে আমাৰ মহাবিদ্যালয়ৰ খেল-পথাৰত অনুষ্ঠিত কৰা হয়। যিবিলাক ছাত্ৰ-ছাত্ৰীয়ে এই খেল ধেমালি সমূহত অংশ গ্ৰহন কৰি নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰিলে আৰু লগতে দৰ্শক সকলৰ মনোৰঞ্জন কৰিলে সেই সকল ছাত্ৰ-ছাত্ৰীলৈ মই এই সুযোগতে ধন্যবাদ জ্ঞাপন কৰিলো। এই খিনিতে উল্লেখ কৰা ভাল হব যে আমাৰ খেলুৱৈ ছাত্ৰ-ছাত্ৰী সকলক উৎসাহিত কৰিবলৈ দৰ্শক ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আশানুৰূপ নাছিল। আমি আশা ৰাখিছোঁ, খেলত অংশ গ্ৰহন নকৰা ছাত্ৰ-ছাত্ৰী সকলে উপস্থিত থাকি খেলুৱৈ ছাত্ৰ-ছাত্ৰী সকলক উৎসাহ প্ৰদান কৰিব। আৰু এটা কথা, অনুশীলনৰ অভাৱৰ কাৰণে খেলুৱৈ সকলৰ মানদণ্ড আশানুৰূপ নাছিল। আশাকৰো আমাৰ খেলুৱৈ ছাত্ৰ-ছাত্ৰী সকলে পূৰ্ব প্ৰস্তুতি লৈ খেলত অংশ গ্ৰহণ কৰি নিজৰ আৰু লগতে মহাবিদ্যালয়ৰ মানদণ্ডও উন্নীত কৰিব।

এইবেলি টিহুত অনুষ্ঠিত হোৱা আন্তঃ মহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰাৰ বাবে প্ৰচেষ্টা চলোৱা হৈছিল ; কিন্তু উপযুক্ত খেলুৱৈৰ অভাৱৰ বাবে কতৃপক্ষৰ অনুমোদন থকা স্বত্বেও অংশ গ্ৰহণ কৰা সম্ভৱ হৈ নুঠিল। ইয়াৰ বাবে মই দুঃখিত। আশাকৰো, ভৱিষ্যতে সুপ্ৰস্তুতি চলাই আমাৰ খেলুৱৈ সকলে এনে প্ৰতিযোগিতাত অংশ গ্ৰহন কৰি মহাবিদ্যালয়ৰ প্ৰতিষ্ঠিত সুনাম অক্ষুন্ন ৰাখিব।

সদৌ শেষত খেল-ধেমালি পৰিচালনা কৰাৰ ক্ষেত্ৰত পদে পদে দিহা পৰামৰ্শ দিয়া বাবে ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত দ্বিজেন দাস মহোদয়লৈ মোৰ অকৃত্ৰিম কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে যি সকল বন্ধু-বান্ধৱীয়ে খেল-ধেমালি সমূহ পৰিচালনা কৰাত দেহে-কেহে খাটি সহায় সহযোগিতা আগবঢ়াইছিল সেই সকলক মই কেতিয়াও পাহৰিব নোৱাৰো। সেই সকললৈ মই এই চেগতে মোৰ অন্তৰৰ সস্নেহ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

শ্ৰীকিশোৰ কুমাৰ বসুমতাৰী
সম্পাদক, খেল-বিভাগ।



# সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে মই জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীকে মোক এইবাৰৰ কাৰণে বিনা প্ৰতিদ্বন্দিতাৰে সাংস্কৃতিক বিভাগৰ সম্পাদক নিৰ্বাচিত কৰা বাবে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। এই ক্ষেত্ৰত মোৰ কৃতকাৰ্যতা নিৰূপণ কৰাৰ ভাৰ তেওঁলোকৰ হাততে। অৱশ্যে মোৰ কাৰ্যসমূহ পৰিচালনা কৰাত জ্ঞাতভাৱে মই যত্নৰ কোনো ত্ৰুটি কৰা নাছিলোঁ। অজ্ঞানিত কিবা ভুল ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা চাইছোঁ।

এইবাৰ মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতা সমূহত বহু সংখ্যক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰি তেওঁলোকৰ বহুমুখী প্ৰতিভাৰ পৰিচয় দিয়ে। কিন্তু আগৰ দৰে একাঙ্কিকা নাট আৰু ভেশচন প্ৰতিযোগিতা প্ৰতিযোগীৰ অভাৱত পাতিব নোৱাৰাটো দুখৰ কথা। ভৱিষ্যতে এই প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হব বুলি আশা ৰাখিছোঁ।

এইবাৰ কেবা বছৰৰ মূৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ সৌজন্যত অনুষ্ঠিত হোৱা আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়ে যোগদান কৰিব পৰাটো আমাৰ বাবে সুখৰ কথা। আমাৰ প্ৰতিযোগী সকলে কোনো বঁটা লাভ কৰিব নোৱাৰিলেও দৰ্শকৰ পৰা পোৱা অকুণ্ঠ সমাদৰে আমাৰ বাবে ভৱিষ্যতৰ মূলধন হব।

সাংস্কৃতিক বিভাগটোত আমাৰ ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধৱী সকলে যিবোৰ অভাৱ পাইছে সেই সকলোবোৰৰ কথা মহাবিদ্যালয় কৰ্তৃপক্ষক জনোৱা হৈছে। আমি আশা ৰাখিছো, মহাবিদ্যালয় কৰ্তৃপক্ষই সেইবোৰ অনতিপলমে দূৰ কৰিব। মোৰ কাৰ্যকাল ছোৱাত সকলো সময়তে দিহা পৰামৰ্শ তথা সহায় সহযোগিতা আগবঢ়োৱা কাৰণে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ দেৱ, ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত দেৱেন্দ্ৰ নাথ শৰ্মা দেৱ, গ্ৰন্থাগাৰিক শ্ৰীভাৰত চৌধুৰী আৰু মোৰ বন্ধু জ্যোতি কুমাৰ আৰু তীৰ্থ বড়োক আৰু লগতে সমূহ ছাত্ৰ-ছাত্ৰীকে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সৰ্বশেষত মোৰ অজ্ঞানিত ভুল ত্ৰুটিৰ বাবে পুনৰ ক্ষমা বিচাৰি মহাবিদ্যালয় আৰু ইয়াৰ সাংস্কৃতিক বিভাগৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয় আই অসম। জয়তু জৱাহৰজ্যোতি।

শ্ৰীঅজয় অধিকাৰী
সাংস্কৃতিক বিভাগৰ সম্পাদক,
জৱাহৰলাল নেহৰু মহাবিদ্যালয়
ছাত্ৰ একতা সভা।



# তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ অ.বন্তণিতে যিসকল বন্ধু-বান্ধৱীৰ উৎসাহ উদ্দীপনাত তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদিকা পদত নিযুক্ত হ'লো তেওঁলোকলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ ।

তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদিকা হিচাবে কাৰ্য্যভাৰ গ্ৰহন কৰাৰ কিছুদিন পাচতেই আমাৰ মহাবিদ্যালয়ত "মহাবিদ্যালয় সপ্তাহ" পালন কৰা হয় । অইন বছৰৰ দৰে এই বাৰো মহাবিদ্যালয় সপ্তাহত বিভিন্ন কাৰ্য্যসূচীৰ লগতে তৰ্ক আকস্মিক বক্তৃতা, কুইজ, আবৃত্তি (ইংৰাজী-অসমীয়া) প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল । কিন্তু অতি দুখৰ কথা যে উক্ত প্ৰতিযোগিতা সমূহত প্ৰতিযোগীৰ সংখ্যা নিচেই কম আছিল । তদুপৰি প্ৰতিযোগীৰ অভাৱত এইবাৰ তৰ্ক প্ৰতিযোগিতা পাতিব পৰা নগ'ল । প্ৰতিযোগীৰ বাহিৰেও আন-আন ছত্ৰ ছাত্ৰীৰ উপস্থিতি নিচেই কম দেখিবলৈ পোৱা গৈছিল । সেয়েহে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ অনুৰোধ তেওঁলোকে যেন ভৱিষ্যতে মহাবিদ্যালয়ৰ বিভিন্ন অনুষ্ঠানত অংশ গ্ৰহন কৰি এনে অনুষ্ঠানৰ শোভা বৰ্দ্ধন কৰে ।

মোৰ কাৰ্য্যকালৰ সময়ছোৱাত মহাবিদ্যালয় সপ্তাহ উপলক্ষে আয়োজন কৰা বিভিন্ন প্ৰতিযোগিতা সমূহ পৰিচালনা কৰাত যি কেইগৰাকী অধ্যাপক-অধ্যাপিকাই মোক সহায় আগবঢ়ালে তেখেত সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা থাকিল । তৰ্ক আৰু আলোচনা বিভাগৰ তত্বাৱধায়ক অধ্যাপক জয় শংকৰ হাজৰিকা চাৰে বিভিন্ন ক্ষেত্ৰত নানা দিহা-পৰামৰ্শ দি সুচাৰুৰূপে কাম চলাই নিয়াত মোক যি সহায় আগবঢ়ালে তাৰ বাবে তেওঁৰ ওচৰত মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ ।

যি কেইগৰাকী বন্ধু-বান্ধৱীয়ে মোৰ কাৰ্য্যকাল ছোৱাত নানা ধৰণে সহায় আগবঢ়ালে তেওঁলোকলৈ মই মোৰ অকৃত্ৰিম প্ৰীতি তথা শুভেচ্ছা জনাইছো । মই মোৰ জ্ঞাতেই বা অজ্ঞাতেই হোৱা ভুল ত্ৰুটীৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰুৰ ওচৰত ক্ষমা বিচাৰিছোঁ।

সদৌ শেষত বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ উজ্বল ভবিষ্যত কামনা কৰাৰ লগতে এই মহাবিদ্যালয়ৰৰ আলোচনী "জৱাহৰ জ্যোতি"ৰ দীৰ্ঘায়ু কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো ।

**ধন্যবাদেৰে –**
কল্পনা গোস্বামী
সম্পাদিকা, তৰ্ক আৰু আলোচনা বিভাগ ।



# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত যি সকল বীৰ-বীৰাঙ্গনাই তপ্ত তেজেৰে লুইতৰ পানী ৰাঙলী কৰি গ'ল সেই সকল শ্বহীদলৈ শ্ৰদ্ধাৰে সুঁৱৰিছো "হে শ্বহীদ ! তুমি অমৰ হোৱা ।"

১৯৮৭ চনৰ ফেব্ৰুৱাৰী মাহত মই অধ্যক্ষ মহোদয়ৰ পৰা ছাত্ৰ জিৰনি কোঠাৰ সম্পাদকৰ দায়িত্ব গ্ৰহন কৰো । যি সকল ছাত্ৰ-ছাত্ৰীয়ে তথা বন্ধু-বান্ধৱীয়ে মৰম আৰু সহানুভুতিৰে মোক এই বিভাগৰ দায়িত্ব ভাৰ অৰ্পন কৰিলে তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো ।

কাৰ্যভাৰ গ্ৰহন কৰা কিছুদিন পাছতেই "মহাবিদ্যালয় সপ্তাহ" আৰম্ভ হয় । মহাবিদ্যালয় সপ্তাহত বিভিন্ন খেল সমূহৰ লগতে Indoor Games ৰ খেল সমূহো লেখত লবলগীয়া। আমাৰ মহাবিদ্যালয়ত কেৱল মাত্ৰ কেৰম, আৰু বেডমিণ্টনৰ খেল সমূহ চলিছিল । এই সীমিত পৰিমাণৰ Indoor Games ত মহাবিদ্যালয়ৰ প্ৰায় ভাগ লৰা ছোৱালীয়ে যোগদান কৰি খেল দুটা উজ্বল মুখৰ কৰি তুলিছিল । যি সকল ছাত্ৰ-ছাত্ৰীয়ে এই খেল সমূহত যোগদান কৰি তেওঁলোকৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰিলে, তেওঁলোকৰ মই উজ্বল ভৱিষ্যৎ কামনা কৰিলো । এইখিনিতে মহাবিদ্যালয় কতৃপক্ষলৈ অনুৰোধ থাকিল যাতে Indoor Games ৰ যাৱতীয় সকলোবোৰ সামগ্ৰী বিশেষকৈ টেবুল টেনিছৰ এখন বোৰ্ড যোগান ধৰি ছাত্ৰ-ছাত্ৰীৰ স্বকীয় তথা সামূহিক প্ৰতিভাৰ বিকাশ সাধনত ইন্ধন যোগায় । ছাত্ৰ জিৰণি কোঠাৰ তত্বাবধায়ক অধ্যাপক মাননীয় মঃ মজিবৰ ৰহমান চাৰৰ দিহা পৰামৰ্শৰ বাবে মোৰ খেলবোৰ পৰিচালনা কৰাত উজ্ব হৈ পাৰিছিল । সেইবাবে তেখেতৰ ওচৰত মই কৃতজ্ঞ ।

মোৰ বিভিন্ন কাৰ্য পৰিচালনা কৰাত সহায় সহযোগ কৰা সুনীল, পল্লৱ, দেবেন আৰু আমজাদ, কমললৈ মোৰ ধন্যবাদ থাকিল। ইয়াৰোপৰি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ ধন্যবাদ থাকিল ।

এই এবছৰীয়া কাৰ্যকালত মই কিমানখিনি কৃতকাৰ্য হৈছো সেয়া আপোনালোকৰ বিচাৰ্য ।

সদো শেষত মই মোৰ ভুল ভ্ৰান্তিৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিলো আৰু মহাবিদ্যালয়ৰ ভৱিষ্যত উজ্বল কামনা কৰি প্ৰতিবেদন ইমানতে সামৰিলো ।

**জয় আই অসম**

"জয়তু জৱাহৰ জ্যোতি"

মঃ মকিল আহমেদ

সম্পাদক, ছাত্ৰ জিৰণি কোঠা ।



# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মোক জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে বিনাপ্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰাৰ বাবে ছাত্ৰ-ছাত্ৰী-সকললৈ মই আন্তৰিক ধন্যবাদ 'জৱাহৰ জ্যোতি'ৰ জৰিয়তে জ্ঞাপন কৰিলোঁ। এই কাৰ্য্যকালছোৱাত মই মোৰ কৰ্ত্তব্য পালনত কিমান দূৰ অগ্ৰসৰ হব পাৰিছো সেইয়া বিচাৰ কৰাৰ ভাৰ ছাত্ৰ-ছাত্ৰী তথা ভাৰপ্ৰাপ্ত অধ্যাপিকাৰ হাততেই এৰি দিছো ।

এই বছৰ আমাৰ মহাবিদ্যালয়ত উলহ-মালহেৰে 'মহাবিদ্যালয় সপ্তাহ' পালন কৰা হয়। এই সপ্তাহ উপলক্ষে অনুষ্ঠিত কৰা পুষ্প-সজ্জা আৰু চিলাই প্ৰতি-যোগিতাত ছাত্ৰীসকলৰ সক্ৰিয় যোগদানে এই প্ৰতিযোগিতা অতি সুন্দৰ কৰি তোলে। ভৱিষ্যতে ছাত্ৰ-ছাত্ৰীসকলৰ এনে ধৰণৰ উৎসাহ কামনা কৰা হ'ল ।

মোৰ কাৰ্য্য-কালছোৱাত ছাত্ৰীসকলৰ বিশেষ কিছুমান অভাৱ পূৰণ কৰিব নোৱাৰি মই দুঃখিত । ইয়াৰ উপৰিও এটা কথা স্বীকাৰ কৰিব লাগিব যে ছাত্ৰীৰ সংখ্যা বৃদ্ধিৰ লগে লগে আমাৰ জিৰণি কোঠাটো কিছু সৰু হৈছে। মই আশা কৰিছোঁ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই ইয়াৰ এটা ব্যৱস্থা অতি সোনকালে হাতত লব।

মোৰ কাৰ্য্যকালছোৱাত ভিন্ন দিশত দিহা পৰামৰ্শ দি সহায় কৰা বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ দেৱলৈ, ভাৰপ্ৰাপ্ত অধ্যাপিকা বুমিতা বাইদেউলৈ আৰু আমাৰ বিভিন্ন বিভাগৰ অধ্যাপক অধ্যাপিকালৈ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনালো । ইয়াৰ উপৰিও বিভিন্ন কামত সহায় সহযোগ আগবঢ়োৱা বন্ধু-বান্ধৱী তথা ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত মই চিৰ কৃতজ্ঞ ।

অতি কম সময়ৰ ভিতৰত সকলোবোৰ কাম কৰিবলগীয়া হোৱা বাবে মোৰ কৰ্তব্য পালনত বহুতো ভুল ভ্ৰান্তি থাকিব পাৰে। তাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত মই ক্ষমা বিছাৰিছোঁ । শেষত আমাৰ মহা-বিদ্যালয় ছাত্ৰ একতা সভাৰ দীৰ্ঘ জীৱন কামনা কৰি মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীলৈ শ্ৰদ্ধা, শুভেচ্ছা আৰু ধন্যবাদ জনাই মোৰ প্ৰতিবেদনৰ ইমানতে সামৰণি মাৰিছোঁ ।

" জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয় "

মিচ্ প্ৰতিভা চৌধুৰী
সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা ( ১৯৮৭-৮৮ )



# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

বৰ্তমান যুগ কৰ্মৰ যুগ । কৰ্মৰ দ্বাৰাই নিজক, সমাজ তথা দেশৰ জনগণক উৎসাহিত কৰি তুলিব পাৰি । উপদেশ দিয়াতকৈ হাতে কামে সক্ৰিয় ভাবে লাগিলে সমস্যা সমাধান নোহোৱাকৈ নথাকে । পাঠ্য-পুথিৰ সীমিত জ্ঞানে আমাক জীয়াই ৰাখিব নোৱাৰে । তাৰ বাবে আমাক লাগিব বহুমুখী কাৰিকৰী শিক্ষাৰ জ্ঞান ।

সমাজ সেৱা শিক্ষাৰ এটি অপৰিহাৰ্য অংগ । আমাৰ দেশখন স্বাধীনতাৰ দুকুৰি বছৰ পাছতো বহু ক্ষেত্ৰত পিছপৰি আছে । বিশেষকৈ অনুন্নত আৰু গ্ৰাম্যাঞ্চলৰ উন্নতি সাধনৰ বাবে ভাৰত চৰকাৰে “ জাতীয় সেৱা আঁচনি ” ( National Service Scneme ) অনুসৰি ভিন ভিন শিক্ষানুষ্ঠান সমূহৰ ছাত্ৰ-ছাত্ৰীসকলে অনুন্নত ঠাই আৰু ভিতৰুৱা গাওঁবোৰলৈ গৈ নিৰক্ষৰ লোকসকলক বিভিন্ন বিভাগত শিক্ষাদান কৰাৰ উপৰিও আদৰ্শ জীৱন-যাপনৰ আঁহি দেখুৱাই হাতে-কামে সহায় সহযোগৰ সেৱা আগবঢ়ায় ।

এইবেলি উত্তৰ গুৱাহাটী মহাবিদ্যালয়ত গুৱাহাটী বিশ্ববিদ্যালয়ে আয়োজন কৰা ‘ জাতীয় সেৱা আঁচনি ’ ( N. S. S. )ৰ শিবিৰ ২৩ জুলাইৰ পৰা ২৯ জুলাইলৈ অনুষ্ঠিত হয় । এই শিবিৰত অসমৰ বহুতো মহাবিদ্যালয়ৰ লগতে আমাৰ মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীযুত দ্বীজেন দাস দেৱৰ তত্বাৱধানত চাৰিজনীয়া প্ৰতিনিধি দল এটাই যোগদান কৰে ।

আমাৰ মহাবিদ্যালয়তো ১৬ জানুৱাৰী, ২৪ জানুৱাৰী আৰু ৩ চেপ্তেম্বৰ ’ ৮৭ তাৰিখে খেল পথাৰখন আৰু মহাবিদ্যালৰ সন্মুখৰ ঠাইবোৰ পৰিস্কাৰ কৰা হয় ।

মোৰ এই তাকৰীয়া কাৰ্যকালছোৱাত সকলো ফালৰ পৰা সহায় সহযোগিতা আগবঢ়োৱা বাবে সমাজ সেৱা বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত ধৰ্মকান্ত বৰুৱা, আন আন অধ্যাপক অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলক কৃতজ্ঞতা জ্ঞাপন কৰিছো । এই গধুৰ দায়িত্বত অজানিতে হোৱা ভুল-ত্ৰুটিৰ মাৰ্জনা বিচাৰি আৰু মহাবিদ্যালয়ৰ ভৱিষ্যত উজ্বল কামনাৰে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো ।

জয়তু জৱাহৰ জ্যোতি
শ্ৰীদিলীপ কুমাৰ দাস
সম্পাদক, সমাজ সেৱা বিভাগ
১৯৮৬-৮৭ ইং চন ।



# ঃ আলোচনী সম্পাদকৰ ব্যক্তিগত আমাৰ চৈৰেক ঃ

'জৱাহৰজ্যোতি'ৰ এই সংখ্যাটো প্ৰকাশ কৰি উলিওৱাত দিয়া বহুমূলীয়া দিহা পৰামৰ্শৰ বাবে জয় জয়ন্তে মই অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ দেৱলৈ মোৰ কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছোঁ। গল্প, কবিতা, প্ৰবন্ধ পাতিবোৰ চাই মেলি শুধৰণী কৰি সজাই পৰাই দিয়া বাবে সম্পাদনা সমিতিৰ আটাই কেইগৰাকী শিক্ষা গুৰুলৈ মোৰ অকৃত্ৰিম শলাগ যাচিছোঁ। উপযুক্ত প্ৰবন্ধ পাতিৰ অভাৱত ইংৰাজী শাখাত একো প্ৰকাশ কৰিব নোৱাৰি আমি দুঃখিত। যি সকলে অসমীয়া শাখাত প্ৰবন্ধ-পাতি যোগান ধৰি 'জৱাহৰ জ্যোতি'ৰ এই সংখ্যা প্ৰকাশত অবিহণা যোগালে তেওঁলোকলৈ মোৰ সশ্ৰদ্ধ কৃতজ্ঞতা থাকিল।

অসমৰ শিক্ষামন্ত্ৰী শ্ৰীযুত বৃন্দাবন গোস্বামী আৰু ৰাজ্যিক শিক্ষামন্ত্ৰী শ্ৰীযুত যতীন মালীদেৱে একোটিকৈ শুভেচ্ছাবাণী প্ৰেৰণ কৰি আমাক উৎসাহিত কৰা বাবে তেখেতসকললৈ আমি এই সুযোগতে আমাৰ অকৃত্ৰিম কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ।

অতি ব্যস্ততাৰ মাজতো আমাক এটি সাক্ষাৎকাৰ লোৱাৰ সুযোগ দিয়া বাবে ডেকা বিজ্ঞানী শ্ৰীপ্ৰদীপ দাসৰ ওচৰতো আমি কৃতজ্ঞ।

প্ৰবন্ধ-পাতিবোৰ প্ৰেছৰ বাবে পাণ্ডুলিপি প্ৰস্তুত কৰাকে ধৰি নানা প্ৰকাৰে সহায় সহযোগিতাৰ হাত আগবঢ়োৱা বাবে বন্ধু ভূষণ, বিৰিঞ্চি (প্ৰাক্তন সম্পাদক), দুলৰ্ভ, জ্যোতিৰ (প্ৰাক্তন ছাত্ৰ), সুনীল, পল্লৱ, ভীষ্মদেৱ, আমজাদ, মকিল, অমৰ, দিলীপ, কাৰ্ত্তিক, অজয় আৰু বান্ধৱী কল্পনা, প্ৰতিভা, নীলিমা, ডালিমী, বুণুমী আৰু মিলিলৈ মোৰ আন্তৰিক ধন্যবাদ ও কৃতজ্ঞতা থাকিল।

বিজয়নগৰ পূৰ্বাচল প্ৰেছৰ স্বত্বাধিকাৰী শ্ৰীৰাজেন্দ্ৰ কলিতা ডাঙৰীয়াই 'জৱাহৰ জ্যোতি'ৰ প্ৰকাশৰ গুৰু দায়িত্ব কান্ধত লৈ আলোচনীখন নিষ্ঠাৰে প্ৰকাশ কৰা বাবে তেখেতলৈ আৰু লগতে ছপাশালৰ সমূহ কৰ্মীলৈ আমাৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সদোশেষত, অনিচ্ছাকৃত সকলো ত্ৰুটি বিচ্যুতি আৰু বিলম্বৰ বাবে সংশ্লিষ্ট সকলোৰে ওচৰত কৰযোৰে ক্ষমা প্ৰাৰ্থনা মাগি অনাগত দিনত 'জৱাহৰ জ্যোতি' আৰু জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ নতুন জ্যোতি কামনা কৰিলোঁ।

গৌৰাঙ্গ চৌধুৰী

সম্পাদক 'জৱাহৰ জ্যোতি'

# ১৯৮৬-৮৭ চনৰ মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল ঃ

# খেল বিভাগৰ ফলাফল

## ( ল'ৰাৰ শাখা )

### ১০০ মিটাৰ দৌৰ ঃ

১ম— শ্ৰীভীষ্ম দেৱ বাভা ( স্নাতক ১ম )
২য়— „ তৰুণ দাস ( উঃ মাঃ ১ম )
২য়— „ লক্ষ্মণ বাভা ( উঃ মাঃ ১ম )

### ২০০ মিটাৰ দৌৰ ঃ

১ম— শ্ৰীতৰুণ দাস ( উঃ মাঃ ১ম )
২য়— ” সুশীল শৰ্মা ( উঃ মাঃ ১ম )
২য়— ” জ্যোতিষ দাস ( উঃ মাঃ ১ম )
৩য়— ” মুকিল আহমেদ ( স্নাতক ১ম )

### ৪০০ মিটাৰ দৌৰ ঃ

১ম— শ্ৰীভীষ্ম দেৱ বাভা ( স্নাতক ১ম )
২য়— ” তৰুণ দাস ( উঃ মাঃ ১ম )
৩য়— „ হেম কান্ত বাভা ( উঃ মাঃ ১ম )

### ৮০০ মিটাৰ দৌৰ ঃ

১ম— শ্ৰীহেম কান্ত বাভা ( উঃ মাঃ ১ম )
২য়— „ ভীষ্ম দেৱ বাভা ( স্নাতক ১ম )
৩য়— ” চিত্ৰমোহন বাভা ( উঃ মাঃ ১ম )

### ৰিলেৰেচ্ ঃ

১ম
শ্ৰীভীষ্ম দেৱ বাভা ( স্নাতক ১ম )
” তৰুন দাস ( উঃ মাঃ ১ম )
” হেম বাভা ( উঃ মাঃ ১ম )
” চিত্ৰ মোহন বাভা ( উঃ মাঃ ১ম )

২য়
শ্ৰীবিষ্ণু বড়ো ( স্নাতক ২য় )
” কৰ্ণভূষণ বসুমটাৰী ( স্নাতক ১ম )
„ পৱন কুমাৰ বাভা ( স্নাতক ২য় )
„ বসন্ত বড়ো ( স্নাতক ২য় )

### হ'ই জাম্প ঃ

১ম— শ্ৰীৰাজেশ্বৰ বড়ো ( উঃ মাঃ ১ম )
২য়— ” কৰ্ণভূষণ বসুমটাৰী ( স্নাতক ১ম )
২য়— ” চা আলি ( স্নাতক ১ম )

### লং জাম্প ঃ

১ম— শ্ৰীৰাজেশ্বৰ বড়ো ( উঃ মাঃ ১ম )
২য়— ” ভীষ্ম দেৱ বাভা ( স্নাতক ১ম )
৩য়— „ জ্যোতিষ দাস ( উঃ মাঃ ১ম )

# সম্ভাৱনাৰ স্বাক্ষৰেৰে



বছৰৰ শ্ৰেষ্ঠা গায়িকা
মিচ্ দীপিকা দেৱী
যাব কোকিল কণ্ঠই মুহি
থৈ যায় দৰ্শক শ্ৰোতাব অন্তৰ······



বছৰৰ শ্ৰেষ্ঠা খেলুৱৈ
মিচ্ যুতিকা ৰয়
যাব খেলৰ ছন্দই দিয়ে
তীব্ৰ প্ৰেৰণা···



ৰাজেশ্বৰ বড়ো



ভীষ্মদেৱ ৰাভা

বছৰৰ শ্ৰেষ্ঠ খেলুৱৈদ্বয়
খেল ধেমালিতে হয়তো আছে যাৰ
জীৱনৰ উজ্বল ভবিষ্যৎ



অসমৰ বিভিন্ন ঠাইত বিভিন্ন সময়ত অনুষ্ঠিত হোৱা কবিতা প্ৰতিযোগিতাত বঁটা-বিজয়ী আমাৰ মহাবিদ্যালয়ৰ স্নাতক দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ উদীয়মান কবি শ্ৰীবিৰিঞ্চি কুমাৰ ৰাভা—যাৰ কবিতাত আছে সম্ভাৱনাৰ পূৰ্ণ স্বাক্ষৰ

**পল ভল্ট ঃ**

১ম— শ্ৰীভূষণ ঠাকুৰীয়া — স্নাতক ২য়
২য়— ৰাজেশ্বৰ বড়ো — উঃ মাঃ ১ম

**স্বট্ পুত ঃ**

১ম— শ্ৰীদয়ানন্দ ৰাভা — স্নাতক ২য়
২য়— মতিলাল ৰাভা — স্নাতক ২য়
২য়— পুনিৰাম ৰাভা — স্নাতক ২য়

**জেভ্‌লিন থ্ৰো ঃ**

১ম— শ্ৰীমতিলাল ৰাভা — স্নাতক ২য়
২য়— হেম ৰাভা — উঃ মাঃ ১ম
৩য়— দয়ানন্দ ৰাভা — স্নাতক ২য়

**ডিচকাচ্ থ্ৰো ঃ**

১ম— দয়ানন্দ ৰাভা — স্নাতক ২য় বাৰ্ষিক
২য়— ৰাজেশ্বৰ বড়ো — উঃ মাঃ ১ম বাৰ্ষিক
৩য়— পুণিৰাম ৰাভা — স্নাতক ২য় বাৰ্ষিক

**বেদ্মিণ্টন (একজনীয়া)**

চেম্পিয়ন—কুলধৰ মহন্ত — উঃ মাঃ ২য় বাৰ্ষিক
ৰাণাৰ্চ-আপ—তৰুণ বড়ো — উঃ মাঃ ২য় বাৰ্ষিক

**বেদ্মিণ্টন (দুজনীয়া ঃ)**

চেম্পিয়ন—কুলধৰ মহন্ত — উঃ মাঃ ২য় বাৰ্ষিক
তৰুন বড়ো — উঃ মাঃ ২য় বাৰ্ষিক
বানাৰ্চ আপ—আমাজাদ আলি — স্নাতক ১ম বাৰ্ষিক
সুনীল ঠাকুৰীয়া — স্নাতক ১ম বাৰ্ষিক

**কেৰম (একজনীয়া)**

চেম্পিয়ন—লম্ব ৰাভা — উঃ মাঃ ২য় বাৰ্ষিক
বানাৰ্চআপ—ভূষণ ঠাকুৰীয়া — স্নাতক ২য় বাৰ্ষিক

**কেৰম (দুজনীয়া)**

চেম্পিয়ন—আমান আলি [উঃ মাঃ ২য় বাৰ্ষিক]
নিৰঞ্জন মণ্ডল [উঃ মাঃ ১ম বাৰ্ষিক]

ৰাণাৰ্চ-আপ—গণেশ ৰাভা [স্নাতক ২য় বাৰ্ষিক]
ভূষণ ঠাকুৰীয়া [স্নাতক ২য় বাৰ্ষিক]

**ভলী ব'ল ঃ**

চেম্পিয়নশ্বিপ— স্নাতক ২ৰ বাৰ্ষিক দল।
ৰানাৰ্চ-আপ— স্নাতক ১ম বাৰ্ষিক দল।
ক্ৰিকেট্ [লিমিটেড্ অ'ভাৰ ঃ]
চেম্পিয়নশ্বিপ— উঃ মাঃ ২য় বাৰ্ষিক দল।
বানাৰ্চ-আপ— উঃ মা ১ম বাৰ্ষিক দল।
এই বেলিৰ ল'ৰাৰ শ্ৰেষ্ঠ খেলুৱৈদ্বয় হ'ল
শ্ৰীভীষ্ম দেৱ ৰাভা [স্নাতক ১ম]
শ্ৰীৰাজেশ্বৰ বড়ো [উঃ মা ১ম]

## ছোৱালী শাখা

**১০০ মিটাৰ দৌৰ ঃ**

১ম— মিচ মীৰা মহন্ত — উঃ মাঃ ১ম
২য়— মিচ বুলুবাণী দাস — স্নাতক ২য়
৩য়— মিচ জুতিকা ৰয় — উঃ মাঃ ১ম

**২০০ মিটাৰ দৌৰ**

১ম— মিচ মীৰা মহন্ত — উঃ মাঃ ১ম
২য়— মিচ বুলুবাণী দাস — স্নাতক ২য়
২য়— মিচ জুতিকা ৰয় — উঃ মাঃ ১ম

**৪ টাৰ দৌৰ**

১ম— মিচ মীৰা মহন্ত — উঃ মাঃ ১ম
২য়— মিচ জুতিকা ৰয় — উঃ মাঃ ১ম
৩য়— মিচ মঞ্জুলা ঠাকুৰীয়া — স্নাতক ১ম

## ৰিলেৰেচ.

| | |
|---|---|
| | মিচ মীৰা মহন্ত |
| | মিচ জুতিকা ৰয় |
| ১ম | মিচ স্বৰ্ণলতা পাঠক |
| | মিচ মঞ্জুলা ঠাকুৰীয়া |
| | মিচ বুলুৰাণী দাস |
| ২য় | মিচ অঞ্জলি দাস |
| | মিচ বীতা বসাক |
| | মিচ কণমাই ৰাভা |

## চটপু'ত

১ম— মিচ বুলুৰাণী দাস স্নাতক ২য়
২য়— „ ৰীতা বসাক স্নাতক ২য়
৩য়— ” ক্ষীবোদা বড়ো উঃ মাঃ ১ম

## জেভ্‌লিন থ্ৰো :

১ম— মিচ বীতা বসাক স্নাতক ২ম
২য়— „ জুতিকা ৰয় উঃ মাঃ ১ম
৩য়— „ বুলুৰাণী দাস স্নাতক ২য়

## ডিচ কাচ থ্ৰো :

১ম— মিচ বীতা বসাক স্নাতক ২য়
২য়— ” বুলুৰাণী দাস স্নাতক ২য়
৩য়— ” তৰুলতা কলিতা স্নাতক ১ম

## মিউজিকেল চেয়াৰ :

১ম— মিচ জুতিকা ৰয় উঃ মাঃ ১ম
২য়— ” বীতা বসাক স্নাতক ২য়
৩য়— „ বুলুৰাণী দাস স্নাতক ২য়

## ব্লাইণ্ড হিট :

মিচ অঞ্জলী দাস ( স্নাতক ৩য় )
„ জুতিকা ৰয় ( উঃ মাঃ ১ম )
” মঞ্জুবাণী দাস ( উঃ মাঃ ১ম )
” মিনা বৰ্ম্মণ ( স্নাতক ১ম )
„ মধুমিতা দাস উঃ মাঃ ১ম

### ( ৰিং এক্কনীয়া )

১। কণমাই ৰাভা [ বি,এ ২য় বাৰ্ষিক ] ছেম্পিয়ন
২। বীতা বসাক [ বি,এ ২য় ” ] ৰানাৰ্চ-আপ

### ( ৰিং দুক্কনীয়া )

১। ৰীতা বসাক [ বি,এ বাৰ্ষিক ] চেম্পিয়ন
২। অৰুনা বসাক [ বি,এ ১ম ” ] চেম্পিয়ন
৩। বুলুৰাণী দাস [ বি,এ ২য় ” ] ৰানাৰ্চ-আপ
৪। কণমাই ৰাভা [ বি,এ ২য় ” ] ”

### [ কেৰম এক্কনীয়া ]

১। বুলুৰাণী দাস [ বি,এ ২য় বাৰ্ষিক ] চেম্পিয়ন
২। নীলিমা তালুকদাৰ [ বি,এ ১ম „ ] ৰানাৰ্চ-আপ

### ( কেৰম দুক্কনীয়া )

১। নীলিমা তালুকদাৰ ( বি,এ ১ম বাৰ্ষিক ) চেম্পিয়ন
২। অঞ্জলী দাস ( বি,এ ৩য় „ ) „
৩। বুলুৰাণী দ ( বি,এ ২য় ” ] ৰানাৰ্চ আপ
৪। বীতা বসাক ( বি,এ ২য় ” ) „

## বেদ্মিণ্টন এক্কনীয়া :

চেম্পিয়ন— বীতা বসাক ( স্নাতক ২য় বাৰ্ষিক )
ৰানাৰ্চ আপ— বীতা অধিকাৰী ” ৩য় „

পুষ্প সজ্জা ঃ

১ম— ৰীতা বসাক স্নাতক ২য় বাৰ্ষিক
২য়— প্ৰতিভা চৌধুৰী স্নাতক ১ম „
৩য়— জুলিয়েট দাস স্নাতক ৩য় „

- এই বেলি ছোৱালীৰ সৰ্বশ্ৰেষ্ঠা খেলুৱৈ হ'ল মিচ জুতিকা বয় ।

## সাহিত্য প্ৰতিযোগিতাৰ ফলাফল ঃ

**অসমীয়া চুটি গল্প ঃ**

১ম— নাই
২য়— শ্ৰীসুশীল কুমাৰ চৌধুৰী উঃ মাঃ ১ম বাৰ্ষিক

**উপগনি বটা ঃ**

শ্ৰীবিবিবিষ্ণু কুমাৰ বাভা স্নাতক ২য় বাৰ্ষিক

**অসমীয়া কবিতা ঃ**

১ম— শ্ৰীবিবিবিষ্ণু কুমাৰ বাভা স্নাতক ২য় বাৰ্ষিক
২য়— শ্ৰীবাঞ্জিত কুমাৰ বাভা উঃ মা. ২য় বাৰ্ষিক

## ১। আবৃত্তি প্ৰতিযোগিতাৰ ফলাফল

**( ক ) অসমীয়া ঃ**

প্ৰথম — মিচ জুলিয়েট দাস স্নাতক তৃতীয় বাৰ্ষিক
২য় — „ অঞ্জলি দাস „ „ „
৩য় — „ কমল কলিতা „ ১ম „

**( খ ) ইংৰাজী ঃ**

প্ৰথম — জুলিয়েট দাস স্নাতক ৩য় বাৰ্ষিক
২য় — কমল কলিতা „ ১ম „

## ২। আকস্মিক বক্তৃতা প্ৰতিযোগিতাৰ ফলাফল

১ম বুলুৰাণী দাস স্নাতক ২য় বাৰ্ষিক
২য় — অমৰ দাস „ ১ম „
৩য় — অঞ্জলী দাস „ ৩য় ,

## ৩। কুইজ প্ৰতিযোগিতাৰ ফলাফল

**প্ৰথম—**

ক] হাতিম আলি স্নাতক ১ম বাৰ্ষিক
খ] সুনীল ঠাকুৰীয়া „ ১ম „
গ] আমজাদ আলি „ ১ম „
ঘ] মকিল আহমেদ „ ১ম „
ঙ] ৰীতা বসাক „ ২য় „

**দ্বিতীয়—**

১।

ক] ভীষ্মদেৱ বাভা স্নাতক ১ম বাৰ্ষিক
খ] গৌৰাঙ্গ চৌধুৰী „ ১ম „
গ] অৰুণা বসাক „ ১ম „
ঘ] আৰতি মহন্ত „ ১ম „
ঙ] মিনা বৰ্মণ „ ১ম „

২।

নীলিমা তালুকদাৰ স্নাতক ১ম বাৰ্ষিক
খ] প্ৰতিভা চৌধুৰী „ ১ম „
গ] চাজিদা বেগম „ ৩য় „
ঘ] অলকা দেৱী „ ১ম „
ঙ জুলিয়েট দাস ৩য় „

# সাংস্কৃতিক বিভাগৰ বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল ঃ

**বৰগীত ঃ**

প্ৰথম— মিচ দিপীকা দেবী উ. মা. ২য় বাৰ্ষিক
২য়— শ্ৰীহৰি নাৰায়ণ ৰয় স্নাতক ১ম বাৰ্ষিক

**লোকগীত ঃ**

১ম— মিচ দিপীকা দেৱী উ. মা. ২য় বাৰ্ষিক
২য়— শ্ৰীহৰি নাৰায়ণ ৰয় স্নাতক ১ম ”

**জ্যোতি সংগীত ঃ**

১ম— জগবন্ধু চৌধুৰী স্নাতক ২য় বাৰ্ষিক
২য়— মিচ দিপীকা দেৱী উ. মা. ২য় ”

**বিষ্ণু সংগীত ঃ**

১ম— দিপীকা দেৱী উ. মা. ২য় বাৰ্ষিক
২য়— ধীৰাজ তামুলী স্নাতক ৩য় ”

**ভজন ঃ**

১ম— শ্ৰীজগবন্ধু চৌধুৰী স্নাতক ২য় বাৰ্ষিক
২য়— মিচ দিপাকা দেৱী উ. মা. ২য় ”

**গজল ঃ**

১ম— মিচ চিত্ৰা কলিতা স্নাতক ২য় বাৰ্ষিক
২য়— শ্ৰীজগবন্ধু চৌধুৰী ” ২য় ”

**আধুনিক গীত ঃ**

১ম— দিপীকা দেৱী উ. মা. ২য় বাৰ্ষিক
২য়— জগবন্ধু চৌধুৰী স্নাতক ২য় ”

**বড়ো গীত ঃ**

১ম— শ্ৰীকন্দৰ্প বড়ো স্নাতক ২য় বাৰ্ষিক
২য়— মিচ সংগীতা ৰাভা উঃ মাঃ ১ম বাৰ্ষিক

**ৰাভা গীত ঃ**

১ম— শ্ৰীধীৰাজ তামুলী স্নাতক ৩য় বাৰ্ষিক
২য়— শ্ৰীসংগীতা ৰাভা উঃ মাঃ ১ম বাৰ্ষিক

**বনগীত ঃ**

১ম— মিচ দিপীকা দেৱী উঃ মাঃ ২য় বাৰ্ষিক
২য়— মিচ চিত্ৰ কলিতা স্নাতক ২য় বাৰ্ষিক

**বয়ন ঃ**

১ম— মিচ অনিলা বড়ো স্নাতক ১ম বাৰ্ষিক
২য়— মিচ জুতিকা ৰয় উঃ মা. ১ম বাৰ্ষিক

**হাতৰ কাম ঃ**

১ম— জুলিয়েট দাস স্নাতক ৩য় বাৰ্ষিক
২য়— অৰুণা বসাক স্নাতক ১ম ”

• বছৰৰ শ্ৰেষ্ঠ সংগীত শিল্পী — মিচ দিপাকা দেৱী

**সমাজ সেৱা বিভাগৰ বঁটা বিজয়ীসকল ঃ**
**( লৰা )**

১ম— শ্ৰীসীত্ৰ ৰাম বড়ো স্নাতক ৩য় বাৰ্ষিক
২য়— শ্ৰীদেৱ কান্ত ৰাভা স্নাতক ২য় ”

**যোগ্যতাৰ প্ৰমাণ পত্ৰ পোৱাসকল ঃ**

শ্ৰীকমলেশ্বৰ চৌধুৰী স্নাতক ২য় বাৰ্ষিক
মঃ আমজাদ আলি স্নাতক ১ম ”
শ্ৰীকাশীনাথ ডেকা উ. মা ১ম. ”

**ছোৱালী ঃ**

১ম মিচ তৰা বায়ন উ. মা. ১ম বাৰ্ষিক
২য়— মিচ সংগীতা ৰাভা উ. মা. ১ম ”

**যোগ্যতাৰ প্ৰমান পত্ৰ পোৱাসকল ঃ**

মিচ মিনু দাস—উ. মা. ১ম বাৰ্ষিক
মিচ চন্দনা অধিকাৰী—স্নাতক ২য় ”